www.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

বিদ্যা মানৱ মনৰ দীপ্তি; তাৰ ৰশ্মিৰ পোহৰত কাম কৰি মানুহে ধন, মান আৰু যশস্যা লাভ কৰে। — সত্যনাথ বৰা

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- 'অসম বাৰ্তা' গোষ্ঠী -

❐ ষষ্ঠ বছৰ ❐ সংখ্যা - ১৯৬ ❐ বৃহস্পতিবাৰ ❐ ১৮ ছেপ্তেম্বৰ, ২০২৫ চন ❐ ১ আহিন, ১৯৪৭ শক ❐ VOL - 6 ❐ NO.- 196 ❐ Thursday ❐ 18th September, 2025 ❐ মূল্য ঃ ১০.০০ টকা ❐ মুঠ পৃষ্ঠা ঃ ৮

## জনজাতিকৰণৰ দাবী চুতীয়া জনগোষ্ঠীৰ ৪ অক্টোবৰত উজনি অসম বন্ধৰ আহ্বান

**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ১৭ ছেপ্টেম্বৰ ঃ** ভূমিপুত্ৰ তথা অসমৰ অন্যতম আদিম জনগোষ্ঠী চুতীয়াসকলক অনুসূচীত জনজাতিকৰণৰ দাবীত অহা ৪ অক্টোবৰত উজনি অসম বন্ধৰ আহবান ⏩ ৬ পৃষ্ঠাত

### দুৰ্নীতিৰে পৰ্বতসম সম্পত্তি গঢ়িলে ৰাজহ চক্ৰ বিষয়া নূপুৰ বৰাই

## দুৰ্নীতিৰ সম্ৰাজ্ঞী নূপুৰ বৰাৰ বেংকৰ লকাৰত উদ্ধাৰ ২৩ লাখ ৭৫ হাজাৰ টকা



**ষ্টাফ ৰিপৰ্টাৰ, বৰপেটা ৰোড, ১৭ ছেপ্টেম্বৰ ঃ** দুৰ্নীতিৰ সম্ৰাজ্ঞী এ চি এছ নূপুৰ বৰাৰ ফ্লেট আৰু ভাৰাঘৰৰ পিছত এইবাৰ বেংকত থকা লকাৰৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান চলে। বৰপেটা ৰোডৰ শিমলাগুৰিস্থিত ভাৰতীয় ষ্টেট বেংকৰ শাখাত থকা নূপুৰ বৰাৰ দুটাকৈ লকাৰত মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে অভিযান চলাই বৃহৎ ধনৰাশি উদ্ধাৰ কৰে। নূপুৰ বৰাক লগত লৈ দুপৰীয়া এছ বি আইৰ শাখাত উপস্থিত হয় ⏩ ৬ পৃষ্ঠাত

### ▪ সংৰক্ষণ নীতি, সাক্ষাৎকাৰ পৰ্যায় আৰু নিৰ্বাচনৰ মানদণ্ডক উপেক্ষা কৰি দিছিল নিযুক্তি ▪

# পৰিবহণ নিগমৰ ৭৭১জন কৰ্মচাৰীৰ বৰ্খাস্তত মোহৰ



### ❐ ৬০ দিনৰ ভিতৰত তদন্ত প্ৰক্ৰিয়া শেষ কৰিবলৈ নিৰ্দেশ ❐

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১৭ ছেপ্টেম্বৰ ঃ** অসম ৰাজ্যিক পৰিবহণ নিগম (এএছটিচি)ত অনিয়মিতভাৱে নিযুক্তি লাভ কৰা ৭৭১জন চুক্তিবদ্ধ কৰ্মচাৰীক চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ সিদ্ধান্তক সমৰ্থন জনাইছে গুৱাহাটী উচ্চ ন্যায়ালয়ে। এই সিদ্ধান্তৰ লগতে আদালতে নিযুক্তি প্ৰক্ৰিয়াত হোৱা ব্যাপক অনিয়মৰ ওপৰতো বিস্তৃতভাৱে আলোচনা ⏩ ৬ পৃষ্ঠাত

প্ৰাক্তন পৰিচালন সঞ্চালক আনন্দ প্ৰকাশ তিৱাৰী আৰু খগেন্দ্ৰ নাথ চেতিয়াৰ নেতৃত্বত যথাযথ প্ৰক্ৰিয়া অবিহনে ২,২৭৪জন কৰ্মচাৰীক দিয়া হৈছিল চুক্তিভিত্তিক নিযুক্তি

## গোলাঘাটত ভয়ংকৰ বানৰ তাণ্ডৱ; দুজনৰ মৃত্যু, শ শ গাঁও জলমগ্ন

**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ১৭ ছেপ্টেম্বৰ ঃ** সমগ্ৰ গোলাঘাট জিলা ভয়াৱহ বানৰ কবলত পৰি হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। ধনশিৰি আৰু দৈয়াং নদীৰ লগতে ইয়াৰ উপনদীসমূহৰ জলস্তৰ অস্বাভাৱিকভাৱে বৃদ্ধি পোৱাৰ ফলত জিলাৰ বিভিন্ন অঞ্চল প্লাৱিত হৈছে। এই প্ৰাকৃতিক দুৰ্যোগে শ শ গাঁও ⏩ ৬ পৃষ্ঠাত



## অৰুণাচল প্ৰদেশৰ মায়'ডিয়াত নতুন প্ৰজাতিৰ অৰ্কিড আৱিষ্কাৰ

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১৭ ছেপ্টেম্বৰ ঃ** অৰুণাচল প্ৰদেশৰ ল'ৱাৰ দিবাং ভেলী ⏩ ৬ পৃষ্ঠাত

### ▪ শতাধিক নিহত, নাগৰিকৰ মধ্যে পলায়নৰ আতংক ▪

## ইজৰাইলী সেনাৰ বিমান, স্থল আক্ৰমণত বিধ্বস্ত গাজা



**ডিজিটেল সংবাদ, অসম বাৰ্তা, ১৭ ছেপ্টেম্বৰ ঃ** মঙলবাৰৰ পৰা গাজা ষ্ট্ৰিপত ইজৰাইলী সেনাৰ তীব্ৰ বিমান আৰু স্থল আক্ৰমণে অঞ্চলটোৰ আকাশ-বতাহক গোলা-বাৰুদৰ ধোঁৱাৰে পৰিপূৰ্ণ কৰি তুলিছে। এই ⏩ ৬ পৃষ্ঠাত

### স্বীকাৰোক্তিৰ পিছত পুনৰবাৰ আন্তঃৰাষ্ট্ৰীয় মঞ্চত অস্বস্তিকৰ পাকিস্তান

## সংসদ ভৱন আক্ৰমণত জড়িত আছিল মাছুদ আজহাৰ

**অনলাইন ডেস্ক, অসম বাৰ্তা, ১৭ ছেপ্টেম্বৰ ঃ** জৈছ-ই-মহম্মদৰ এক শীৰ্ষ সন্ত্ৰাসবাদী নেতা মাছুদ ইলিয়াছ কাশ্মীৰীয়ে এক ⏩ ৬ পৃষ্ঠাত

## ঠিকাদাৰ আহমেদক নিলম্বন কৰিলে প্ৰদেশ কংগ্ৰেছে উন্মুক্ত কালভাৰ্টত পৰি ছাত্ৰৰ মৃত্যু; উত্তপ্ত ডিগবৈ-পেঙেৰী

### ঠিকাদাৰ মটলেবুদ্দিন আহমেদক 'ব্লেক লিষ্টেড' কৰাৰ দাবী

**অসম বাৰ্তা বিশেষ, পেঙেৰী, ১৭ ছেপ্টেম্বৰ ঃ** 'অসম মালা'লৈ উন্নীতকৰণৰ কাম চলি থকা পেঙেৰী হৈ ডিগবৈ-বৰডুমচা পথটোৰ 'ডিগবৈ-পেঙেৰী অংশ'টোৰ ঠিকাদাৰ জনৈক মটলবুদ্দিন আহমেদে সৃষ্টি কৰা মৰণফান্দে বহু লোকক ঘূৰ্ণীয়া কৰাই নহয় ⏩ ৬ পৃষ্ঠাত

### অসম সন্তান গৌৰাংগলাল দাসক নতুন দায়িত্ব বিদেশ মন্ত্ৰাণালয়ৰ

## গৌৰাংগলাল দাসক দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰদূতৰূপে নিযুক্তি



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৭ ছেপ্টেম্বৰ ঃ** অসমৰ জ্যেষ্ঠ কূটনীতিক গৌৰাঙ্গলাল দাসক ভাৰতৰ বিদেশ মন্ত্ৰণালয়ে দক্ষিণ কোৰিয়াৰ পৰৱৰ্তী ৰাষ্ট্ৰদূত হিচাপে নিযুক্তি প্ৰদান কৰিছে। ১৯৯৯ বেটচৰ ভাৰতীয় বিদেশ সেৱা (আই এফ এছ)ৰ এইগৰাকী বিষয়াই বৰ্তমান বিদেশ মন্ত্ৰণালয়ৰ পূৰ্ব এছিয়া বিভাগৰ যুটীয়া সচিব হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। বুধবাৰে বিদেশ মন্ত্ৰণালয়ে ⏩ ৬ পৃষ্ঠাত

### ৰাইজে ভাল-বেয়াৰ বিচাৰ কৰিব জানে ঃ প্ৰমোদ বড়ো

## মই বেয়া মানুহ নহয় !

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৭ ছেপ্টেম্বৰ ঃ** বাক্সা জিলাৰ ২৩ নং দিহিৰা পৰিষদীয় সমষ্টিৰ নাৰায়ণপুৰত বুধবাৰে অনুষ্ঠিত এক দলীয় সভাত অংশগ্ৰহণ কৰি ইউনাইটেড পিপলছ পাৰ্টি লিবাৰেল (ইউপিপিএল)ৰ নেতা প্ৰমোদ বড়োৱে সাংবাদিকৰ ⏩ ৬ পৃষ্ঠাত

### নিৰ্বাচন আয়োগৰ নতুন পদক্ষেপ; EVMৰ বেলট পেপাৰত আহিব নতুনত্ব

## বেলট পেপাৰত থকা প্ৰাৰ্থীৰ ফটো হ'ব ৰঙীন



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৭ ছেপ্টেম্বৰ ঃ** ভাৰতৰ নিৰ্বাচন আয়োগে ইলেক্ট্ৰনিক ভোটিং মেচিন (EVM)ৰ বেলট পেপাৰৰ বিন্যাসত এক যুগান্তকাৰী সিদ্ধান্ত গ্ৰহণ কৰিছে। আগন্তুক ⏩ ৬ পৃষ্ঠাত




### প্ৰধানমন্ত্ৰী মোডীৰ মাতৃক 'অপমান'ৰ বিৰুদ্ধে কঠোৰ পাটনা উচ্চ ন্যায়ালয়

## কংগ্ৰেছক মোডীৰ মাতৃৰ সকলো ভিডিঅ' মচি পেলোৱাৰ নিৰ্দেশ



**অনলাইন ডেস্ক, অসম বাৰ্তা, ১৭ ছেপ্টেম্বৰ ঃ** পাটনা উচ্চ ন্যায়ালয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ মাতৃক "অপমান" কৰাৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ লৈছে। ⏩ ৬ পৃষ্ঠাত

### মহিলা গৰাকীক পুনৰ নিজ পদত প্ৰতিষ্ঠিত কৰাৰ নিৰ্দেশ

## সাহিত্য অকাডেমীৰ সচিবৰ বিৰুদ্ধে যৌন নিৰ্যাতনৰ অভিযোগ

### 'দুৰ্বল কাৰ্যদক্ষতা'ৰ অজুহাতত ভুক্তভোগীক চাকৰিৰ পৰা নিলম্বন

**অনলাইন ডেস্ক, অসম বাৰ্তা, ১৭ ছেপ্টেম্বৰ ঃ** ২০১৮ চনত সাহিত্য অকাডেমীৰ সম্পাদক ড° কে শ্ৰীনিবাস ৰাওৰ বিৰুদ্ধে এগৰাকী মহিলা সহকৰ্মীৰ পৰা যৌন নিৰ্যাতনৰ অভিযোগ উঠিছিল। মহিলাগৰাকীয়ে স্থানীয় অভিযোগ ⏩ ৬ পৃষ্ঠাত






### তৃণমূল কংগ্ৰেছৰ সাংসদ সুস্মিতা দেৱৰ মন্তব্যক লৈ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ প্ৰতিক্ৰিয়া

## কংগ্ৰেছৰ দিনতে ডি ভোটাৰ, ডিটেনচন আনিছিল, বাঙালীৰ ওপৰত অত্যাচাৰ কংগ্ৰেছৰ দিনতে হৈছিল

**অসম বাৰ্তা, বৰপেটা ৰোড, ১৬ ছেপ্টেম্বৰ ঃ** সুস্মিতা দেৱে এসময়ত কংগ্ৰেছ কৰিছিলে। এই কংগ্ৰেছৰ দিনতে ডি ভোটাৰ, ডিটেনচন আনিছিল। বাঙালীৰ ওপৰত যিমান অত্যাচাৰ হৈছিল, কংগ্ৰেছৰ দিনতে হৈছিল। ভাৰতীয় জনতা পাৰ্টিয়ে বৰাক ব্ৰহ্মপুত্ৰৰ মাজৰ বিভাজন নোহোৱা কৰিছে। বাঙালী সকল বাংলাভাষী অসমীয়া, আমি অসমীয়া ভাষা অসমীয়া। আমি সকলো বৃহত্তৰ অসমীয়া জাতি। ভাৰতত জাতিৰ আধাৰত নিৰ্বাচন নহয়। আমি জাতিৰ আধাৰত নিৰ্বাচন নেখেলো। তেওঁলোকে তোষামোদৰ ৰাজনীতি কৰে। আমি তেওঁলোকক তোষামোদ নকৰোঁ। আমাকে সকলোৱে ভোট দিব। উল্লেখ্য যে কালি বৰপেটাৰোডৰ সমীপত বিটিআৰৰ মঠনগুৰীত তৃণমূলৰ প্ৰাৰ্থী গৰাকীৰ হৈ এক প্ৰচাৰ সভাত উপস্থিত হৈ হিন্দু বাঙালীৰ বাবে বিজেপিয়ে একো কৰা নাই। হিন্দু বাঙালীক বুৰ্বক সজাই বিজেপিয়ে ৰাজনীতি কৰিছেবুলি মন্তব্য দিয়াৰ পিছত মঠনগুৰী পৰিষদীয় সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী তথা এতিয়াৰ কাৰ্যবাহী সদস্য গৌতম দাসৰ নিৰ্বাচনী প্ৰচাৰত আঠিয়াবাৰী গাঁৱত অনুষ্ঠিত সভাত তীব্ৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰি এনেদৰে কয় মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে। তেওঁ লগতে মমতা বেনাৰ্জীৰ দল তৃণমূলে অসমত খোপনি পুতিব বুলি কৰা মন্তব্য সম্পৰ্কতো প্ৰতিক্ৰিয়াত কয় মমতা বেনাৰ্জীয়ে পশ্চিমবংগৰ দৰে অসমত কৰিব নোৱাৰিব। ই এখন গণতান্ত্ৰিক ৰাজ্য। এইখন অচ্যাচাৰী ৰাজ্য নহয়। তৃণমূলে অসমত খোপনি পোতক। আদৰণি জনাইছোঁ। কিন্তু অসমত পশ্চিমবংগৰ দৰে আচাৰ ব্যৱহাৰ কৰিব নোৱাৰিব। ইপিনে কোকৰাঝাৰৰ ৰোগী পশ্চিম বংগলৈ যোৱা সম্পৰ্কত সুস্মিতা দেৱৰ মন্তব্যৰো প্ৰতিক্ৰিয়া জনায় ৰণজিৎ কুমাৰ দাসে।

## ডিব্ৰুগড়ৰ বঙালগাঁৱত অসম সাহিত্য সভাৰ শাখা গঠন; ভূষণজ্যোতি সন্দিকৈ সভাপতি



**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৬ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড়ৰ বঙালগাঁওস্থিত বঙালগাঁও প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত এক ৰাজহুৱা সভাত অসম সাহিত্য সভাৰ এটি শাখা গঠন কৰা হয়। বঙালগাঁৱৰ লগতে অঞ্চলটোৰ সমীপৱৰ্তী হিলৈধাৰী, চান্দৈপথাৰ, মাইজান, সেউজপুৰ, বাণীপুৰ তিনিআলি আদি অঞ্চলৰ শতাধিক পুৰুষ-মহিলা, যুৱক-যুৱতী, চৰকাৰী গাঁওপ্ৰধান, পঞ্চয়ত আৰু জিলা পৰিষদৰ সদস্যৰ উপস্থিতিত অনুষ্ঠিত ৰাজহুৱা সভাই অঞ্চলটোৰ উঠি অহা প্ৰজন্মৰ মাজত গ্ৰন্থ অধ্যয়ন আৰু সাহিত্য চৰ্চাৰ পৰিৱেশ গঢ়ি তোলাৰ লক্ষ্যৰে এই শাখাসমিতি গঠন কৰা হয়। সম্পাদকে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ পাছত সুদীৰ্ঘ আলোচনাৰ অন্তত ৰাজহুৱা সভাই সৰ্বসন্মতিক্ৰমে এখনি উচ্চ সম্পন্ন শাখাসমিতি গঠন কৰি কেন্দ্ৰীয় সমিতিৰ স্বীকৃতিৰ বাবে প্ৰেৰণ কৰা হয়। 'ৰামধেনু শাখা সাহিত্য সভা' নামেৰে নামকৰণ কৰা শাখা সমিতিৰ সভাপতি হিচাপে বিশিষ্ট লেখক- জ্যেষ্ঠ সাংবাদিক ভূষণজ্যোতি সন্দিকৈ আৰু সম্পাদক হিচাপে অনিল প্ৰসাদ সিংহকলৈ এখনি ১৮ জনীয়া সদস্যৰে শক্তিশালী শাখা সমিতি গঠন কৰা হয়। সমিতিৰ অন্যান্য বিষয়-ববীয়াসকল হৈছে— ৰত্নেশ্বৰ ফুকন (উপ-সভাপতি), বিমল চন্দ্ৰ দত্ত আৰু কৃষ্ণ দাস (সহ: সম্পাদক), মদন ভৰালী (কোষাধ্যক্ষ) আৰু মাণিক বৈশ্য (পত্ৰিকা সম্পাদক)। সমিতি গঠন অনুষ্ঠানত ডিব্ৰুগড় জিলা সাহিত্য সভাৰ তৰফৰ পৰা পৰ্যবেক্ষক হিচাপে জিলা সহঃ সম্পাদক অজিত কুমাৰ বুঢ়াগোহাঁই আৰু কেন্দ্ৰীয় সমিতিৰ প্ৰতিনিধি হিচাপে উপস্থিত থাকে অসম সাহিত্য সভাৰ কেন্দ্ৰীয় সমিতিৰ আমন্ত্ৰিত সদস্য লেখক- সাহিত্যিক ইন্দ্ৰ গগৈ। মূল সমিতিৰ উপৰি এই সভাতেই 'ৰামধেনু', 'আকাশ', আৰু 'কুঁহি' — এই তিনিখন উপ-সমিতিও গঠন কৰা হয়।

### ভ'ভিনাম টুৰ্ণামেণ্টত তিনিটাকৈ সোণৰ পদক অৰ্জন লাউতোলাৰ পাপু আহমেদৰ

## ৰাষ্ট্ৰীয় পৰ্যায়ৰ কুং-ফুত উজ্বলিল মুকালমুৱাৰ লাউতোলাৰ যুৱক

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ১৬ ছেপ্টেম্বৰ ঃ** ৰাষ্ট্ৰীয় পৰ্যায়ৰ কুং-ফুত উজলিল মুকালমুৱাৰ লাউতোলাৰ এজন যুৱক। ভ'ভিনাম টুৰ্ণামেণ্টত তিনিটাকৈ সোণৰ পদক অৰ্জন মুকালমুৱাৰ লাউতোলাৰ পাপু আহমেদ নামৰ যুৱকজনৰ। পাপুৰ সফলতাত এতিয়া উৎফুল্ল হৈ পৰিছে গাঁওবাসী। দিল্লীত অনুষ্ঠিত হোৱা ১৪ তম ভ'ভিনাম টুৰ্ণামেণ্টত উজলিল অসমৰ সন্তান। ৰাষ্ট্ৰীয় পৰ্যায়ৰ অনুষ্ঠিত হোৱা কুং-ফু খেলত অসমৰ হৈ প্ৰতিনিধিত্ব কৰি তিনিটাকৈ সোণৰ পদক অৰ্জন কৰিবলৈ সক্ষম হয় পাপুৱে। লাউতোলা গাঁও নিবাসী চাকিম আহমেদৰ পুত্ৰ পাপু আহমেদে দিল্লীৰ পৰা নিজ জিলাত উপস্থিত হোৱাত উৎফুল্ল হৈ পৰে অঞ্চলবাসী। সৰুৰে পৰাই কংফুৰ প্ৰতি আকৃষ্ট হৈছিল এই যুৱকজন। উল্লেখ্য যে ঢোল, খোল বজাই বিশাল ৰেলী কৰি পাপুক গামোচা পিন্ধাই আদৰি নিয়ে সমূহ গাওঁবাসীয়ে। পাপুৱে জানিবলৈ দিয়া মতে, পৰৱৰ্তী সময়ত অনুষ্ঠিত হ'বলগীয়া বিশ্ব চেম্পিয়ন ভূমি নামৰ বাছনি খেলত পাপু আহমেদে ইণ্ডোনেছিয়াত আন্তৰাষ্ট্ৰীয় পৰ্যায়ত কুংফু খেলত অংশগ্ৰহণ কৰিব বুলিও জানিব দিয়ে। উল্লেখ্য যে উক্ত টুৰ্ণামেণ্টত পাপুৱে চাৰিখনকৈ খেলত অংশগ্ৰহণ কৰিছিল। ইয়াৰে তিনিখন খেলত সোণৰ পদক লাভ কৰিছিল যদিও আনখন খেলত শাৰীৰিকভাৱে কিছু আঘাত পোৱাত চতুৰ্থখন খেলত পৰাজিত হ'বলগীয়া হয়। পাপুৰ এই সাফল্যত সমগ্ৰ অঞ্চলটোৰ নব প্ৰজন্মৰ মাজত ক্ৰীড়াৰ জাগৰণ আনিব বুলিও বিশ্বাস অঞ্চলটোৰ লোকসকলৰ।

## মৰিগাঁও জিলাৰ আয়ুক্ত অনামিকা তিৱাৰীৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে মধ্যাহ্ন ভোজন আহাৰ গ্ৰহণ

**অসম বাৰ্তা, মৈৰাবাৰী, ১৭ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলাৰ আয়ুক্ত অনামিকা তেৱাৰীয়ে জিলা খনৰ এখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে একেলগে আহাৰ গ্ৰহণ কৰি এক অনন্য দৃষ্টান্ত স্থাপন কৰিছে। তেখেতে ছাত্ৰ-ছাত্ৰীৰ মাজত বহি তেওঁলোকৰ সৈতে মধ্যাহ্ন ভোজন গ্ৰহণ কৰে, যিয়ে শিক্ষাৰ্থী, অভিভাৱক, শিক্ষক আৰু শিক্ষয়িত্ৰী সকলৰ মাজত এক আনন্দময় পৰিৱেশৰ সৃষ্টি কৰে। এই কাৰ্য কৰ্মৰ জৰিয়তে আয়ুক্ত গৰাকীয়ে ছাত্ৰ-ছাত্ৰীৰ সৈতে মুক্তভাৱে মত বিনিময় কৰি তেওঁলোকৰ শিক্ষা আৰু দৈনন্দিন অভিজ্ঞতাৰ বিষয়ে জানিবলৈ চেষ্টা কৰে। এনে উদ্যোগে শিক্ষাৰ্থী সকলৰ মনোবল বৃদ্ধি কৰাৰ লগতে শিক্ষক-অভিভাৱক সকলৰ মাজতো ইতিবাচক প্ৰভাৱ পেলায়। অভিভাৱক আৰু শিক্ষকসকলে আয়ুক্তৰ এই সৰল পদক্ষেপৰ শলাগ লৈ কয় যে এনে কাৰ্যকৰ্মই শিক্ষাৰ্থীৰ সৈতে প্ৰশাসনৰ সম্পৰ্ক অধিক সুদৃঢ় কৰিব। জিলা আয়ুক্ত অনামিকা তিৱাৰীৰ এনে পদক্ষেপত মৰিগাঁও জিলাৰ শিক্ষা ক্ষেত্ৰত এক স্মৰণীয় মুহূৰ্ত হিচাপে চিহ্নিত হৈ ৰ'ল। উল্লেখযোগ্য যে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ লগতে মৰিগাঁও জিলাৰ আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাসেও একে লগে আহাৰ গ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰী সকলৰ মাজত এক আনন্দময় পৰিবেশ সৃষ্টি কৰিছিল।

## 'প্ৰজ্ঞা-মৈত্ৰীঃ সাহিত্য-সংস্কৃতিৰ সাধনা মঞ্চ, অসম'ৰ নগাঁও জিলা সমিতিৰ প্ৰথম বাৰ্ষিক অধিৱেশনৰ প্ৰস্তুতি

**অসম বাৰ্তা, পুৰণিগুদাম, ১৬ ছেপ্টেম্বৰ ঃ** "প্ৰজ্ঞা-মৈত্ৰীঃ সাহিত্য-সংস্কৃতিৰ সাধনা মঞ্চ, অসম"ৰ অন্তৰ্গত নগাঁও জিলা সমিতিৰ প্ৰথম বাৰ্ষিক অধিৱেশনখনি অহা ২১ ছেপ্টেম্বৰত দিনজোৰা কাৰ্যসূচীৰে নগাঁও প্ৰেছ ক্লাবত আয়োজন কৰা হৈছে। উক্ত অধিৱেশনৰ লগত সংগতি ৰাখি এখনি কবি সন্মিলনো অনুষ্ঠিত হ'ব। কবি সন্মিলনত নগাঁও জিলাৰ বিভিন্ন প্ৰান্তৰ কবিসকলে অংশগ্ৰহণ কৰাৰ উপৰিও কেন্দ্ৰীয় সমিতিৰ কেইবাগৰাকী বিষয়ববীয়াই অংশগ্ৰহণ কৰিব। "প্ৰজ্ঞা-মৈত্ৰীঃ সাহিত্য-সংস্কৃতিৰ সাধনা মঞ্চ, অসম" নগাঁও জিলাৰ সমিতিৰ সভাপতি হাইছ উদ্দিন আহমেদ আৰু সাধাৰণ সম্পাদক ড° কেশৱ বৰাই জানিবলৈ দিয়া মতে, সেইদিনা পুৱা ১০-৩০ বজাত শুভাৰম্ভ হ'বলগীয়া অনুষ্ঠানটিত কোনো লেখক-লেখিকাই নিজৰ স্বৰচিত কবিতা পুথিও উন্মোচন কৰাব পাৰিব। ইচ্ছুক লেখক-লেখিকাই আগতীয়াকৈ সভাপতি বা সম্পাদকৰ হাতত কিতাপৰ কপি জমা দিব লাগিব। অধিৱেশনত উপস্থিত থাকি সহায়-সহযোগিতা আগবঢ়াবলৈ উদ্যোক্তাসকলে আহ্বান জনাইছে।

### অবৈধ তীৰ খেলৰ লগত জড়িত দুজনক আটক কচুৱা আৰক্ষীৰ

**অসম বাৰ্তা, কচুৱা, ১৭ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ কচুৱা আৰক্ষীয়ে তীৰ খেলৰ বিৰুদ্ধে অভিযান চলায়। এক গোপন সূত্ৰৰ ভিত্তিত কচুৱা আৰক্ষীয়ে অভিযান চলাই দুজন লোকক আটক কৰিবলৈ সক্ষম হয়। কচুৱা বজাৰ আৰু লটুমাৰী বজাৰত নিতৌ অবৈধ তীৰ খেল চলাই থকাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছিল লোকদুজনৰ বিৰুদ্ধে। আৰক্ষীৰ অভিযানত চানখোলা গাঁৱৰ আব্দুল আজিজ আৰু ৰাঙলুবস্তিৰ মন্নাছ আলীক হাতেলুটে আটক কৰে কচুৱা আৰক্ষীয়ে। লগতে আৰক্ষীয়ে তীৰ খেলৰ লগত জড়িত সামগ্ৰী সমূহ জব্দ কৰে। ধৃত লোকজনক আটক কৰি তদন্ত অব্যাহত ৰাখিছে কচুৱা আৰক্ষীয়ে।

## ৰূপহীহাটৰ ফুটালজাৰত নেমছুৰ ৪১ জনীয়া কমিটি গঠন

**অসম বাৰ্তা, ৰূপহীহাট, ১৭ ছেপ্টেম্বৰ ঃ** আজি ৰূপহীহাটৰ ফুটালজাৰত নেমছুৰ আঞ্চলিক সমিতি গঠন কৰা উপলক্ষে এক সভা অনুষ্ঠিত হয়। নগাঁও জিলা নেমছুৰ সভাপতি মঞ্জিৰুল ইছলামৰ সঞ্চালনাত অনুষ্ঠিত সভাখনত ৪১ জনীয়া নেমছু আঞ্চলিক সমিতি গঠন কৰা হয়। নব গঠিত নেমছু আঞ্চলিক সমিতিৰ সভাপতি হিচাপে মুশ্বাৰফ হুছেইন আৰু সম্পাদক হিচাপে ৰাবুল হুছেইন আৰু কাৰ্যকৰী সভাপতি এহিয়া খান নিৰ্বাচিত হয়। শিক্ষাই শক্তি, শিক্ষাই মুক্তি শ্লোগানৰে ফুটলজাৰ অঞ্চলৰ বিভিন্ন অসামাজিক কাৰ্যকলাপ আৰু দুৰ্নীতি নিবাৰণৰ লক্ষ্য আগত ৰাখি নেমছুৰ আজিৰ ফুটলজাৰত আঞ্চলিক সমিতি গঠন কৰে। বৃহত্তৰ অঞ্চলটোত শিক্ষাৰ ক্ষেত্ৰত আগুৱাই নিয়াৰ লগতে দুৰ্নীতি মুক্ত সমাজ গঢ়ি তুলিবলৈ নেমছু ফুটলজাৰ আঞ্চলিক সমিতি গঠন কৰি সভাপতি আৰু সাধাৰণ সম্পাদককে ধৰি সকলোকে নগাঁও জিলা নেমছুৰ সভাপতিয়ে শুভেচ্ছা জ্ঞাপন কৰে।

## সোণালী জয়ন্তী বৰ্ষ গৰকাৰ পথত উকিয়ামৰ বৰঝাৰৰ বিষ্ণুৰাভা এম.ই.স্কুল

**অসম বাৰ্তা, বকো, ১৭ ছেপ্টেম্বৰ ঃ** কামৰূপ জিলাৰ ছয়গাঁও শিক্ষাখণ্ডৰ অন্তৰ্গত উকিয়াম বৰঝাৰৰ বিষ্ণুৰাভা মধ্য ইংৰাজী বিদ্যালয়খন ১৯৭৫ চনত স্থাপিত হোৱা চলিত বৰ্ষতে গৰকিব গৌৰৱোজ্জলৰ ৫০টা বৰ্ষ। উৎফুল্ল হৈ পৰিছে ছাত্ৰ-ছাত্ৰী, অভিভাৱককে ধৰি গাঁও অঞ্চলবাসী ৰাইজ। সেয়ে অহা নবেম্বৰ মাহৰ ১৪ আৰু ১৫ ইং তাৰিখ দুদিনীয়াকৈ বিস্তৃত কাৰ্য্যসুচীৰে উদযাপন কৰিব সোণালীজয়ন্তী বৰ্ষ। সেয়ে আজি শতাধিক অঞ্চলবাসী ৰাইজৰ উপস্থিতিত সোণালীজয়ন্তী বৰ্ষৰ উদযাপন সমিতি গঠন কৰা হয়। আজি সমিতিখনত সভাপতি হিচাপে দায়িত্ব দিয়া হয় এই বিদ্যালয়খন প্ৰতিষ্ঠাপক শিক্ষক তথা অবসৰপ্ৰাপ্ত কৃতি শিক্ষক বতা প্ৰাপ্ত বেণুধৰ ৰাভা, কাৰ্যকৰী সভাপতি অবসৰপ্ৰাপ্ত শিক্ষক কৈফাৰাম ৰাভা, উপ সভাপতি সমাজকৰ্মী ভাৰত চন্দ্ৰ ৰাভা, চবিন চন্দ্ৰ ৰাভা, ভুপেন চন্দ্ৰ ৰাভা, আৰু সাধাৰণ সম্পাদক বিদ্যালয় খনৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক নীৰেন কুমাৰ বড়ো, চন্দ্ৰ কুমাৰ ৰয়, মণিৰাম ৰাভাকে ধৰি সমিতি খনত গাওঁ অঞ্চলবাসী ৰাইজৰ বহু বিষয়ববীয়াক লৈ গঠন কৰা হয় সমিতি খন। উদযাপনৰ সমিতিৰ সভাপতি বেণুধৰ ৰাভাই জনোৱা অনুসৰি সোণালীজয়ন্তী বৰ্ষৰ দুদিনীয়াকৈ হব লগীয়া কেইবাটাও কাৰ্য্যসুচীৰ আধাৰত সাংস্কৃতিক শোভাযাত্ৰাৰ লগতে নাচ, গান-গীত মাতেৰে জীপাল হৈ পৰিব সাংস্কৃতিক অনুষ্ঠান। ইয়াৰ উপৰিও গাওঁ অঞ্চলবাসী আৰু বিদ্যালয় খনক লৈ স্মৃতিগ্ৰন্থ প্ৰকাশ কৰি উলিওৱা হ'ব, আৰু লগতে পুৰণি কৃস্তী সংস্কৃতিৰ উপৰিও খাদ্য সম্ভাৰৰ পদৰ্শনী দেখুৱা হ'ব আগবঢ়াই অঞ্চলবাসীৰ মহিলাসকলেও।

## বাহনা মহাবিদ্যালয়ত গ্ৰুপ ডিচকাচন কৌশল সম্পৰ্কীয় কৰ্মশালা

**অসম বাৰ্তা, নিমাতীঘাট, ১৭ ছেপ্টেম্বৰ ঃ** যোৱা ১৬ ছেপ্তেম্বৰ, ২০২৫ তাৰিখে বাহনা মহাবিদ্যালয় আভ্যন্তৰীণ গুণমান নিশ্চিতকৰণ কোষৰ উদ্যোগত যোৰহাটৰ বাহনা মহাবিদ্যালয়ত এদিনীয়া কাৰ্য্যসূচীৰে স্নাতক মহলাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে গ্ৰুপ ডিচকাচনৰ পদ্ধতি তথা কৌশল সম্পৰ্কীয় এখনি কৰ্মশালাৰ আয়োজন কৰা হয়। বাহনা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° চুম্বিত চলিহাৰ পূৰ্ণ সহযোগিতাৰে শুভাৰম্ভ হোৱা কৰ্মশালাখনত সভাপতিৰ দায়িত্ব বহন কৰে মহাবিদ্যালয়ৰ আভ্যন্তৰীণ গুণমান নিশ্চিতকৰণ কোষৰ সমন্বয়ক তথা মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° পংকজ বৰাই। কৰ্মশালাখনত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে ICA Edu Skills Pvt. Ltd ত ব্যক্তিত্ব বিকাশৰ প্ৰশিক্ষকৰূপে কৰ্মৰত সিদ্ধাৰ্থ বৰুৱাই। কৰ্মশালাখনৰ সমন্বয়ক হিচাবে মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক ড° ৰীমা ৰাভা আৰু উদ্ভিদ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° পূজামণি বৰুৱাই দায়িত্ব গ্ৰহণ কৰি সুচাৰুৰূপে পৰিচালনা কৰে। কৰ্মশালাখন সফলভাৱে ৰূপায়ণ কৰাৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ পৰিসংখ্যা বিভাগৰ সহকাৰী অধ্যাপক ড° তৌচিফুৰ ৰহমানেও সহায় আগবঢ়ায়। উল্লেখযোগ্য যে, মহাবিদ্যালয়ৰ হীৰক জয়ন্তী বৰ্ষৰ অনুষ্ঠানমালাৰ অংশৰূপে আয়োজিত এই কৰ্মশালাখনত কলা আৰু বিজ্ঞান শাখাৰ পাঁচ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে উৎসাহজনকভাৱে অংশগ্ৰহণ কৰে।

### আমগুৰিত শোকৰ ছাঁ

## অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী দ্বীপমালা শৰ্মাৰ অকাল বিয়োগ

**অসম বাৰ্তা, আমগুৰি, ১৭ ছেপ্টেম্বৰ ঃ** আমগুৰিৰ ডনবস্ক' স্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী দ্বীপমালা শৰ্মা(৬৫)ৰ যোৱা দেওবাৰে নিশা ৮ঃ৩০ বজাত পৰলোকপ্ৰাপ্তি হয়। সদাহাস্য অতি নিৰ্জু, অমায়িক প্ৰকৃতিৰ শিক্ষয়িত্ৰী দ্বীপমালা শৰ্মাৰ মৃত্যুত অঞ্চলজুৰি শোকৰ ছাঁ পৰে। যোৱা দীৰ্ঘদিন ধৰি তেখেত শাৰীৰিক অসুস্থতাত ভোগী আছিল বুলি পৰিয়ালৰ সূত্ৰে জানিব পৰা গৈছে। এগৰাকী অতি মৰমিয়াল মাতৃৰ দৰে শিক্ষা প্ৰদান কৰা শিক্ষয়িত্ৰী শৰ্মা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত জনপ্ৰিয় আছিল। নাগালেণ্ডৰ টুলি ডনবস্ক' স্কুলত শিক্ষকতা জীৱন আৰম্ভ কৰা দ্বীপমালা শৰ্মাই ১৯৯৯ চনত আমগুৰি ডনবস্ক' স্কুলত শিক্ষাদান আগবঢ়াই ২০২২ চনত অৱসৰ গ্ৰহণ কৰে। শিক্ষকতাৰ উপৰিও সামাজিক জীৱনত প্ৰয়াত শৰ্মা সক্ৰিয় আছিল। আমগুৰিৰ মাৰোৱাৰী মহিলা সমাজৰ তেখেত উপদেষ্টা হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। প্ৰয়াত দ্বীপমালা শৰ্মাৰ স্বামী শ্যামলাল শৰ্মা এগৰাকী সফল ব্যৱসায়ী। মৃত্যুৰ সময়ত প্ৰয়াত দ্বীপমালা শৰ্মাই স্বামী, দুই পুত্ৰ সন্তান, বোৱাৰীৰ লগতে তিনি নাতি আৰু বহুতো আত্মীয় স্বজনক ইহ সংসাৰত এৰি যায়।

## দেৰগাঁৱৰ পুলিচ একাডেমিৰ চৌহদৰ নামঘৰত চুৰি

**অসম বাৰ্তা, দেৰগাঁও, ১৭ ছেপ্টেম্বৰ ঃ** আৰক্ষী চৌহদেই আটাইতকৈ সুৰক্ষিত স্থান বুলি সকলোৱে অনুভৱ কৰে। কিন্তু দেৰগাঁও লাচিত বৰফুকন পুলিচ একাডেমিৰ চৌহদৰ এ পি টি চি নামঘৰতে ১৩ ছেপ্টেম্বৰৰ নিশা চুৰি সংঘটিত হয়। ঘটনাটো একপ্ৰকাৰ গাপ দিবলৈ চেষ্টা কৰিছিল যদিও বিশেষ সূত্ৰৰ পৰা খবৰ লাভ কৰি সংবাদ মাধ্যমৰ লোক উপস্থিত হৈ নামঘৰীয়াক সোধাপোছা কৰাত চুৰিৰ কথা পোহৰলৈ আহে। নামঘৰীয়াৰ মতে, নামঘৰৰ তলা ভাঙি চোৰে দানপাত্ৰৰ পৰা কৰি নিয়ে সমস্ত টকা। যিহেতু এই একাডেমিত ২৪ ঘণ্টাই নিয়োগ কৰা থাকে টহলদাৰী আৰক্ষী। তাৰ মাজতো চোৰে তলা ভাঙি লুটপাত কৰিবলৈ কেনেধৰণে সুযোগ পালে সেয়া এক ডাঙৰ প্ৰশ্ন।

## জাঁজী ফুলপানিছিগাত ৫৭৭তম্ শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱৰ দুদিনীয়া কায্যসূচীৰে বৰ্ণাঢ্য আয়োজন

**অসম বাৰ্তা, জাঁজী, ১৬ ছেপ্টেম্বৰ ঃ** শিৱসাগৰ জিলাৰ শংকৰদেৱ কৃষ্টি কেন্দ্ৰ আৰু বৰ নামঘৰ, ফুলপানিছিগাৰ ১৯৬৭ চনৰ পৰাই শংকৰদেৱ কৃষ্টি কেন্দ্ৰ ফুলপানিছিগাত বৃহত্তৰ জাঁজীবাসী ৰাইজৰ সহযোগত প্ৰতি বছৰে উদ্‌যাপন কৰি অহা হৈছে। আনহাতে এই বাৰো ৫৭৭ তম জন্মজয়ন্তী ভাগি অহা ২ আৰু ৩ অক্টোবৰত দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে উদযাপন কৰিবলৈ আয়োজন কৰা হৈছে। কায্যসূচী অনুসৰি-২ অক্টোবৰ পুৱা উষা কীৰ্ত্তন, ধৰ্মধ্বজা উত্তোলন, স্মৃতি তৰ্পণ, বৃক্ষ ৰোপণ, ভাগৱত শোভাযাত্ৰা, শৰাই অৰ্পণ, নাম প্ৰসংগ, কীৰ্তন পাঠ, দিহা নাম আদি অনুষ্ঠিত হব। ইয়াৰোপৰি সন্ধ্যা স্থানীয় শিশু শিল্পীৰ দ্বাৰাই গায়ন প্ৰদৰ্শনৰ পাছতেই শুভেচ্ছা মূলক বক্তব্য প্ৰদান কৰিব আমগুৰিৰ বিশিষ্ট ব্যৱসায়ী তপন দাসে। নিশা স্থানীয় শিল্পীৰ বৃন্দৰ দ্বাৰাই "ভগৱত দৰ্শন"নাট প্ৰদৰ্শন কৰা হব। আনহাতে ৩ অক্টোবৰত দিনৰ অন্যান্য কায্যসূচীৰ লগতে সন্ধিয়া গায়ন প্ৰদৰ্শনৰ পাছতেই শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰিব নিতাই পুখুৰীৰ হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিৰিঞ্চি কুমাৰ বৰাই। তদুপৰি নিশা মৰাণচিগাৰ শিশু শিল্পী সূৰুজ উদয় শিল্পী সমাজৰ দ্বাৰাই "ৰাম কৃষ্ণৰ শিশু লীলা, প্ৰলম্বাসুৰ বধ" নাট প্ৰদৰ্শন কৰা হব। সেয়েহে এই বিস্তৃত কায্যসূচী সফল ৰূপায়ণ কৰিবলৈ শংকৰদেৱ কলা কৃষ্টি কেন্দ্ৰৰ পৰিচালনা সমিতিৰ সভাপতি ৰবীন গায়ন, সম্পাদক প্ৰণৱজ্যোতি দত্ত, আৰু উদযাপন সমিতিৰ হৈ সভাপতি দুলাল দত্ত, সম্পাদক অজিত দত্তই ৰাইজৰ সহযোগিতা কামনা কৰিছে।

### কাৰ্লভাৰ্ট বন্ধৰ বাবেই শতাধিকৰ দুৰ্ভোগ

## ৰূপহীহাটৰ ভাটিয়াখালীত এটা কাৰ্লভাৰ্টক কেন্দ্ৰ কৰি উত্তপ্ত পৰিস্থিতি

**অসম বাৰ্তা, ৰূপহীহাট, ১৭ ছেপ্টেম্বৰ ঃ** ৰূপহীহাটৰ ভাটিয়াখালিত এটা পানী যোৱা কাৰ্লভাটক কেন্দ্ৰ কৰি আজি এক উত্তপ্ত পৰিৱেশৰ সৃষ্টি হয়। গাঁওখনৰ একাংশ লোকে ব্যক্তিগত পুখুৰীৰ বাবে চৰকাৰী কালভাৰ্ট বন্ধ কৰি দিয়াত এই উত্তপ্ত পৰিস্থিতিৰ পৰিৱেশৰ সূচনা হয়। চৰকাৰী আঁচনি ৰূপায়ণৰ জৰিয়তে নিৰ্মিত কাৰ্লভাট নিজৰ পুখুৰীৰ স্বাৰ্থত বন্ধ কৰাৰ ফলত কাঠপাৰা, ভাটিয়াখালী আদি অঞ্চল সমূহৰ বৃহৎ সংখ্যক লোক কৃত্ৰিম বানৰ সমস্যাৰ সন্মুখীন হৈ আহিছে। অভিযোগ মতে মফিজ উদ্দিন আৰু ৰহিম উদ্দিন নামৰ লোক কেইজনে নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবেই চৰকাৰী কাৰ্লভাট বন্ধ কৰি দিয়াৰ ফলত অঞ্চলটোৰ কৃত্ৰিম বানৰ বাবে শ শ বিঘা কৃষিভূমিৰ লগতে বাট-পথ নষ্ট হৈছে। ৰাইজে এই সমস্যাটোক লৈ ইতিমধ্যে বিভাগীয় কৰ্তৃপক্ষক লিখিতভাৱে অভিযোগ দাখিল কৰিছিল। আজি কৃত্ৰিম বানৰ বুজ ল'বলৈ অহা বিভাগীয় বিষয়া সকলৰ সন্মুখতেই ক্ষুব্ধ ৰাইজে কালভাৰ্ট সমূহ নিজেই খুলী দিয়ে। ইয়াকে লৈ অঞ্চলটোত উভয় পক্ষৰ মাজত এক হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়। অঞ্চলটোত থকা আটাইকেইটা কাৰ্লভাট যাতে অনবৰত উন্মুক্ত হৈ থাকে তাৰ বাবে ৰাইজে এই সন্দৰ্ভত বিভাগীয় কৰ্তৃপক্ষই এক বিহিত ব্যৱস্থা লবলৈ দাবী জনাইছে।

### ৰাইজৰ উছাহ দেখি যমদুৱাৰত বিপিএফৰ প্ৰাৰ্থী উইলিয়াম নাৰ্জাৰীৰ জয় নিশ্চিত বুলি দাবী হাগ্ৰামাৰ

## প্ৰবল বৰষুণৰ মাজতো লোকে-লোকাৰণ্য বিপিএফৰ প্ৰচাৰ সভা




**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ১৬ ছেপ্টেম্বৰ ঃ** বিটিচি নিৰ্বাচনৰ এসপ্তাহ পূৰ্বে যমদুৱাৰত অনুষ্ঠিত বিপিএফৰ প্ৰচাৰ সভাত উপস্থিত ৰাইজৰ স্বতঃস্ফুৰ্ততা লক্ষ্য কৰি দলপতি তথা বিটিচিৰ প্ৰাক্তন চীফ্ হাগ্ৰামা মহিলাৰীৰ আত্মবিশ্বাস বাঢ়িল গ'ল। তেওঁ হেলিকপ্টাৰ লৈ যমদুৱাৰ সমষ্টি কাছিয়াবাৰিত উপস্থিত হোৱাৰ লগে লগে আৰম্ভ হয় প্ৰবল বৰষুণ। কিন্তু এই বৰষুণৰ মাজতেই সভাত উপস্থিত হেজাৰ হেজাৰ ৰাইজৰ উছাহ লক্ষ্য কৰি হাগ্ৰামা মহিলাৰীয়ে সংক্ষিপ্ত ভাষণত উল্লেখ কৰে যে যমদুৱাৰ সমষ্টিত বিপিএফৰ দুৰ্গ অক্ষত আছে আৰু এই সমষ্টিৰ পৰা দলীয় প্ৰাৰ্থী উইলিয়াম নাৰ্জাৰীৰ জয় যে নিশ্চিত সেয়া সভাত উপস্থিত ৰাইজে স্পষ্ট কৰি দিলে। অকল যমদুৱাৰ নহয় বিটিচিৰ ৪০টা সমষ্টিৰ ৰাইজ প্ৰমোদ বড়োৰ শাসনৰ পৰা পৰিত্ৰাণ বিচাৰিছে আৰু বিপিএফৰ শাসন বিচাৰিছে। বিপিএফ নাহিলে যে বিটিচি সম্পূৰ্ণৰূপে ধ্বংস হ'ব সেয়া ৰাইজে বুজি পাইছে। প্ৰমোদ বড়োই ধনবল প্ৰয়োগ কৰি জাক্‌জমকতাৰে যিমানেই প্ৰচাৰ নচলাওক কিয় ৰাইজ বিপিএফৰ লগত আছে। বিপিএফৰ পৰা স্বাৰ্থপৰ সকল আঁতৰি গৈছে যদিও দলৰ নিষ্ঠাবান কৰ্মী সমৰ্থক সকল যে এতিয়াও বিপিএফৰ লগত আছে সেয়া আজিৰ সভাই প্ৰমাণ কৰি দিলে। প্ৰবল বৰষুণৰ মাজত উপস্থিত হোৱা ৰাইজৰ প্ৰতি তেওঁ ধন্যবাদ জনাই কয় যে ২২ ছেপ্টেম্বৰত আপোনালোকে বিপিএফৰ প্ৰাৰ্থীক ভোট দিব আৰু ২৬ ছেপ্টেম্বৰত ঘোষিত ফলাফলত বিপিএফৰ জয় হ'ব। ৩ অক্টোবৰত অনুষ্ঠিত হ'ব বিপিএফৰ শপত গ্ৰহণ। সেই শপত গ্ৰহণ অনুষ্ঠানত উপস্থিত থাকিবলৈ অসমৰ ৰাজ্যপাল আৰু মুখ্যমন্ত্ৰীলৈ নিমন্ত্ৰণ পত্ৰ প্ৰেৰণ কৰিছো। হাগ্ৰামা মহিলাৰীৰ আত্মবিশ্বাস প্ৰত্যক্ষ কৰি দলৰ নেতা কৰ্মীৰ লগতে প্ৰাৰ্থী উইলিয়াম নাৰ্জাৰীৰ মনোবল যথেষ্ট বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে। উক্ত সভাত বিপিএফ দলৰ জ্যেষ্ঠ নেতা-নেত্ৰীৰ লগতে দহ সহস্ৰাধিক ৰাইজ উপস্থিত আছিল।

### প্ৰমোদ বড়োৰ শান্তিৰ বিটিআৰত হিংসাৰ দাবানল

## বিটিচিৰ খালিংদুৱাৰ সমষ্টিত নিৰ্বাচনী হিংসা

### বিজেপিৰ মহিলা কাৰ্যকৰ্তাক প্ৰহাৰ

**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ১৬ ছেপ্টেম্বৰ ঃ** সমাগত বিটিচিৰ নিৰ্বাচন উপলক্ষে সমগ্ৰ বিটিআৰ অঞ্চলত গৰম বতাহ বালিছে। ৰাজনৈতিক দল সমূহে নিজৰ নিজৰ মনোনীত প্ৰাৰ্থীৰ সমৰ্থনত তীব্ৰ প্ৰচাৰ অভিযান চলাইছে। গাঁৱে-গাঁৱে, ঘৰে-ঘৰে প্ৰচাৰ অভিযান চলোৱাৰ মাজতে ঠাই বিশেষে উত্তপ্ত পৰিস্থিতিৰো উদ্ভৱ হৈছে। বিটিআৰ প্ৰধান প্ৰমোদ বড়োই সভা সমিতিত বিটিআৰত শান্তি ঘূৰি অহা বুলি সততে কৈ আহিছে যদিও বিটিআৰত এতিয়া হিংসাৰ দাবানল। প্ৰাপ্ত তথ্য অনুসৰি ওদালগুৰি জিলাৰ ৩৪ নং খালিংদুৱাৰ পৰিষদীয় সমষ্টিৰ টংলা থানাৰ অন্তৰ্গত দুলিয়াপাৰাত কালি নিশা সংঘটিত হৈছে নিৰ্বাচনী হিংসা। বিজেপি দলৰ মনোনীত প্ৰাৰ্থী অৰ্জুন দৈমাৰীৰ সমৰ্থনত নিৰ্বাচনী প্ৰচাৰ চলাবলৈ গৈ থকা বিজেপিৰ কাৰ্যকৰ্তাৰ গাড়ী এ এচ ০১জি এফ ৩৯৩৮ নম্বৰ বাহন খনক বাট আগচি ধৰি ইউপিপিএলৰ একাংশ সদস্যই গাড়ীৰ গ্লাচ ভাঙাই নহয় এগৰাকী মহিলা কাৰ্যকৰ্তাক মাৰধৰ কৰাৰ লগতে অবাইছ ভাষাৰে গালি গালাজ কৰিছে বুলি জানিবলৈ দিছে বিজেপিৰ মনোনীত প্ৰাৰ্থী অৰ্জুন দৈমাৰীয়ে। তেখেতে সাংবাদিকক সম্বোধন কৰি কয় যিসময়ত ভাৰতীয় জনতা পাৰ্টিয়ে বিটিআৰত শান্তিপূৰ্ণ আৰু শৃংখলাবদ্ধভাৱে নিৰ্বাচনী প্ৰচাৰ কাৰ্য্য চলাই আহিছে, তেনে সময়ত কালি ইউপিপিএল দলৰ একাংশ সদস্যই নিৰ্বাচনী প্ৰচাৰলৈ গৈ থকা আমাৰ দলৰ মহিলা কৰ্মীৰ গাড়ীৰ আইনা ভঙা, টনা-আঁজোৰা কৰা, জাতিক ধৰি গালি-গালাজ কৰি তেওঁলোকক মানসিকভাৱে ভীতিগ্ৰস্ত কৰা এনে নিকৃষ্ট কাৰ্য্যক তীব্ৰ ভাষাৰে গৰিহণা দিছোঁ। নীতি- নিয়মৰ ভিতৰত গণতান্ত্ৰিকভাৱে নিজ দলৰ প্ৰচাৰ কৰা প্ৰতিটো ৰাজনৈতিক দলৰ প্ৰতিগৰাকী দলীয় কৰ্মীৰ অধিকাৰ আছে। তেখেতে পুনৰ কয় হিংসাৰ প্ৰশ্ৰয় লৈ মানুহক ভয় দেখুওৱাবলৈ এনে কাম কৰা লোক শাস্তিৰ যোগ্য। দোষীৰ কঠোৰ শাস্তি বিচাৰি ইতিমধ্যেই বিজেপি দলৰ তৰফৰ পৰা টংলা থানাত এজাহাৰ দাখিল কৰা হৈছেবুলি জানিবলৈ দিয়াৰ লগতে হিংসা কাৰ্যত লিপ্ত থকা ইউপিপিএল দলৰ সদস্য সকলৰ নামো দাখিল কৰা হৈছে। পৰৱৰ্তী প্ৰশাসনে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া লক্ষণীয় হৈ পৰিব।

## গোৱালপাৰা মহাবিদ্যালয়ত সংঘটিত ধৰ্ষণ কাণ্ডক তীব্ৰ গৰিহণা নাথ যোগী ছাত্ৰ সন্থাৰ

### দোষীক দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ দাবী

**ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ১৭ ছেপ্টেম্বৰ ঃ** যোৱা ১১ ছেপ্টেম্বৰত নামনি অসমৰ ঐতিহ্যমণ্ডিত উচ্চ শিক্ষাৰ শিক্ষানুস্থান গোৱালপাৰা মহাবিদ্যালয়ত নৱাগত আদৰণি সভা চলি থকাৰ সময়তে দিন দুপৰতে গোৱালপাৰা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সদস্যই মহাবিদ্যালয়খনত অধ্যয়নৰত উচ্চতৰ মাধ্যমিক ২য় বৰ্ষৰ এগৰাকী ছাত্ৰীক মহাবিদ্যালয়খনৰে ছাত্ৰ একতা সভাৰ কাৰ্যালয়ৰ ভিতৰতে শাৰীৰিক আৰু মানসিক নিৰ্যাতন চলোৱাৰ লগতে ধৰ্ষণ কাণ্ড সংঘটিত কৰা কাৰ্যক গোৱালপাৰা জিলা নাথ যোগী ছাত্ৰ সন্থাই তীব্ৰ ভাষাৰে গৰিহণা দিছে। আজি সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা প্ৰেছ বিবৃতিত গোৱালপাৰা জিলা নাথ যোগী ছাত্ৰ সন্থাৰ সভাপতি যোগী হৃদয়ানন্দ নাথ আৰু সাধাৰণ সম্পাদক যোগী ডেভিদ নাথে সংবাদ মাধ্যমক কয় যে ঐতিহ্যমণ্ডিত গোৱালপাৰা মহাবিদ্যালয়ৰ উক্ত ঘটনাই সমগ্ৰ গোৱালপাৰাবাসীক লজ্জানত কৰিছে আৰু শিক্ষানুস্থান খনৰ গঢ়িমা বহু পৰিমাণে লাঘৱ কৰিছে। জিলাখনৰ সদৰত অৱস্থিত মহাবিদ্যালয় এখনতে যদি ছাত্ৰীসকল সুৰক্ষিত নহয় তেতিয়াহলে ক'ত সুৰক্ষিত হ'ব বুলি প্ৰশ্ন উত্থাপন কৰে। লগতে উক্ত ঘৃণনীয় কাণ্ডৰ লগত জড়িত থকা সকলোকে দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰি ভুক্তভোগী ছাত্ৰী গৰাকীক ন্যায় প্ৰদান কৰিবলৈ আৰক্ষী প্ৰশাসনৰ ওচৰত দাবী উত্থাপন জনাইছে।

# মাজুলীৰ কমলাবাৰী গাঁও পঞ্চায়ত সমবায় সমিতিৰ বাৰ্ষিক সাধাৰণ সভা সম্পন্ন

**অসম বাৰ্তা, উজনী মাজুলী, ১৭ ছেপ্টেম্বৰ ঃ** মাজুলী জিলা সমবায় সমিতি সমূহৰ উপ-পঞ্জীয়কৰ অধীনস্থ কমলাবাৰী গাঁও পঞ্চায়ত সমবায় সমিতিৰ বাৰ্ষিক সাধাৰণ সভা আজি মাজুলী মিলন সংঘত অনুষ্ঠিত হয়। সভাখনিৰ সভাপতিত্ব কৰে সভাপতি প্ৰশান্ত হাজাৰকাই। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সমিতিৰ সচিব দেৱ প্ৰতিম বৰাই। উদ্দেশ্য ব্যাখ্যাৰ পাছত গত বৰ্ষৰ বাৰ্ষিক সাধাৰণ সভাৰ কাৰ্যবিবৰনী আৰু সম্পাদকীয় বাৰ্ষিক প্ৰতিবেদন পাঠ কৰে সচিব গৰাকীয়ে। সম্পাদকৰ কাৰ্যবিবৰণী আৰু প্ৰতিবেদন পাঠৰ পাছত সভাপতিয়ে প্ৰতিবেদন ওপৰত অংশীদাৰ সকলৰ পৰা মতামত, পৰামৰ্শ বিচাৰে। প্ৰতিবেদন ওপৰত উপস্থিত অংশীদাৰ সদস্য সকলে বাৰ্ষিক আয় ব্যয় উল্লেখ নকৰা, সম্পাদকে প্ৰাক্তন সভাপতি গৰাকীক প্ৰতিবেদনত ভিত্তিহীন অভিযোগ উত্থাপন কৰা, সঞ্চয় ঋণ আঁচনি হিচাপ কিমান ব্যক্তিক দিয়া হৈছে, কিমান টকা ঘূৰি আহিছে, ঋণ দিয়া কিমান টকা ঘূৰাই পোৱা হৈছে, ঋণৰ সৰ্বোচ্চ পৰিমাণ স্পষ্ট ৰূপত উল্লেখ নকৰা, চৰকাৰে প্ৰতিটো বস্তাৰ বাবদ আদায় দিয়া ৬০০ গ্ৰামৰ পৰা ৫৮০ গ্ৰাম কৈ অনুমোদিত চাউল এজেণ্ট নিদিয়া, উক্ত চাউল কত গৈছে বুলি জানিব বিচাৰে। সভাত সভাপতি সম্পাদকে এই বিষয়ে স্পষ্ট উত্তৰ দিবলৈ সক্ষম নোহোৱাত উপস্থিত অংশীদাৰ বিজয় শংকৰ গাম, ডিম্বেশ্বৰ দত্ত, প্ৰফুল্ল বৰুৱা, দেৱজিত হাজৰিকা, যুগল হাজৰিকা, জীৱন বৰুৱা আদিয়ে সমবায় খনৰ উন্নয়নৰ কাৰণে বৰ্তমান দেখা পোৱা আসোঁৱাহ সমূহ দূৰ কৰি সমবায়খন সঠিক পথেৰে আগুৱাই নিবলৈ সভাপতি - সম্পাদক প্ৰমুখ্যে সঞ্চালক মণ্ডলীক পৰামৰ্শদি বক্তব্য আগবঢ়ায়। উল্লিখিত বক্তা সকলে সম্পাদকীয় প্ৰতিবেদনত বাৰ্ষিক আয় ব্যয়, ২০২৪-২৫ বৰ্ষৰ ব্যৱসায়িক লাভ লোকচান উল্লেখ কৰাৰ পৰামৰ্শ দিয়াৰ লগতে এজন প্ৰাক্তন বিষয়বৰীয়া তথা জ্যেষ্ঠ অংশীদাৰ সদস্য নাম উল্লেখ কৰি বিশেষ দ্ৰষ্টব্য শিতানত বুলি সংযোগ কৰি তথ্যবিহীন ভাবে দোষী সাব্যস্ত কৰিব বিচৰা আদি বিষয় অবিধেয় বুলি বিবেচিত কৰে আৰু উক্ত বিষয় প্ৰতিবেদন পৰা উঠাই দিয়াৰ পৰামৰ্শ প্ৰদান কৰে। সভাত অংশীদাৰ বিজয় শংকৰ গামে চৰকাৰে বস্তা চাউলৰ বাবদ আগষ্ট মাহৰ দুখন পৃথক তথ্য চৰকাৰী পক্ষৰ পৰা অহা বিষয়া ৰোহিত টায়েৰ হাতত অৰ্পণ কৰে। উক্ত তথ্য মতে বিষয়া গৰাকীয়ে পৰীক্ষণ কৰি বস্তা চাউলৰ বাবদ গড়মূৰ গাঁও পঞ্চায়ত সমবায় সমিতিৰ বাবদ প্ৰতি বস্তাত ৬০০ গ্ৰামকৈ, কমলাবাৰী গাঁও পঞ্চায়ত সমবায় সমিতিৰ বাবদ প্ৰতি বস্তাত ৫৮০ গ্ৰামকৈ আদেশত সংযোগ থকা বুলি সভাত স্পষ্টকৈ জনাই দিয়ে। সভাত প্ৰাক্তন সভাপতি যতীন বৰুৱাৰ ওপৰত সম্পাদকে প্ৰতিবেদনত সমবায় খনৰ স্বাৰ্থৰ বিপৰীতে অভিসন্ধি কৰা বুলি ৰাজহুৱাকৈ অনা অভিযোগত ক্ষুণ্ণ হৈ প্ৰাক্তন সভাপতি গৰাকীয়ে সভাত প্ৰমাণ দাঙি ধৰিবলৈ প্ৰত্যাহ্বান জনোৱাত সভাপতি, সম্পাদক তথা সঞ্চালক মণ্ডলীৰ কোনেও উপযুক্ত তথ্যৰে প্ৰমাণিত কৰিব নোৱাৰিলে। এই সন্দৰ্ভত সঞ্চালক মণ্ডলীৰ জ্যেষ্ঠ সদস্য গুণ কান্ত দত্তই সম্পাদকে যি ভুল কৰিছে তাৰ বাবে সভাত দুখ প্ৰকাশ কৰি এৰা ধাৰাৰ মাজেৰে চলিবলৈ আহ্বান জনায়। সভাত আভ্যন্তৰীণ হিচাপ পৰীক্ষক আৰু চৰকাৰী হিচাপ পৰীক্ষকৰ যি দুখন প্ৰতিবেদন সভাত দাখিল কৰিলে সেই প্ৰতিবেদন দুখনৰ হিচাপৰ বৈসাদৃশ্য পৰিলক্ষিত কৰে অংশীদাৰ সদস্য সকলে। সভাত আগন্তুক বৰ্ষৰ বাবে বাজেট গ্ৰহণ আৰু উন্নয়ন মূলক আঁচনিৰ সন্দৰ্ভত প্ৰস্তাৱ গ্ৰহণ কৰে।

# নগাঁৱৰ জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ

**অসম বাৰ্তা, বঢ়মপুৰ, ১৭ ছেপ্টেম্বৰ ঃ** নগাঁৱৰ জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকৰ কাৰ্যালয়ৰ সহযোগত মঙলবাৰে নগাঁৱৰ জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰ (ডি আই চি চি)ত এক বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰৰ আয়োজন কৰা হয়। পুৱা ১০ বজাৰ পৰা অনুষ্ঠিত হোৱা স্বাস্থ্য পৰীক্ষা শিবিৰত জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰ নগাঁৱৰ প্ৰধান পৰিচালক শ্ৰী প্ৰাঞ্জন ৰাজমেধিয়ে আদৰণি ভাষণেৰে কয় যে "জীৱিকা উপাৰ্জনৰ ক্ষেত্ৰত দৈনন্দিন জীৱনত আমি সকলোৱে আমাৰ স্বাস্থ্যৰ যত্ন ল'বলৈ পাহৰি যাওঁ সেয়ে সকলোকে নিজৰ স্বাস্থ্যৰ যত্ন ল'বলৈ আহ্বান জনাইছো।" চিকিৎসা বিষয়া ডাঃ আজহাৰ উদ্দিনে দীৰ্ঘম্যাদী স্বাস্থ্যজনিত বিপদ হ্ৰাস কৰিবলৈ প্ৰতিৰোধমূলক যত্ন, সঠিক খাদ্যাভ্যাস আৰু স্বাস্থ্যসন্মত জীৱনশৈলী ব্যৱস্থাপনাৰ গুৰুত্বৰ ওপৰতো আলোকপাত কৰে। উক্ত শিবিৰৰ লক্ষ্য আছিল চৰকাৰী বিষয়া, উদ্যোগী আৰু উদ্যোগিক আঁচনিৰ হিতাধিকাৰীসকলৰ মাজত স্বাস্থ্য সজাগতা আৰু প্ৰতিৰোধমূলক ব্যৱস্থা। ডাঃ আজহাৰ উদ্দিন নেতৃত্বাধীন চিকিৎসা দলটোত অংকুৰ প্ৰসাদ দাস, দিপু মনি মেধি আৰু অনামিকা লাহন আদি উপস্থিত থাকি চিকিৎসাৰ সাধাৰণ পৰামৰ্শৰ লগতে নিয়মীয়া স্বাস্থ্য পৰীক্ষা কৰি সকলো অংশগ্ৰহণকাৰীক বিনামূলীয়া ঔষধ বিতৰণ কৰে। উল্লেখযোগ্য যে জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰ, নগাঁৱৰ বিষয়া-কৰ্মচাৰী সকলৰ লগতে উদ্যোগিক পাম আৰু বাণিজ্যিক পামৰ উদ্যোগীসকল, PMEGP, PMFME আৰু মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযান আচঁনি (CMAAA)ৰ ৬০ জনতকৈ অধিক হিতাধিকাৰীয়ে সক্ৰিয় অংশগ্ৰহণ কৰি শিবিৰৰ সুবিধা গ্ৰহণ কৰে। অংশগ্ৰহণকাৰীসকলে এই উদ্যোগক অকণমানো আনুষ্ঠানিক নোহোৱাকৈ নিজৰ বাবে লাভজনক অভিজ্ঞতা বুলি গণ্য কৰাৰ লগতে ঔদ্যোগিক উন্নয়নৰ সৈতে স্বাস্থ্য সজাগতাৰ সংমিশ্ৰণৰ বাবে জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰ ৰ প্ৰচেষ্টাক শলাগ লয়।

# অবৈধ বাংলাদেশী বহিষ্কাৰৰ দাবীত মাজুলীত আছুৰ বিক্ষোভ




**অসম বাৰ্তা, উজনী মাজুলী, ১৭ ছেপ্টেম্বৰ ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বান মৰ্মে সদৌ মাজুলী জিলা ছাত্ৰ সন্থাই অসমৰ পৰা অবৈধ বাংলাদেশী, মৌলবাদীক উৎখাত আৰু অসম চুক্তি ৰূপায়ণেৰে অবৈধ বিদেশী প্ৰব্ৰজন সমস্যাৰ স্থায়ী সমাধানৰ দাবীত জিলা সদৰ গড়মূৰত বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। অসমৰ পৰা অবৈধ বাংলাদেশী, মৌলবাদীক উচ্ছেদ কৰা, । অসম চুক্তিৰ প্ৰতিটো দফা নিৰ্দিষ্ট সময়ৰ ভিতৰত ৰূপায়ণ কৰা। ভাৰত-বাংলা সীমান্ত ছীল কৰি সীমান্তত দেখিলে গুলীওৱাৰ নিৰ্দেশ দিয়া। 'কা' ৰ আওঁতাৰ পৰা অসমক সম্পূৰ্ণৰূপে আঁতৰাই ৰখা। অসম চুক্তিৰ ৬ নং দফাৰ আধাৰত বিপ্‌লৱ কুমাৰ শৰ্মা সমিতিৰ সকলো পৰামৰ্শ ৰূপায়ণ কৰা। মূলত এই দাবী সমূহ লৈ আজি বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। জিলা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি প্ৰাঞ্জল শইকীয়া, সাধাৰণ সম্পাদক দীপাংকৰ ৰাজখোৱাৰ নেতৃত্বত হোৱা কাৰ্য্যসূচীত উপস্থিত থাকে, সদৌ অসম ছাত্ৰ সন্থাৰ সাংস্কৃতিক সম্পাদক বিতোপন শৰ্মা, জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা সূৰ্যকুমাৰ ভূঞা, পৱিত্ৰ গোস্বামী, অজিত হাজৰিকাকে ধৰি জিলাখনৰ ছাত্ৰ সন্থাৰ বিষয়ববীয়া সকল।

## ৬ অক্টোবৰত অনুষ্ঠিত কৰিব লক্ষ্মী পূজা

# জ্যোতিপুৰ যুৱ সংঘৰ ৰূপালী জয়ন্তী

**অসম বাৰ্তা, মিৰ্জা, ১৭ ছেপ্টেম্বৰ ঃ** পলাশবাৰীৰ সমষ্টিৰ অন্তৰ্গত জ্যোতিপুৰৰ জ্যোতিপুৰ যুৱ সংঘই বিগত ১৪ বছৰৰ দীঘলী পথচোৱাত সামাজিক উন্নয়ন, ক্ৰীড়া, সংস্কৃতি আৰু জনসেৱাৰ ক্ষেত্ৰত নিষ্ঠাৰে কাম কৰি সমাজত এক সুকীয়া স্থান লাভ কৰা পৰিলক্ষিত হৈছে। ধৰ্মীয় সামাজিক চেতনা বৃদ্ধিৰ প্ৰয়াস কৰি উক্ত সংঘই অনুষ্ঠিত কৰি আহিছে শ্ৰীশ্ৰী মা লক্ষ্মী দেৱীৰ পূজা। একেদৰে জ্যোতিপুৰ যুৱ সংঘৰ সৌজন্যত এইবেলিও আগন্তুক ৬ অক্টোবৰ তাৰিখে ধৰ্মীয় ৰীতি নীতিৰে দেশত সুখ সমৃদ্ধিৰ কামনা কৰি অনুষ্ঠিত কৰিব শ্ৰীশ্ৰী মা লক্ষ্মী দেৱীৰ পূজা। এই উপলক্ষে ৬ অক্টোবৰ তাৰিখে দিনৰ ২ বজাত সভাপতি বৰণ, আবেলী ৪ বজাত প্ৰতিমা স্থাপন, ৫.৩০ বজাত ঘট বুৰণ, ৬ বজাত পূজা আৰম্ভ, ৭ বজাত পুষ্পাঞ্জলী প্ৰদান, ৭.৩০ বজাত ভোগ বিতৰণ আৰু নিশা নাম প্ৰসংগ কাৰ্যসূচী ৰূপায়ণ কৰা হব। আনহাতে ৭ অক্টোবৰত জ্যোতিপুৰ যুৱ সংঘৰ ৰূপালী জয়ন্তী বৰ্ষ উদযাপন কৰিব সংঘৰ উদযাপন সমিতিয়ে। উক্ত দিনা পুৱা ৮ বজাত পতকা উত্তোলন কৰা হব। পতাকা উত্তোলন কৰিব ৰূপালী জয়ন্তী উদযাপন সমিতিৰ সভাপতি দীপক কুমাৰ মালী আৰু সংঘৰ সভাপতি দীপক মালীয়ে। ইয়াৰ পিছত শ্ৰদ্ধাঞ্জলি ও বৃক্ষৰোপণ কৰিব ৰাজেন মালী আৰু নবীন মালীয়ে। ইয়াৰ পিছত উলিওৱা হব এক সাংস্কৃতিক শোভাযাত্ৰা। শোভাযাত্ৰা মুকলি কৰিব বিশিষ্ট সমাজকৰ্মী গুৱাহাটীৰ বিদ্যুৎ বৰুৱাই। আবেলী ৩.৩০ বজাৰ পৰা আৰম্ভ কৰা হব একক আধুনিক নৃত্য প্ৰতিযোগিতা। সন্ধিয়া ৭ বজাত সাংস্কৃতিক মঞ্চ উদ্বোধন কৰিব যুৱ নেতা হিমাংশু শেখৰ বৈশ্যই। বন্তি প্ৰজ্বলন কৰিব পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়াই। ইয়াৰ পিছতে সংঘৰ স্মৃতিগ্ৰন্থ উন্মোচনী অনুষ্ঠান ও বঁটা বিতৰণী সভা অনুষ্ঠিত কৰা হব। ইয়াৰ পিছতে বিহু হুঁচৰি আৰু বড়ো জনগোষ্ঠীৰ লোকনৃত্য প্ৰদৰ্শন আৰু শেষত নিয়ন্ত্ৰিত শিল্পী মানস প্ৰতীম, বিদিষা দেৱী আৰু মন মনোহৰ বড়োৰ দ্বাৰা গীত পৰিৱেশন কাৰ্যসূচী ৰূপায়ণ কৰা হব।

## এটা ভিডিঅ'ই জোকাৰণি তুলিছে দেৰগাঁও বিজেপিত

**অসম বাৰ্তা, দেৰগাঁও, ১৭ ছেপ্টেম্বৰ ঃ** নুমলীগড়ত অনুষ্ঠিত হোৱা প্ৰধানমন্ত্ৰীৰ সভাৰ পাছতে ম'বাইলে ম'বাইলে সামাজিক মাধ্যমত বিয়পি পৰা এটা ভিডিঅ'ই দেৰগাঁও বিজেপিৰ মাজত জোকাৰণি তুলিছে। ভিডিঅ'-টোত কাকডোঙা মণ্ডল বিজেপিৰ সভাপতি মাধুৰ্য দত্তক বাহনসহ আবদ্ধ কৰি ৰাখি প্ৰধানমন্ত্ৰী সভালৈ যোৱা একাংশ ক্ষুব্ধ ৰাইজে জৱাবদিহি কৰে। অভিযোগ অনুসৰি, উক্ত লোকসকলক সভালৈ বিনামূলীয়াকৈ অহা-যোৱা কৰি দিয়াৰ ব্যৱস্থা কৰি দিয়াৰ লগতে দুপৰীয়াৰ আহাৰ খাবলৈ দিয়াৰ কথা আছিল। কিন্তু লোক সকলক লঘোণে-ভোকে ৰখাৰ অভিযোগ উত্থাপন কৰে। যাৰ বাবে ক্ষুব্ধ হৈ পৰে ৰাইজ। ৰাইজকখাবলৈ নিদি ধন আত্মসাৎ কৰাৰ অভিযোগ কৰে ক্ষুব্ধ লোকসকলে। সমগ্ৰ ঘটনাই এতিয়া দেৰগাঁৱৰ বিজেপি দলীয় কৰ্মীৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

# ডিব্ৰুগড় বিশ্ববিদ্যালয় শিক্ষক সংস্থাৰ উদ্যোগত শৈক্ষিক বক্তৃতানুষ্ঠান সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৭ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড় বিশ্ববিদ্যালয় শিক্ষক সংস্থাই (DUTA) ২০২৫ বৰ্ষৰ প্ৰথমটো তথা সামগ্ৰিকভাৱে পঞ্চম শৈক্ষিক বক্তৃতাৰ আয়োজন কৰে। বিশ্ববিদ্যালয়ৰ শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ভৱনত অনুষ্ঠিত এই বক্তৃতানুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয় শিক্ষক সংস্থাৰ সভাপতি ড° ডেভিড কাৰ্ডঙে। অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জিতেন হাজৰিকাই উদ্বোধনী ভাষণ প্ৰদান কৰি ভাষণত হাজৰিকাই প্ৰথমে শিক্ষক সন্থাই ধাৰাবাহিকভাৱে সফলতাৰে বক্তৃতা আয়োজন কৰি অহাত অভিনন্দন জনায় আৰু বিষয়টোৰ গুৰুত্ব সম্পৰ্কে আলোকপাত কৰে। তেওঁ সাম্প্ৰতিক প্ৰেক্ষাপটত ভাৰতীয় জ্ঞান-পৰম্পৰাৰ সৈতে বক্তৃতাৰ বিষয়ৰ এক তাৎপৰ্যপূৰ্ণ সংযোগ স্থাপন কৰে। এইবাৰৰ শৈক্ষিক বক্তৃতা প্ৰদান কৰে অসম দক্ষতা বিশ্ববিদ্যালয়ৰ প্ৰায়োগিক ব্যৱস্থাপনা বিভাগৰ বিভাগীয় প্ৰধান আৰু পূৰ্বৰ তেজপুৰ বিশ্ববিদ্যালয়ৰ স্কুল অফ মেনেজমেণ্ট চাইন্সৰ গুৰু আৰু আই কিউ চিৰ সঞ্চালক, অধ্যাপক চন্দনা গোস্বামীয়ে। তেওঁৰ বক্তৃতাৰ বিষয়বস্তু আছিল "জীৱন ব্যৱস্থাপনাঃ নিজক বুজাৰ পৰা আৰম্ভণি"-। চন্দনা গোস্বামীয়ে বক্তৃতাত আত্ম-চেতনাৰ লগে লগে মানসিক আৰু অনুভূতিজনিত সুস্থতাৰ গুৰুত্ব বিশেষভাৱে আলোকপাত কৰে। তেওঁ ব্যাখ্যা কৰে যে প্ৰতিদিনে এটা মানৱমস্তিষ্কই প্ৰায় ৬, ০০০ চিন্তা উদ্ভৱ কৰে, যাৰ কিছুমান ইতিবাচক আৰু কিছুমান নেতিবাচক। এই চিন্তাবোৰেই মানুহৰ দৈনন্দিন সিদ্ধান্ত, আচৰণ আৰু অনুভূতিৰ মূল উৎস। ইতিবাচক অনুভূতিৰ চাৰিত্ৰিক গুণ হ'ল আশাবাদ, কৃতজ্ঞতা আৰু আত্ম-বিশ্বাস, আৰু নেতিবাচক অনুভূতিৰ উৎস হ'ল ভয়, সন্দেহ আৰু আত্ম- অবিশ্বাস। তেওঁ উল্লেখ কৰে যে "ইম'চনেল ইণ্টেলিজেন্স" থকা মানুহে নিজৰ লগতে আনৰো অনুভূতি বুজিব পাৰে আৰু সেই অনুসৰি সঠিক পদক্ষেপ ল'ব পাৰে। এনে মানুহ সংঘাত সমাধানত দক্ষ হয় আৰু নেতৃত্বদানেৰে আনক অনুপ্ৰাণিত কৰিব পাৰে। লগতে তেওঁ বহিঃপ্ৰমাণ বা আনৰ স্বীকৃতিৰ ওপৰত অতিমাত্ৰা নিৰ্ভৰশীল নহ'বৰ পৰামৰ্শ দিয়ে। নিজৰ উন্নতিৰ বাবে মানুহে আত্ম-প্ৰতিফলন, আত্ম-অনুশাসন আৰু সচেতন প্ৰচেষ্টাৰ পথত আগবাঢ়িব লাগে বুলি তেওঁ স্পষ্ট কৰে। বক্তৃতাৰ এটা গুৰুত্বপূৰ্ণ দিশ আছিল মানুহক প্ৰভাৱিত কৰাৰ ক্ষমতা। গোস্বামীয়ে কৈছিল যে আত্ম-উপলব্ধি, ইতিবাচক যোগাযোগ আৰু নৈতিক আচৰণেৰে প্ৰকৃত অৰ্থত মানুহে অন্যক প্ৰভাৱিত কৰিব পাৰে। প্ৰভাৱিত কৰাৰ অৰ্থ জোৰজুলুম নহয়, বৰঞ্চ এক আদৰ্শ প্ৰদৰ্শনৰ জৰিয়তে আনক অনুপ্ৰাণিত কৰা। তেওঁ ব্যক্তিগত জীৱন, পেচাগত জীৱন আৰু সামাজিক দায়িত্বৰ মাজত সমতা স্থাপন কৰাৰ দিশত বিভিন্ন কৌশলও দাঙি ধৰে। বিশেষকৈ, সময়-ব্যৱস্থাপনা, ইতিবাচক চিন্তাধাৰা আৰু আত্ম-উন্নয়নৰ অভ্যাস গঢ়ি তোলাৰ প্ৰয়োজনীয়তা তেওঁৰ বক্তৃতাৰ মূল গুৰি আছিল। অনুষ্ঠানত ডিব্ৰুগড়ৰ বিশ্ববিদ্যালয়ৰ শিক্ষক, গবেষক আৰু শিক্ষাৰ্থীৰ উপস্থিতি লক্ষ্য কৰা যায়। বক্তৃতাৰ অন্তত এক মুক্ত আলোচনা অনুষ্ঠিত হয় য'ত বহু অংশগ্ৰহণকাৰীয়ে অধ্যাপক গোস্বামীক প্ৰশ্ন কৰে আৰু নিজৰ মতামত আগবঢ়ায়। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষক সংস্থাৰ সম্পাদক ড° বৰুণ দে'ৰ শলাগ জ্ঞাপনেৰে সামৰণি পৰা অনুষ্ঠানটোৰ আঁত ধৰে ড° কুহেলি দাসে।

# আমগুৰিত ভেন এচ'চিয়েশ্বনৰ বছৰৰ চতুৰ্থটো আৰ্থিক সাহায্য প্ৰদান



**অসম বাৰ্তা, আমগুৰি, ১৭ ছেপ্টেম্বৰ ঃ** শিৱসাগৰ জিলাৰ আমগুৰিৰ ডনবস্ক' হাইস্কুলৰ ভেন চালক সকলৰ এক সংগঠন আমগুৰি ডনবস্ক' ভেন ড্ৰাইভাৰ্চ্ এচ'চিয়েশ্বনে আজি তেওঁলোকৰ চলিত বৰ্ষৰ চতুৰ্থটো আৰ্থিক সাহায্য প্ৰদান কৰে। বিভিন্ন সময়ত সমাজহিতৈষী কৰ্মৰ দ্বাৰা চৰ্চাত থকা আমগুৰি ডনবস্ক' ভেন ড্ৰাইভাৰ্চ্ এচ'চিয়েশ্বনে বিগত আঠটা বছৰত কেইবাটাও দৰিদ্ৰ পৰিয়ালক জটিল ৰোগৰ চিকিৎসাৰ বাবে আৰ্থিক সাহায্য প্ৰদান কৰি আহিছে। শিৱসাগৰ আৰু যোৰহাট জিলাৰ বিভিন্ন স্থানৰ পৰা স্কুলীয়া ছাত্ৰ-ছাত্ৰী যাতায়তৰ যোগেদি সমাজলৈ সেৱা আগবঢ়োৱাৰ লগতে নিজৰ পৰিয়াল পোহপাল দিয়া ব্যক্তিৰ এটা সমূহে একলগ হৈ ২০১১ চনত সংস্থাটো গঠন কৰে। পৰৱৰ্তী সময়ত ২০১৮ চনৰপৰা আৰ্থিকভাৱে দুৰ্বল স্থানীয় দুটাকৈ পৰিয়ালক জটিল ৰোগৰ চিকিৎসাৰ সহায়ক হোৱাকৈ আৰ্থিক সাহায্য প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে যদিও কোনো কোনো বৰ্ষত চাৰি পাঁচটাকৈ পৰিয়ালকো সাহায্য প্ৰদান কৰিছে সংস্থাটোৱে। সেইদৰে এতিয়ালৈকে প্ৰায় পয়ত্ৰিশটাতকৈ অধিক পৰিয়ালক জটিল ৰোগৰ চিকিৎসাৰ সহায়ক হোৱাকৈ আৰ্থিক সাহায্য প্ৰদান সম্পূৰ্ণ কৰিছে। এই সাহায্যৰ ক্ষেত্ৰত এচ'চিয়েশ্বনৰ সদস্য সকলৰ উপৰিও বহুসংখ্যক মানৱদৰদী শুভাকাংক্ষীয়ে সহযোগিতা আগবঢ়াই আহিছে। এচ'চিয়েশ্বনৰ তৰফৰ পৰা আজি চামগুৰি পুলিবৰ বিজিত গগৈৰ পৰিয়াললৈ চেক যোগে পাঁচহাজাৰ টকা সাহায্য আগবঢ়ায়। উল্লেখ্য যে বিজিত গগৈৰ পুত্ৰ আমগুৰি মহাবিদ্যালয়ৰ ছাত্ৰ নৱজ্যোতি গগৈ যোৱা এবছৰ ধৰি এক জটিল ৰোগৰ আক্ৰান্ত হৈ জি এম চি এইচত চিকিৎসাধীন হৈ আছে। এবছৰীয়া ধাৰাবাহিক চিকিৎসাৰ বাবে সৰ্বশ্ৰান্ত হোৱা পৰিয়ালটোলৈ সদাশয় কোনো লোকে সাহায্য প্ৰদান কৰিব বিচাৰিলে এচ'চিয়েশ্বনৰ সম্পাদক জ্যোতিছ কলিতাৰ সৈতে ৭০০২৭৬৬১৮৫ নম্বৰত যোগাযোগ কৰিব পাৰিব।

# জনজাতিকৰণৰ দাবীত ধাৰাবাহিক আন্দোলনৰ ঘোষণা মটক জনগোষ্ঠীৰ

**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ১৭ ছেপ্টেম্বৰ ঃ** প্ৰাচীন সৌমাৰখণ্ড তথা ঐতিহাসিক বেংমৰা মটক ৰাজ্যৰ আদিম ভূমিপুত্ৰ মটক জনজাতিৰ লোকসকলে নিজৰ কৃষ্টি-সংস্কৃতি, ৰীতি-নীতি তথা সকলো স্বকীয় বৈশিষ্ট্যৰে ইতিহাসে ঢুকি নোপোৱা কালৰেপৰা নিগাজীকৈ এই ভূখণ্ডত বসবাস কৰি আহিছে। মটকসকল যে অসমৰ আদিম জনজাতি সেয়া আনকি ব্ৰিটিছ চৰকাৰৰ দিনত প্ৰকাশ পোৱা লোকপিয়লৰ প্ৰতিবেদন "People of India"ত স্পষ্টকৈ উল্লেখ আছে। ১৯৫৫ চনৰ ৩০ মাৰ্চত দাখিল কৰা কাকা চাহেব কালেলকাৰ আয়োগৰ প্ৰতিবেদনতো মটকসকলক Most other backward class- equivalent to ST হিচাপে চিহ্নিত কৰিছে। তদুপৰি Register General of India ই অনুসূচীকৰণৰ বাবে মটক জনজাতিৰ সকলো প্ৰয়োজনীয় অৰ্হতা আছে বুলি ইতিমধ্যে অনুমোদন প্ৰদান কৰাৰ পাছতো বৰ্তমান মটক জনজাতিৰ অনুসূচীকৰণৰ বিধেয়কখন ৰাজ্যসভাত বকেয়া বিল হিচাপে আছে। মটক জনজাতিক অনুসূচীত জনজাতিৰ তালিকাভুক্তিৰ বাবে আন কোনো প্ৰতিবেদন বা পৰিসংখ্যাৰ প্ৰয়োজন নাই যদিও আজিকোপতি অসমৰ আদিম ভূমিপুত্ৰ মটকসকলক অনুসূচীকৰণৰ পৰা বঞ্চিত কৰি ৰখাতো নিতান্তই দুৰ্ভাগ্যজনক। মটক জনজাতিৰ মুখ্য সংগঠন সদৌ অসম মটক সন্মিলনৰ পুৰুধা ব্যক্তিসকলৰ আপ্ৰাণ প্ৰচেষ্টাত যুৱ-ছাত্ৰ শক্তিক একত্ৰিত কৰি মটকসকলৰ সৰ্বাংগীণ উন্নয়নৰ স্বাৰ্থত প্ৰাকস্বাধীনতা কালতেই ১৯৪০ চনত প্ৰতিষ্ঠা লাভ কৰা সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনে জন্মলগ্নৰে পৰা মটক জনজাতিক অনুসূচীত জনজাতিৰ মৰ্যাদা আৰু ষষ্ঠ অনুসূচীভুক্ত স্বায়ত্ত শাসন প্ৰদানকে মুখ্য কৰি সৰ্বাংগীণ উন্নয়নৰ হকে ধাৰাবাহিকভাৱে দশক দশক ধৰি সংগ্ৰাম কৰি আহিছে যদিও কোনো এখন চৰকাৰে আজিলৈকে মটকসকলক অনুসূচীত জনজাতি আৰু ষষ্ঠ অনুসূচীভুক্ত স্বায়ত্তশাসনৰ মৰ্যাদা প্ৰদান কৰা নাই। সেয়েহে, সদৌ অসম মটক সন্মিলনৰ তিনিচুকীয়া জিলা সমিতি তথা মটক জনজাতিৰ কেউটা সংগঠনৰ তিনিচুকীয়া জিলা সমিতিসমূহৰ যৌথ উদ্যোগত আৰু মটক ৰাইজৰ সহযোগত অহা ১৯ ছেপ্টেম্বৰৰ সন্ধিয়া ৫ বজাত তিনিচুকীয়াৰ সদৰত মটক জনজাতিৰ ন্যায্য প্ৰাপ্য অধিকাৰ অনুসূচীত জনজাতিৰ মৰ্যাদা আৰু ষষ্ঠ অনুসূচীভুক্ত স্বায়ত্তশাসন প্ৰদানৰ দাবীত এক বিশাল জোঁৰ সমদল কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। সদৌ অসম মটক সন্মিলন, সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলন, সদৌ অসম মটক ছাত্ৰ সন্থা, সদৌ অসম মটক মহিলা পৰিষদ আৰু সদৌ অসম মটক যুৱ-ছাত্ৰ পৰিষদৰ তিনিচুকীয়া জিলা সমিতিৰ যৌথ উদ্যোগত আয়োজিত উক্ত বিশাল জোৰ সমদল কাৰ্যসূচীত হাজাৰ হাজাৰ লোকৰ সমাৰেশ ঘটিব বুলি জানিব পৰা গৈছে। মৰিলেও মৰি যাম, জনজাতিৰ মৰ্য্যাদা লৈ যাম, মটক ঐক্য জিন্দাবাদ, মটকৰ সৰলতাক দুৰ্বলতা বুলি ভবা বিজেপি চৰকাৰ হুচিয়াৰ, মটক জনগোষ্ঠীৰ অস্তিত্ব আৰু আৱেগক লৈ খেলা নকৰিব, নতশিৰ হ'বলৈ শিকা নাই/ ভণ্ড শাসক তোৰ আগ/ ন্যায্য প্ৰাপ্তিৰ অধিকাৰৰ/ নাম লিখা আছে/ প্ৰতিজন মটকৰ তেজৰ টোপালত- ইত্যাদি শ্ল'গানেৰে চৰকাৰক সকীয়াই দিয়া তথা আদিম সৌমাৰখণ্ড তথা বেংমৰা ৰাজ্যৰ ভূমিপুত্ৰ মটক জনগোষ্ঠীৰ কেউটা সংগঠনৰ তিনিচুকীয়া জিলা সমিতিৰ উদ্যোগত ৰূপায়ণ কৰিবলগীয়া উক্ত জোৰ সমদল কাৰ্য্যসূচীৰ পিছতেই পৰৱৰ্তী আন্দোলনৰ কাৰ্যসূচী হিচাপে সদৌ মটক যুৱ-ছাত্ৰ সন্মিলনে একেদিনাই অৰ্থাৎ ২২ ছেপ্টেম্বৰৰ সন্ধিয়া ৬ বজাত ডিব্ৰুগড় জিলা সমিতিৰ উদ্যোগত ডিকম লাহোৱালত, লক্ষ্মীমপুৰ জিলা মটক যুৱ-ছাত্ৰ সন্মিলনৰ উদ্যোগত, মটক সন্মিলন আৰু মটক মহিলা পৰিষদৰ সহযোগত লালুকত আৰু সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলন, শিৱসাগৰ জিলা সমিতিৰ উদ্যোগত, মটক সন্মিলন আৰু মটক মহিলা পৰিষদৰ সহযোগত শিৱসাগৰ নগৰত বিশাল জোৰ সমদল বাহিৰ কৰিব।

# শিৱসাগৰত সেৱা সপ্তাহ ৰূপায়ণ সন্দৰ্ভত বৈঠক অনুষ্ঠিত

**ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ১৭ ছেপ্টেম্বৰ ঃ** শিৱসাগৰ জিলাত অনুষ্ঠিতব্য "সেৱা সপ্তাহ" ৰূপায়ণ সন্দৰ্ভত গ্ৰহণ কৰিবলগীয়া ব্যৱস্থাপনাৰ বিষয়ে আলোচনা কৰাৰ উদ্দেশ্যে আজি শিৱসাগৰ জিলাৰ অতিৰিক্ত জিলা আয়ুক্ত (স্বাস্থ্য) মীনাক্ষী পেৰ্মেৰ অধ্যক্ষতাত তেখেতৰ কাৰ্যালয় কক্ষত এখন বৈঠক অনুষ্ঠিত হয়। "সেৱা সপ্তাহ" উদ্‌যাপনৰ অংশস্বৰূপে অহা ১৭ ছেপ্টেম্বৰত জয়সাগৰস্থিত অসামৰিক চিকিৎসালয়ত আৰু স্থানীয় উড আৰ্বান আদৰ্শ চিকিৎসালয়ত সমান্তৰালকৈ পুৱা ৯:৩০ বজাৰ পৰা "স্বেচ্ছামূলক ৰক্তদান শিবিৰ"ৰ আয়োজন কৰা হৈছে। উল্লেখ্য যে, শিৱসাগৰ জিলা প্ৰশাসনে উক্ত স্বেচ্ছামূলক ৰক্তদান শিবিৰত জিলাবাসীক বিপুলভাৱে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। আনহাতে এই বৈঠকত "সেৱা সপ্তাহ" উদযাপনৰ অংশস্বৰূপে বিধানসভা ভিত্তিত অনুষ্ঠিতব্য "মেগা স্বাস্থ্য সেৱা শিবিৰ"ৰ বিষয়ে আলোচনা কৰা হয়। এই শিবিৰসমূহ ডিমৌ বিধানসভা সমষ্টিৰ বাবে ডিমৌ ৰাজহুৱা খেলপথাৰত অহা ১৯ ছেপ্টেম্বৰত, নাজিৰা বিধানসভা সমষ্টিৰ বাবে চকীমুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অহা ২৬ ছেপ্টেম্বৰত আৰু শিৱসাগৰ বিধানসভা সমষ্টিৰ বাবে গৌৰীসাগৰ উচ্চতৰ মাধ্যমিক ইণ্ডাষ্ট্ৰীয়েল ইনষ্টিটিউটত অহা ৪ অক্টোবৰত অনুষ্ঠিত কৰা হ'ব। অতিৰিক্ত জিলা আয়ুক্ত গৰাকীয়ে সেৱা সপ্তাহৰ অন্তৰ্গত বিভিন্ন কাৰ্যসূচীৰ সফল ৰূপায়ণৰ বাবে সংশ্লিষ্ট বিভাগসমূহৰ সুসমন্বয় আহ্বান কৰে। তেওঁ বিভিন্ন বিভাগৰ ওপৰত ন্যস্ত দায়িত্ব আৰু কৰ্তব্য সম্পৰ্কেও অবগত কৰে। উল্লেখ্য যে, সেৱা সপ্তাহ উপলক্ষে অনুষ্ঠিতব্য "মেগা স্বাস্থ্য সেৱা শিবিৰ"ত ১০ গৰাকী বিশেষজ্ঞ চিকিৎসকে অংশগ্ৰহণ কৰিব। উক্ত শিবিৰত সাধাৰণ ৰোগৰ পৰীক্ষণৰ লগতে জটিল ৰোগ যেনে কৰ্কট ৰোগৰ পৰীক্ষা কৰা হ'ব। লগতে, জিলাখনৰ অন্তৰ্গত অতিশয় পুষ্টিহীনতাত ভোগা শিশুসকলৰ স্বাস্থ্য পৰীক্ষণৰ ব্যৱস্থাও এই শিবিৰত উপলব্ধ হ'ব। তদুপৰি এই শিবিৰত অসংক্ৰামক ৰোগ যেনে: মধুমেহ, হৃদৰোগ আদিৰো পৰীক্ষণ কৰাৰ লগতে হৃদৰোগত আক্ৰান্ত ১৮ বছৰ বয়সৰ অনুৰ্ধ ৰোগীসকলৰ পৰৱৰ্তী পৰ্যায়ৰ যাৱতীয় চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। এই স্বাস্থ্য শিবিৰত অংশগ্ৰহণৰ বাবে ইচ্ছুক ব্যক্তিসকলে নিজৰ সৈতে হোৱাটচএপ (WhatsApp) সুবিধা থকা আৰু আধাৰ নম্বৰৰ লগত সংযুক্ত মোবাইল ফোন, আধাৰ কাৰ্ড/ পেন কাৰ্ড (PAN Card)/ আভা পৰিচয় পত্ৰ (ABHA ID) লগত লৈ আহিবলৈ আহ্বান জনোৱা হৈছে। তদুপৰি, "সেৱা সপ্তাহ" উদ্‌যাপন উপলক্ষে জিলাখনত যক্ষ্মা ৰোগত আক্ৰান্ত ৰোগীসকলক অহা ২২ ছেপ্টেম্বৰ তাৰিখে বিধানসভা সমষ্টি পৰ্যায়ত "নীক্ষয় মিত্ৰ" সকলৰ সহযোগিতাত আনুষ্ঠানিকভাৱে পুষ্টিকৰ খাদ্যৰ টোপোলা প্ৰদান কৰা হ'ব। আজিৰ বৈঠকত জিলাখনৰ বিভিন্ন চৰকাৰী বিভাগৰ বিষয়া-কৰ্মচাৰীসকলক স্বেচ্ছাই একোগৰাকী "নীক্ষয় মিত্ৰ" হিচাপে আগবাঢ়ি আহি এই মহৎ উদ্দেশ্যৰ সৈতে সংযোজিত হ'বলৈ আহ্বান জনোৱা হয়। উল্লেখ্য যে, এই অনুষ্ঠানটি অহা ২২ ছেপ্টেম্বৰত ডিমৌ বিধানসভা সমষ্টিৰ বাবে ডিমৌ সমূহীয়া প্ৰেক্ষাগৃহত, নাজিৰা বিধানসভা সমষ্টিৰ বাবে নাজিৰা নাট্য মন্দিৰত আৰু শিৱসাগৰ বিধানসভা সমষ্টিৰ বাবে কালিপ্ৰসাদ মেম'ৰিয়েল হলত অনুষ্ঠিত হ'ব। বৈঠকত সহকাৰী আয়ুক্তত্ৰয় নিমাশ্ৰী ডাউকা, পৰিস্মিতা দিহিঙ্গীয়া আৰু গণেশ চন্দ্ৰ বড়ো, যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ মাখন চন্দ্ৰ কলিতা, বিদ্যালয়সমূহৰ পৰিদৰ্শক দেৱজ্যোতি গগৈৰ লগতে স্বাস্থ্য, শিক্ষা সমাজ কল্যাণ আদি সংশ্লিষ্ট বিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

# অসম চৰকাৰৰ প্ৰাক্তন মুখ্য সচিব প্ৰফুল্ল চন্দ্ৰ শৰ্মাৰ মৃত্যুত দেৰগাঁও দেৰগাঁও সাংবাদিক সন্থাত শোক সভা

**অসম বাৰ্তা, দেৰগাঁও, ১৭ ছেপ্টেম্বৰ ঃ** আজি দেৰগাঁও সাংবাদিক সন্থাৰ লক্ষ্মীনাথ ফুকন ভৱনত অৱসৰপ্ৰাপ্ত অধ্যক্ষ বিপুল কুমাৰ ঠাকুৰদেৱৰ সভাপতিত্বত অনুষ্ঠিত হোৱা এখন শোকসভাত অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত মুখ্য সচিব প্ৰফুল্ল চন্দ্ৰ শৰ্মা ডাঙৰীয়াৰ স্মৃতিচাৰণ কৰাৰ লগতে তেওঁৰ জীৱনৰ কৃতকাৰ্য্যতাৰ কৰ্মৰাজী বক্তাসকলে বাখ্যা কৰে।সমাজকৰ্মী নুৰুল চুলতানে উদ্দেশ্য বাখ্যা কৰা আৰু সাংবাদিক ইন্দুভূষণ মহন্তই আঁত ধৰা সভাখনত অৱসৰপ্ৰাপ্ত অধ্যক্ষ ভোলা হাজৰিকা,বিশিষ্ট লেখক পদ্মলোচন নাথ, তেওঁৰ সহপাঠী শম্ভু সোমানী, দেৰগাঁও সাহিত্য সভাৰ সভাপতি অজিত চন্দ্ৰ দত্ত, দেৰগাঁও আঞ্চলিক নাম কীৰ্ত্তন সমিতিৰ সভাপতি বুবুল চন্দ্ৰ বৰা,সমাজকৰ্মী নিত্যন ঠাকুৰ, সাংস্কৃতিক কৰ্মী দীপেন বৰঠাকুৰ আদিয়ে ভাষণ প্ৰদান কৰে। সভাত দেৰগাঁও ক্ৰীড়া সন্থাৰ সভাপতি প্ৰশান্ত প্ৰদীপ হাজৰিকা, আপকুৰ কেন্দ্ৰীয় সম্পাদক প্ৰণৱ চক্ৰৱৰ্তী, লেখিকা বন্তি আহমদ,ইন্দ্ৰানী গোস্বামী,সাংবাদিক ইন্দুভূষণ মহন্ত,সমাজকৰ্মী বদন বৰা,মাধুৰ্য্য মোহন হাজৰিকা,ওম সোমানী আদি যথেষ্ট সংখ্যক লোক উপস্থিত আছিল।

# নাৰায়ণপুৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন উদ্‌যাপন

**অসম বাৰ্তা, বান্দৰদেৱা, ১৭ ছেপ্টেম্বৰ ঃ** আজি দেশৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৭৫ সংখ্যক জন্মদিন।এক ব্যক্তিক্ৰম ৰপত আজি লখিমপুৰ জিলাৰ বিহপুৰীয়া সমষ্টিৰ অন্তৰ্গত নাৰায়ণপুৰ সমীপৰ বুঢ়াবুঢ়ীৰ বালিগাঁৱত প্ৰধান মন্ত্ৰী নৰেন্দ্ৰমোদীৰ জন্ম দিৱস পালন কৰা হয়। সমষ্টিটোৰ জনপ্ৰিয় যুৱনেতা ৰাজীৱ বৰুৱাৰ নিজা বাসভৱনত আয়োজন কৰা অনুষ্ঠানটিত প্ৰায় ৫শতাধিক লোকে অংশগ্ৰহণ কৰে । ৰবীন বৰাই গছপুলি ৰোপণ কৰাৰ পাছতে আৰম্ভ হোৱা অনুষ্ঠানটিত প্ৰধান মন্ত্ৰী গৰাকীৰ জন্মদিনৰ উপলক্ষে এটা কেক্ কাটে ভাৰতীয় জনতা দলৰ কেইবাজনো জ্যেষ্ঠ কৰ্মীয়ে। অনুষ্ঠানত সামাজিক আৰু সাংস্কৃতিক জগতলৈ অৱদান থকা কেইবাগৰাকীও ব্যক্তিক সম্বৰ্ধনা জনায়। অনুষ্ঠানত উপস্থিত থাকে বিজেপিৰ জ্যেষ্ঠকৰ্মী তিলেশ্বৰ ফুকন,ৰাম হাজৰিকা,খগেন হাজৰিকা, গুৱাহাটীৰ আহি উপস্থিত হোৱা অতুজ্বল বুঢ়াগোহাঁই আৰু কণকেশ্বৰ বৰাকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।ইয়াৰ পাছতে প্ৰধান মন্ত্ৰী গৰাকীৰ জন্মদিনৰ উপলক্ষে এটি শান্তিৰ সমদল বাঢ়িৰ কৰে।তদুপৰি সম্বৰ্ধনা অনুষ্ঠানত প্ৰধানমন্ত্ৰী গৰাকীলৈ বহুকেইজনে শুভেচ্ছামূলক বাৰ্তা প্ৰেৰণ কৰাৰ লগতে উপস্থিত থকা সকলোৱে উলহ মালহেৰে জন্মদিনত অংশ গ্ৰহণ কৰা পৰিলক্ষিত হয়।

# বিভিএফচিএলত স্বচ্ছতা পাখৱাৰা - ২০২৫ৰ সামৰণি অনুষ্ঠান

**অসম বাৰ্তা, নামৰূপ, ১৭ ছেপ্টেম্বৰ ঃ** স্বচ্ছতা পাখৱাৰা - ২০২৫ ৰ সামৰণি অনুষ্ঠানটো যোৱা ১৫ ছেপ্টেম্বৰত নামৰূপস্থিত বিভিএফচিএলৰ কেণ্টিনত অনুষ্ঠিত হৈ যায়। এই অনুষ্ঠানটোৱে পৰিচ্ছন্নতা প্ৰচলনৰ প্ৰচাৰত উৎসৰ্গিত দুসপ্তাহজোৰা অভিযানৰ সফল সমাপ্তি চিহ্নিত কৰে। আদৰণি ভাষণেৰে আৰম্ভ হোৱা অনুষ্ঠানত চিএমডি মোহন ৰাজ শেঠী আৰু ডাইৰেক্টৰ (ফাইনেন্স) সুভাষ চন্দ্ৰ দাসৰ নেতৃত্বত নিমগছৰ পুলি ৰোপণ কৰা হয়। নিজৰ ভাষণত চিএমডি শেঠীয়ে দৈনন্দিন জীৱনত পৰিচ্ছন্নতা গ্ৰহণ কৰাৰ গুৰুত্ব উপস্থাপন কৰি সকলো কৰ্মচাৰী আৰু উপস্থিত দৰ্শকসকলক পাখৱাৰাৰ অন্তত স্বচ্ছতাৰ বাৰ্তা আগবঢ়াই নিবলৈ আহ্বান জনায়। ডাইৰেক্টৰ (ফাইনেন্স) সুভাষ চন্দ্ৰ দাসেও সভাত ভাষণ প্ৰদান কৰে। অনুষ্ঠানত জেনেৰেল মেনেজাৰ (মাৰ্কেটিং) সত্যজিৎ মিশ্ৰ আৰু জেনেৰেল মেনেজাৰ (প্ৰডাকচন) ডি. কে. দাসো উপস্থিত আছিল। অনুষ্ঠানটি সঞ্চালনা কৰে ছিনিয়ৰ মেনেজাৰ (এইচ আৰ) জুলিয়েট চেতিয়াই। অনুষ্ঠানতে কৰ্মচাৰীৰ মাজত অনুষ্ঠিত চিত্ৰাংকণ/প'ষ্টাৰ প্ৰতিযোগিতাৰ বিজয়ীসকলক প্ৰমাণপত্ৰ আৰু পুৰস্কাৰ প্ৰদান কৰে চিএমডি শেঠীয়ে। লগতে ডাইৰেক্টৰ (ফাইনেন্স) আৰু জেনেৰেল মেনেজাৰসকলে ছাত্ৰ-ছাত্ৰীসকলক পুৰস্কাৰ বিতৰণ কৰে। উল্লেখ্য যে, ১৫ দিনজোৰা এই স্বচ্ছতা পাখৱাৰাৰ সময়ত বিভিএফচিএলে কেইবাটাও গুৰুত্বপূৰ্ণ কাৰ্যসূচী যেনে - স্বাক্ষৰ অভিযান, নামৰূপ বজাৰৰ পৰিচ্ছন্নতা অভিযান, শ্ৰমদান কাৰ্যসূচী, কাৰখানা পৰিসৰৰ ভিতৰৰ গণ পৰিচ্ছন্নতা, স্থানীয় বিদ্যালয়ত পৰিচ্ছন্নতাৰ ওপৰত ছেমিনাৰ, স্বচ্ছতা-থীমৰ ছেলফি ষ্টেণ্ড আদিৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে উপস্থাপন কৰা ৰাস্তাৰ নাট আদি।

## সম্পাদকীয়

# প্ৰেৰণা নে ৰাজনীতি ?

কেন্দ্ৰীয় শিক্ষা মন্ত্ৰণালয়ে দেশৰ সকলো কেন্দ্ৰীয় চৰকাৰী বিদ্যালয়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শৈশৱৰ জীৱনৰ ওপৰত ভিত্তি কৰি নিৰ্মিত 'চলো জীতে হেঁ' নামৰ ছবিখন একেৰাহে ১৭ দিন ধৰি প্ৰদৰ্শন কৰিবলৈ নিৰ্দেশ দিছে। চৰকাৰী বিবৃতি মতে, এই উদ্যোগৰ মূল লক্ষ্য হ'ল ছাত্ৰ-ছাত্ৰীসকলক প্ৰধানমন্ত্ৰীৰ শৈশৱৰ সংগ্ৰাম আৰু অনুপ্ৰেৰণাদায়ক কাহিনীৰ জৰিয়তে চৰিত্ৰ গঠন, সেৱা, দায়িত্ববোধ, সহানুভূতি আৰু আত্মচিন্তাৰ দৰে গুণাৱলীৰ সৈতে পৰিচয় কৰোৱা। প্ৰধানমন্ত্ৰীৰ ৭৫তম জন্মদিনৰ উপলক্ষে আৰম্ভ হোৱা এই কাৰ্যসূচী 'প্ৰেৰণা' নামৰ এক বৃহত্তৰ শিক্ষা অভিযানৰ অংশ বুলি কোৱা হৈছে।

নিঃসন্দেহে, যিকোনো সফল ব্যক্তিৰ জীৱনৰ সংগ্ৰামৰ কাহিনীয়ে যুৱ প্ৰজন্ম প্ৰেৰণা দিব পাৰে। জীৱনত অতিক্ৰম কৰিবলগীয়া অসুবিধাবোৰৰ মাজতো অটল অধ্যৱসায়েৰে আগবাঢ়ি গৈ সফলতাৰ বাট উলিওৱাৰ দৃষ্টান্তই নৱপ্ৰজন্মক এক নতুন দিশ দেখুৱাব পাৰে। 'চলো জীতে হেঁ' ছবিখনৰ দৰে এক মাধ্যমই যদি ছাত্ৰ-ছাত্ৰীসকলক ইতিবাচক জীৱন-মূল্যবোধ শিকাবলৈ সক্ষম হয়, তেন্তে ইয়াক সাধুবাদেই দিব লাগিব।

কিন্তু, ইয়াৰ লগে লগে সাধাৰণ মানুহৰ মনত এটা প্ৰশ্নই গা কৰি উঠিছে। এই পদক্ষেপটোৰ লক্ষ্য কি সঁচাকৈয়ে শিক্ষাৰ্থীসকলক প্ৰেৰণা যোগোৱা, নে ই ৰাজনৈতিক প্ৰচাৰৰ এক সূক্ষ্ম উপায়? এজন নিৰ্দিষ্ট ৰাজনৈতিক নেতাৰ জীৱনকহে ইমান বৃহৎ পৰ্যায়ত শিক্ষানুষ্ঠানসমূহত প্ৰদৰ্শনৰ বাবে বাছনি কৰাটোৱে একপক্ষীয়তাৰ সূচনা নকৰে নেকি? দেশত এনে অসংখ্য মহান ব্যক্তি আছিল আৰু আছে, যিসকলৰ জীৱন আৰু কৰ্মই যুৱশক্তিৰ বাবে অনুপ্ৰেৰণাৰ উৎস হ'ব পাৰে। তেওঁলোকৰ জীৱনৰ পাঠসমূহক ইতিমধ্যে পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা হৈছে। এনে অৱস্থাত এখন নিৰ্দিষ্ট ৰাজনৈতিক দলৰ নেতাজনৰ জীৱনক বিশেষভাৱে তথা বাধ্যতামূলকভাৱে প্ৰদৰ্শন কৰাটোৱে শিক্ষাৰ ক্ষেত্ৰখনক ৰাজনীতিৰ মঞ্চলৈ ৰূপান্তৰিত কৰাৰ আশংকা জন্মাইছে।

বিৰোধী ৰাজনৈতিক দলসমূহে ইতিমধ্যেই এই নিৰ্দেশৰ তীব্ৰ সমালোচনা কৰিছে। তেওঁলোকৰ মতে, চৰকাৰী বিদ্যালয় আৰু শিক্ষানুষ্ঠানবোৰক ৰাজনৈতিক প্ৰচাৰৰ বাবে ব্যৱহাৰ কৰাটো সম্পূৰ্ণৰূপে অনুচিত। শিক্ষাৰ ক্ষেত্ৰখন সদায়ে ৰাজনৈতিক প্ৰভাৱৰ পৰা মুক্ত হোৱা উচিত, য'ত ছাত্ৰ-ছাত্ৰীসকলে সকলো দিশৰ পৰা জ্ঞান আহৰণ কৰিব পাৰে, কোনো বিশেষ ৰাজনৈতিক মতাদৰ্শৰ প্ৰচাৰ নহয়। আনহাতে, সাধাৰণ জনতাৰ মাজতো এই বিষয়টোৱে দ্বৈত মতামতৰ সৃষ্টি কৰিছে। কিছুমান পিতৃ-মাতৃ আৰু শিক্ষকে ইয়াক এক ইতিবাচক পদক্ষেপ বুলি গণ্য কৰিছে, আনহাতে বহুতে এই সন্দৰ্ভত সন্দিহান। তেওঁলোকৰ মতে, বিদ্যালয়সমূহত ৰাজনৈতিক প্ৰচাৰৰ কোনো স্থান নাই। ছাত্ৰ-ছাত্ৰীসকলৰ বাবে আৱশ্যক হ'ল এক সুস্থ আৰু মুক্ত চিন্তাৰ পৰিৱেশ, য'ত তেওঁলোকে নিজৰ বিচাৰ শক্তিৰে জ্ঞান আহৰণ কৰিব পাৰে।

চৰকাৰী যুক্তি হ'ল যে এই ছবিখনে ৰাষ্ট্ৰীয় বঁটা লাভ কৰা এখন গুণগত ছবি, যাৰ মূল উদ্দেশ্য হ'ল নৈতিক মূল্যবোধৰ বিকাশ। যদি এই কথাখিনি সঁচা, তেন্তে প্ৰশ্ন উঠিব পাৰে যে এই একেটা উদ্দেশ্য সাধন কৰিবলৈ দেশৰ বিভিন্ন প্ৰান্তৰ, বিভিন্ন ভাষা-সংস্কৃতিৰ মহান ব্যক্তিসকলৰ জীৱনীৰ ওপৰত ভিত্তি কৰি এক ধাৰাবাহিকতা আৰম্ভ নকৰা কিয়? ইয়াতকৈও গুৰুত্বপূৰ্ণ হ'ল যে বিদ্যালয়ত পঢ়া ছাত্ৰ-ছাত্ৰীসকলৰ বাবে আটাইতকৈ প্ৰয়োজনীয় বিষয়বোৰ— যেনে পঢ়াৰ মানদণ্ড উন্নত কৰা, প্ৰয়োজনীয় আন্তঃগাঁথনিৰ সুবিধা প্ৰদান কৰা, শিক্ষকৰ সংখ্যা বৃদ্ধি কৰা আদিত মনোনিৱেশ কৰাটো।

শিক্ষা হ'ল এনে এক সাঁজুলি, যাৰ জৰিয়তে এটা দেশৰ ভৱিষ্যত গঢ় লৈ উঠে। ইয়াক কোনো ধৰণৰ ৰাজনৈতিক প্ৰভাৱ বা পক্ষপাতিত্বৰ পৰা মুক্ত ৰখাটো অতি প্ৰয়োজন। যিকোনো মহান ব্যক্তিৰ জীৱনৰ পৰা শিক্ষা ল'ব পাৰি, কিন্তু সেই শিক্ষা হ'ল ব্যক্তিৰ নিজৰ বাছনিৰ বিষয়। ইয়াক চৰকাৰীভাৱে বাধ্যতামূলক কৰি তোলাটোৱে শিক্ষাৰ স্বাধীনতাক স্পৰ্শ কৰে। আশা কৰোঁ, চৰকাৰে এই পদক্ষেপৰ জৰিয়তে শিক্ষাৰ্থীসকলক প্ৰেৰণা দিয়াৰ লগতে শিক্ষা ব্যৱস্থাক ৰাজনৈতিক কৰাৰ সন্দেহৰ পৰা মুক্ত ৰাখিবলৈ সচেতন হ'ব। কিয়নো, শিক্ষাৰ প্ৰকৃত উদ্দেশ্য হ'ল মুক্ত মন, সচেতন নাগৰিক আৰু এক সুস্থ গণতন্ত্ৰ গঢ়ি তোলা।

*নেপালৰ ছাত্ৰৰ অভূতপূৰ্ব বিক্ষোভ আৰু আন্দোলন আজিৰ নহয়। নেপালত বিক্ষোভ আৰু আন্দোলন হৈছিল বহুত বাৰ। ১৯৬০ চনৰ আশে পাশে যেতিয়া পৃথিৱীৰ প্ৰায়বোৰ দেশেই গণতান্ত্ৰিক যাত্ৰাত অভ্যস্ত হৈছিল, তেতিয়াও নেপালৰ জনসাধাৰণৰ মনত গণতন্ত্ৰৰ সপোন সম্পূৰ্ণ জাগ্ৰত হোৱা নাছিল। চেগাচোৰোকাকৈ কিছুমান ঘটনাই নেপালক প্ৰজাতন্ত্ৰৰ দিশে লৈ যোৱাৰ প্ৰয়াস কৰিছিল। কিন্তু প্ৰজাতন্ত্ৰৰ কাঠামো গঢ়ি উঠিবলৈ দেশখন প্ৰস্তুত হোৱা নাছিল। ১৯৬০ চনৰ শেষৰ ফালে মাওবাদীৰ উত্থানে নেপালত ৰাজতন্ত্ৰৰ বিলুপ্তিৰ দাবী কৰিছিল ।*

# জেন জি আৰু নেপালৰ নতুন যাত্ৰা

**ড° আৰ কে বেজবৰুৱা**

নেপাল এখন ফেডাৰেল গণতান্ত্ৰিক প্ৰজাতন্ত্ৰী দেশ। ৫৬৩-৪৮৩ খ্ৰীষ্টপূৰ্বৰ পৰাই নেপালৰ ইতিহাস বিকশিত হ'বলৈ ধৰে। আধ্যাত্মিক আৰু মাৰ্গীয় দৰ্শনে নেপালক বিশ্বসমূদায়ৰ লগত সংযোগ কৰাত সেই সময় নেপালৰ গুৰুত্ব যথেষ্ট বৃদ্ধি পায়। সিদ্ধাৰ্থ গৌতম বুদ্ধই সাধনা আৰু সিদ্ধিৰে ৪৮৩ খ্ৰীষ্টপূৰ্বৰ আশে-পাশে নেপালক সমৃদ্ধ কৰিছিল। খ্ৰীষ্টপূৰ্ব ২৫০ত নেপাল মৌৰ্য সম্ৰাজ্যৰ অধীনলৈ যায়। তাৰ পিছত ৪ৰ্থ শতাব্দীত ই গুপ্ত সম্ৰাজ্যৰ উপনিবেশত পৰিণত হয়। আধুনিক যুগৰ বিভিন্ন ঘটনা প্ৰবাহে নেপালক চুই গৈছিল যদিও ২০০৮ চন পৰ্য্যন্ত নেপাল এক সাংবিধানিক ৰাজতন্ত্ৰৰ দ্বাৰা শাসিত হৈ আছিল। ২০০৮ চনৰ ২৮ মে'ত আইন সভা সংশোধনৰ দ্বাৰা নেপালক প্ৰজাতন্ত্ৰৰ মৰ্যদা প্ৰদান কৰা হয়।

নেপালৰ মূল ৰাজনৈতিক দলবোৰ হৈছে জাতীয় প্ৰজাতন্ত্ৰ পাৰ্টি, নেপালী কংগ্ৰেছ, জাতীয় জনতা পাৰ্টি, নেপাল মজদুৰ কিষান পাৰ্টি, নেপাল কমিউনিষ্ট পাৰ্টি (মাৰ্ক্সবাদ-লেনিনবাদ) আৰু মাওবাদী নেপাল কমিউনিষ্ট পাৰ্টি।

এই সকলো পাৰ্টিৰ টনাটনিত তাত যোৱা যোল্লটা বছৰত ১৩ বাৰ চৰকাৰ গঠন হৈছিল। দেশখনত ভয়াবহ ৰাজনৈতিক অস্থিৰতা চলি আছিল। এই অস্থিৰতাৰ মাজত সকলো পাৰ্টিৰ চৰকাৰৰ এটা উমৈহতীয়া মিল আছিল যে কোনো চৰকাৰে দেশৰ অৰ্থব্যৱস্থাৰ উন্নয়নত মনোযোগ দিয়া নাছিল, কিন্তু দেশৰ জনসাধাৰণৰ ধন উদৰস্থ কৰিবলৈ সকলো তৎপৰ হৈ আছিল। এই বিষয়ত কোনো পাৰ্টিৰে বিৰোধ নাছিল। নেপালৰ অৰ্থনীতি হৈছে পৰ্যটন নিৰ্ভৰ। তাত গঢ় লৈ উঠা চকু চিকিৎসা প্ৰতিষ্ঠানবোৰে নেপালক কিছু পৰিমাণে অৰ্থনৈতিক সকাহ দিছে। নেপালৰ পৰিবহণ ব্যৱস্থা হৈছে বাছ। সু-পৰিচালনাৰ অভাৱ তথা দুৰ্নীতিৰ গ্ৰাসত নেপাল এয়াৰ লাইনচ সংকটাপন্ন অৱস্থালৈ গতি কৰিছে। শিক্ষা ব্যৱস্থাও সুবিধাজনক নহয়। কৰ্ম সংস্থাপনৰ ক্ষেত্ৰখন অতি সংকুচিত। সেয়ে কাম বিচাৰি নেপালৰ মানুহে বিভিন্ন দেশলৈ প্ৰব্ৰজন কৰিছে। বিশেষকৈ পাচপোৰ্ট, ভিছাৰ সমস্যা কম বাবে ভাৰতলৈ অধিক হাৰত নেপালী লোক প্ৰব্ৰজিত হৈছে। তাৰ বিপৰীতে নেতা সকলৰ অৰ্থনৈতিক দিশ জয় জয় ময় ময়। তেৰোঁলোকৰ সতি-সন্ততিয়ে বিদেশত পঢ়িবলৈ যায় আৰু লাহ বিলাহৰ জীৱন অতিবাহিত কৰে। সেই চকমকীয়া জীৱনৰ সুখ আৰু বৈভৱবোৰ তেৰোঁলোকে সামাজিক মাধ্যমত প্ৰচাৰ কৰে। সেইবোৰ সামাজিক প্লেটফৰ্মত দেখা পাই নেপালী যুৱ চামৰ মাজত ক্ষোভ আৰু হতাশা বৃদ্ধি হৈ গৈ আছিল। তাৰ ফলতেই বিক্ষোভে যোৱা ৮ ছেপ্টেম্বৰত নেপালত চূড়ান্ত ৰূপ ধাৰণ কৰিলে। নেপালক অগ্নি কুণ্ডত পৰিণত কৰা বিদ্ৰোহৰ মূলত আছে জেন জি ( Gen Z) জেন জি আৰু নেপালৰ নতুন যাত্ৰা।

**কি এই জেন জি ( Gen Z)?**

'জেন জি' বা 'জেন জেদ'ৰ কথা কবলৈ গ'লে এশ বছৰ পিছুৱাই যাব লাগিব। 'Gen' এটা সাংকেতিক শব্দ। জেনেৰেচন বা 'পীড়ি'ক বুজাবলৈ ব্যৱহাৰ কৰা হয়। সময় সলনিৰ লগে লগে আমাৰ জেনেৰেচনবোৰক (বুজি পোৱাত সুবিধাৰ বাবে জেনেৰেচন শব্দটো ব্যৱহাৰ কৰা হৈছে) তেনেকুৱা কেইবাটাও 'Gen'ত বিভাজিত কৰা দেখা যায়। যিসকলৰ জন্ম ১৯০১ চনৰ পৰা ১৯২৭ চনৰ ভিতৰত হৈছিল তেৰোঁলোকক গ্ৰেটেষ্ট জেন (Greatest Gen) বুলি কোৱা হয়। সেই সময়ত পৃথিৱীৰ একক চৰিত্ৰ আছিল সংগ্ৰাম আৰু সংঘৰ্ষৰ। সামাজিক আৰু আৰ্থিক ভাৱে নিজকে জীয়াই ৰখাৰ বাবে এই চাম মানুহে সকলো দিশতে সংগ্ৰাম কৰিব লগীয়া হৈছিল। ১৯২৮ চনৰ পৰা ১৯৪৫ চনৰ জেনেৰেচনক কোৱা হয় চাইলেন্ট জেন (Silent Gen) । এই জেনেৰেচন ডাঙৰ হৈছিল যুদ্ধৰ বিভীষিকাময় সময় সময়ত। জুই, ধোঁৱা, বাৰুদ, ৰোগ, খাদ্য সংকট, গোলামী, ঔপনিবেশিক উৎপীড়ন আৰু অৰ্থনৈতিক মন্দাৱস্থাৰ বলি হৈছিল এই পীড়িটো। তেৰোঁলোকে নীৰৱে সহ্য কৰিব লগীয়া হৈছিল সকলোবোৰ। লাহে লাহে পৰিস্থিতিৰ সলনি হৈছিল। পৃথিৱী দুটা মহাশক্তিত বিভাজিত হৈছিল যদিয়ো বিশ্বৰ ৰাজনীতি আৰু অৰ্থনীতিলৈ লাহে লাহে সুস্থিৰতা আহিছিল। ১৯৪৬ আৰু ১৯৬৪ চনৰ সময়ছোৱাত বৈজ্ঞানিক গৱেষণা আৰু প্ৰযুক্তিৰ উন্নয়নৰ বাবে বিভিন্ন ক্ষেত্ৰত নতুন নতুন আৱিষ্কাৰৰ সুফল মানুহৰ বাবে উপলব্ধ হৈছিল। মানুহে নতুন পৃথিৱীৰ সন্ধান পাইছিল। সেই বাবে এই পীড়িক বেবী বুমাৰ (Baby boomer) আখ্যা দিয়া হৈছে।




যিসকল ১৯৬৫ আৰু ১৯৮০ চনৰ মাজত জন্মিছিল, তেৰোঁলোকক জেনেৰেচন এক্স ( Gen X) বুলি কোৱা হয়। তেওঁলোকৰ বাক স্বাধীনতা আছিল, স্বাধীন ভাৱে চিন্তা কৰি নিজৰ মতামত ব্যক্ত কৰিব পাৰিছিল। পৃথিৱীৰ প্ৰায়বোৰ দেশ ঔপনিবেশিক শাসনৰ পৰা স্বাধীন হৈছিল। প্ৰায় ভাগ দেশৰ মানুহে প্ৰজাতন্ত্ৰৰ সোৱাদ পাইছিল।

মিলেনিয়েল জেনেৰেচন (Generation Y বা Gen Y) কোৱা হয় সেই সকল ব্যক্তিক যাৰ জন্ম ১৯৮১ আৰু ১৯৯৬ চনৰ মাজত হৈছে। সেই সময়ত মোবাইল আৰু ইন্টাৰনেটৰ বিকাশ প্ৰায় সপূৰ্ণ হৈছিল। তেৰোঁলোকে কৰ্ম আৰু জীৱনৰ মাজত সামঞ্জস্য ৰক্ষা কৰি সুখী আৰু সুস্থিৰ পৰিৱেশত কাম কৰি ভাল পাইছিল। সেই বাবে তেৰোঁলোকক 'ডিজিটেল বাসিন্দা' বা 'digital natives' বুলি কোৱা হয়। তেৰোঁলোকে ইন্টাৰনেট আৰু ছচিয়েল প্লেটফৰ্মৰ প্ৰসাৰত বিশেষ ভূমিকা পালন কৰিছিল।

জেন জি বা জেন জেদ বুলি ক'লে বৰ্তমানৰ আটাইতকৈ নবীন যুৱ প্ৰজন্মক বুজোৱা হয়, যাৰ জন্ম ১৯৯৭ চনৰ পৰা ২০১২ চনৰ ভিতৰত হৈছে। উপজিয়েই তেওঁলোকে টেলিভিচন, মোবাইল আৰু ইন্টাৰনেটৰ পৃথিৱীত লালিত-পালিত হৈছে। তেৰোঁলোক ইন্টাৰনেট-পৃথিৱীৰ বাসিন্দা হোৱাৰ বাবে তেৰোঁলোকৰ মানসিক বিকাশত নতুন নতুন চিন্তা, জীৱন ধাৰণৰ নতুন কৌশল নাইবা জাগতিক পৰিৱৰ্তনে প্ৰভাৱ বিস্তাৰ কৰি আহিছে। তেৰোঁলোকে পৃথিৱীৰ ডাঙৰ ডাঙৰ ঘটনাবোৰ চ'চিয়েল প্লেটফৰ্মত দেখা পাইছে। তাৰ ওপৰত মন্তব্য প্ৰকাশ কৰিব পৰা হৈছে। তেৰোঁলোকে কিতাপ বা শিক্ষকে প্ৰদান কৰা জ্ঞানতকৈ ইউটিউব, গুগুল আৰু সামাজিক মাধ্যমক বেছি ভৰসা কৰে। অৱশ্যে বিশ্বৰ প্ৰযুক্তিৰ বিকাশেও তেৰোঁলোকক তেনেকৈ গঢ়ি তুলিছে। সেই বাবেই এই সদ্য যুৱচাম ইন্টাৰনেট আৰু অন-লাইনৰ মাধ্যমত মাজত ডুবি থাকিবলৈ ভাল পায়। তেৰোঁলোক কঠোৰ অধ্যৱসায়ত অভ্যস্ত। উচ্চ অভিলাষী। সেই অনুপাতে তেৰোঁলোক প্ৰাপ্যৰ পৰা বঞ্চিত। সংস্থাপনৰ অভাৱ, দেশৰ ৰাজনৈতিক চক্ৰান্ত, দুৰ্নীতি, অপদ্ৰব্যৰ প্ৰচলন আদিৰ পৰিপ্ৰেক্ষিতত বেছিভাগেই আশাভঙ্গ, ডিপ্ৰেছন আৰু ক্ৰোধৰ দ্বাৰা পিষ্ট।

'জেন জি' ৰ পিছৰ পৰিক্ৰমাটো হৈছে জেন আলফা (Generation Alpha), যাৰ জন্ম ২০১৩ আৰু ২০২৫ চনৰ ভিতৰত। এৰোঁলোকে জন্মিয়েই ইনিষ্টাগ্ৰাম, টেলিগ্ৰাম, এ', ইউ পি আই আদিৰ মুখামুখি হৈছে। এৰোঁলোক বহুত বেছি পৰিমাণে চোকা। সমাজক প্ৰভাৱান্বিত কৰিব পৰাকৈ বৰ্তমানেও এৰোঁলোক বিকশিত হোৱা নাই। ভৱিষ্যতে নিৰ্ণয় কৰিব এৰোঁলোকৰ কৰ্ম পদ্ধতি আৰু আচৰণগত মানসিকতা।

**নেপালৰ ছাত্ৰ অভ্যুত্থানৰ কাৰণঃ**

নেপালৰ ছাত্ৰৰ অভূতপূৰ্ব বিক্ষোভ আৰু আন্দোলন আজিৰ নহয়। নেপালত বিক্ষোভ আৰু আন্দোলন হৈছিল বহুত বাৰ। ১৯৬০ চনৰ আশে পাশে যেতিয়া পৃথিৱীৰ প্ৰায়বোৰ দেশেই গণতান্ত্ৰিক যাত্ৰাত অভ্যস্ত হৈছিল, তেতিয়াও নেপালৰ জনসাধাৰণৰ মনত গণতন্ত্ৰৰ সপোন সম্পূৰ্ণ জাগ্ৰত হোৱা নাছিল। চেগাচোৰোকাকৈ কিছুমান ঘটনাই নেপালক প্ৰজাতন্ত্ৰৰ দিশে লৈ যোৱাৰ প্ৰয়াস কৰিছিল। কিন্তু প্ৰজাতন্ত্ৰৰ কাঠামো গঢ়ি উঠিবলৈ দেশখন প্ৰস্তুত হোৱা নাছিল। ১৯৬০ চনৰ শেষৰ ফালে মাওবাদীৰ উত্থানে নেপালত ৰাজতন্ত্ৰৰ বিলুপ্তিৰ দাবী কৰিছিল । তথাপিও ১৯৯০ চন পৰ্য্যন্ত নেপালৰ ৰজাই কংগ্ৰেছ দলকে ধৰি ৰাজতন্ত্ৰৰ বিৰোধীসকল বৈধতা দিয়া নাছিল। কিন্তু নেপালী সকলৰ চিন্তাৰ গতি পৰিবৰ্তন হৈছিল। নেপালী প্ৰজাৰ মাজত ক্ষোভ ঘনীভূত হৈছিল আৰু তাৰ বহিৰ্প্ৰকাশ দেখা গৈছিল। তালৈ লক্ষ্য ৰাখি ১৯৯০ চনত ৰজা বীৰেন্দ্ৰই বহু দলীয় সংসদীয় ব্যৱস্থা প্ৰৱৰ্তন কৰে। তাৰ পিছতো আন্দোলন চলি থাকিল। অৱশেষত ২০০৮ চনৰ ২৮ মেত নেপালে ৰাজতন্ত্ৰৰ সোৱাদ লাভ কৰিবলৈ সক্ষম হয়। অৱশ্যে ৰাজতন্ত্ৰ আৰু প্ৰজাতন্ত্ৰৰ সন্ধিক্ষণত ৰজা বীৰেন্দ্ৰৰ সৈতে তেওঁৰ পৰিয়ালক কৰা হত্যাৰ ঘটনা সংঘটিত হৈছিল। সেয়া কাৰোবাৰ বাবে ৰাজতন্ত্ৰ লুপ্ত হোৱাৰ উল্লাস আছিল নে পুনৰ ৰাজতন্ত্ৰ প্ৰতিষ্ঠাৰ সংশয় আছিল, তাক বুজা নাযায়। কিন্তু গণতান্ত্ৰিক শাসনৰ তলত চলিবলৈ ধৰাৰ লগে লগে দেশখনত নেতাসকলৰ মাজত শক্তি হস্তগত কৰাৰ বাবে খোৱা-কামোৰা আৰম্ভ হৈ গ'ল। দেশৰ জনতাৰ ভাগৰ ধন প্ৰতিটো ৰাজনৈতিক দলৰ নেতাই যিমান পাৰে সিমান কোৰোণাৰে চপাই লৈ থাকিল।

এই সকলোবোৰে নেপালৰ সদ্য যৌৱনপ্ৰাপ্ত সকলৰ মনৰ ক্ষোভ প্ৰথমে আন্দোলন আৰু তাৰ পিছত হিংসালৈ ৰূপান্তৰিত কৰিলে। সেই হিংসাই নেপালৰ কিমান ক্ষতি কৰিলে, এতিয়াও তাৰ প্ৰকৃত হিচাব হোৱা নাই। কিন্তু নিশ্চিত যে দুখীয়া দেশখনে ভৱিষ্যতে কঠিন পৰিস্থিতিৰ সন্মুখীন হ'ব লাগিব। জেন জিৰ সদস্য সকলৰ সিদ্ধান্ত মৰ্মে অন্তৰ্বৰ্তী কালীন প্ৰধানমন্ত্ৰী শ্ৰীমতী সুশীলা কাৰ্কীয়ে নেপালক ভৱিষ্যতে কি ধৰণে আগুৱাই নিয়ে সেয়া নিৰ্ভৰ কৰিব নেপালী জনসাধাৰণৰ চিন্তা আৰু সমৰ্থনৰ ওপৰত। অন্তৰতী চৰকাৰ গঠনৰ পৰৱৰ্তী পৰ্যায়ত জেন জিৰ উত্থানৰ মূল প্ৰেৰণা চুদান গুৰং, বালেন শ্বাহ আৰু ৰবি লামিচানেক প্ৰেক্ষাপটত নাকচ কৰা হৈছে। প্ৰধান মন্ত্ৰী সুশীলা কাৰ্কীৰ দ্বাৰা উপেক্ষিত হৈ হয়তো তেৰোঁলোকে পুণৰ নতুন আন্দোলনৰ জন্ম দিব পাৰে। সেয়াও নিৰ্ভৰ কৰিব নেপালৰ জন সমৰ্থনৰ ওপৰত।

ভাৰতৰ প্ৰতিবেশী দেশ নেপালত শান্তি প্ৰতিষ্ঠা হোৱাটো সকলো ভাৰতীয়ই কামনা কৰে। যিসকলে নেপালৰ হিংসাক সমৰ্থন কৰিছে, সেয়া অত্যন্ত উদ্বেগপূৰ্ণ। যুক্তিপূৰ্ণ আন্দোলন সমৰ্থন যোগ্য, পৰিবৰ্তন সমৰ্থন যোগ্য। কিন্তু উন্মাদনা আৰু হিংসা কোনোপধ্যেই সমৰ্থনযোগ্য নহয়। ভাৰততো যি সকলে তেনেকুৱা পৰিস্থিতিৰ সৃষ্টি হোৱাৰ কামনা কৰিছে, সেয়া অত্যন্ত দুৰ্ভাগ্যৰ কথা। প্ৰশাসন,ইন্টেলিজেন্স আৰু চৰকাৰৰ গৃহ বিভাগে সকলো সময়তে সতৰ্ক আৰু সাৱধান হৈ থকা উচিত সেইসকল বিৰোধীৰ পৰা। তদুপৰি নেপালৰ পৰা হ'ব পৰা সকলো প্ৰকাৰৰ প্ৰব্ৰজনৰ ওপৰতো চোকা নজৰ ৰখা উচিত। সামাজিক মাধ্যমত দেশৰ অপকাৰ কৰা যি কোনো কথা প্ৰচাৰ কৰা সকলক সোধ-পোছ কৰা দৰকাৰ। লগতে সামাজিক মাধ্যমৰ পোষ্টবোৰ চেন্সৰ কৰাৰো হয়তো প্ৰয়োজন আহিছে। অভিব্যক্তিৰ স্বাধীনতাৰ নামত যাতে দেশত অশান্তি বিয়পিব নোৱাৰে তাৰ বাবে সকলো দেশপ্ৰেমী সষ্টম হৈ থাকিব লাগিব। কোনো কাৰণতে হিংসা, ধংস আৰু হত্যা সমৰ্থন কৰিব নোৱাৰি।

# ড'নাল্ড ট্ৰাম্পৰ নতুন লক্ষ্য চীন

**সত্যব্ৰত বৰা**

ড'নাল্ড ট্ৰাম্পে নতুন নতুন দেশৰ সৈতে শত্ৰুতা আৰম্ভ কৰিছে। শেহতীয়াকৈ ড'নাল্ড ট্ৰাম্পে নতুন শত্ৰু বাছি লৈছে। কেইবামাহো ধৰি ভাৰতক ৰাছিয়াৰ তেল কিনাৰ বাবে দোষ দি নতুন দিল্লীৰ ওপৰত কঠোৰ শুল্ক আৰোপ কৰাৰ পিছত, এতিয়া যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতিজনৰ চকু পৰিছে চীনৰ ওপৰত। শেহতীয়া ট্ৰুথ চোচিয়েল পোষ্টত ট্ৰাম্পে ঘোষণা কৰিছে যে নেট'ৰ সদস্য ৰাষ্ট্ৰসমূহে ৰাছিয়াৰ পৰা তেল কিনা বন্ধ কৰিব লাগিব আৰু মস্কোৰ ওপৰত কঠিন নিষেধাজ্ঞা জাৰি কৰিব লাগিব। লগতে তেওঁ চীনৰ ওপৰত ৫০ৰ পৰা ১০০ শতাংশ শুল্ক আৰোপ কৰাৰ আহ্বান জনাইছে। এই সাহসী ঘোষণা ১৩ ছেপ্টেম্বৰত নিউজাৰ্চিৰ বেডমিনষ্টাৰ গল্‌ফ ক্লাবৰ পৰা কৰা হৈছে। এই পদক্ষেপে ৰাছিয়া-ইউক্ৰেইন যুদ্ধৰ প্ৰতি ট্ৰাম্পৰ দৃষ্টিভংগীত এক বৃহৎ পৰিবৰ্তনৰ ইংগিত দিছে। তেওঁৰ পোষ্টটোক সকলো নেট' সদস্য আৰু বিশ্বৰ বাবে এক সংকেত ৰূপ দি ট্ৰাম্পে কৈছে যে তেওঁ ৰাছিয়াৰ ওপৰত বৃহৎ নিষেধাজ্ঞা আৰোপ কৰিবলৈ সাজু হ'ব কিন্তু তেতিয়াহে যেতিয়া নেট'ৰ প্ৰতিখন দেশে ৰাছিয়াৰ তেল কিনা সম্পূৰ্ণৰূপে বন্ধ কৰিব আৰু নিষেধাজ্ঞাত যোগদান কৰিব। তেওঁ কিছুমান মিত্ৰ দেশক তীব্ৰ সমালোচনা কৰিছে। কাৰণ তেওঁলোকে ৰাছিয়াৰ পৰা তেল কিনি থকাৰ ফলত মস্কোৰ বিৰুদ্ধে তেওঁলোকৰ প্ৰভাৱ কমি গৈছে।

কেইদিনমানৰ আগতে ৰাছিয়াৰ ড্ৰ'নে পোলেণ্ডৰ আকাশসীমা লংঘন কৰিছিল। পোলেণ্ডে ইয়াক ইচ্ছাকৃত আক্ৰমণ বুলি বৰ্ণনা কৰিছে। ৰোমানিয়াতো একেধৰণৰ ঘটনা ঘটিছে, য'ত এফ-১৬ বিমানে ৰাছিয়াৰ এখন ড্ৰ'নক প্ৰায় এঘণ্টা ধৰি অনুসৰণ কৰিছিল। ট্ৰাম্পে বাৰে বাৰে ৰাছিয়াৰ ওপৰত কঠোৰ শাস্তিৰ ভাবুকি দিছে। কিন্তু মিত্ৰ দেশবোৰৰ ঐক্যবদ্ধ পদক্ষেপৰ অপেক্ষাত পিছুৱাই আছে। এইবাৰ তেওঁ ৰাছিয়াৰ ভাগ্যক তেলৰ প্ৰবাহৰ সৈতে সংযোগ কৰিছে। ট্ৰাম্পে জোৰ দি কৈছে যে নেট'ৰ সম্পূৰ্ণ তেল নিষেধাজ্ঞা আৰু চীনৰ ওপৰত কঠোৰ শুল্কই বেইজিঙৰ মস্কোৰ ওপৰত নিয়ন্ত্ৰণ শেষ কৰিব। তেওঁৰ মতে, চীনে ৰাছিয়াৰ তেলৰ সৰহভাগ কিনি মস্কোৰ যুদ্ধৰ যন্ত্ৰণা চলাই ৰাখিছে।

আগষ্টৰ পৰা যুক্তৰাষ্ট্ৰই নতুন দিল্লীৰ ওপৰত শুল্ক বৃদ্ধি কৰিছে, ২৫ শতাংশৰ পৰা আৰম্ভ কৰি আগষ্টৰ শেষত ৫০ শতাংশলৈ দুগুণ কৰিছে। এই শুল্ক ভাৰতে ৰাছিয়াৰ পৰা তেল আমদানি কৰাৰ শাস্তি হিচাপে আৰোপ কৰা হৈছে। বিশ্বৰ তৃতীয় বৃহত্তম তেল গ্ৰাহক ভাৰতে শেহতীয়াকৈ ৰাছিয়াৰ পৰা দৈনিক ১.৭৫ মিলিয়ন বেৰেল তেল কিনিছে, যাক পুনৰ পৰিশোধিত কৰি বিশ্বৰ বজাৰত লাভৰ সৈতে বিক্ৰী কৰিছে। ট্ৰাম্পে ভাৰতৰ ওপৰত অভিযোগ আৰোপ কৰি কৈছে যে তেল কিনাৰ জৰিয়তে মস্কোক অৰ্থনৈতিক সহায় কৰিছে ভাৰতে। কিন্তু আচৰিতজনক ভাৱে ৰাছিয়া ইউক্ৰেইনৰ যুদ্ধৰ আৰম্ভণিতে যুক্তৰাষ্ট্ৰই ভাৰতক বিশ্বৰ বজাৰ স্থিৰ কৰিবলৈ ৰাছিয়াৰ তেল কিনিবলৈ উৎসাহিতহে কৰিছিল, ভাৰতৰ বিষয়াসকলে এই শুল্কক অন্যায় আৰু দ্বিমুখী বুলি কৈছে, কাৰণ ইউৰোপৰ দেশবোৰ আৰু যুক্তৰাষ্ট্ৰই নিজেও ৰাছিয়াৰ সৈতে বাণিজ্য চলাই আছে। বিদেশ মন্ত্ৰী এছ জয়শংকৰে কৈছে যে পশ্চিমীয়া দেশসমূহে অন্যক সমালোচনা কৰে কিন্তু নিজৰ লেনদেনক আওকাণ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ লোকসকলক অৰ্থনৈতিক সমস্যাৰ মুখামুখি হ'বলৈ ভাৰতীয় পণ্য ব্যৱহাৰৰ ওপৰত গুৰুত্ব দিবলৈ কৈছে।

> ট্ৰাম্পৰ প্ৰস্তাৱে অৰ্থনৈতিক সমস্যাও আনিব। তেলৰ মূল্য বাঢ়িব পাৰে যদি নেট'ই সম্পূৰ্ণ নিষেধাজ্ঞা জাৰি কৰে। ফলত ইউৰোপত মুদ্ৰাস্ফীতি বাঢ়িব। গৱেষণা অনুসৰি, তুৰ্কীয়ে নিজৰ অৰ্থনীতিৰ বাবে ৰাছিয়াৰ তেলৰ ওপৰত নিৰ্ভৰ কৰে । যদি ৰাছিয়াৰ পৰা তেল কিনা বন্ধ কৰে তেন্তে ইৰান বা ভেনিজুৱেলাৰ পৰা তেল কিনিব লাগিব। চীনৰ ওপৰত শুল্ক লগালে ইলেক্ট্ৰনি'ৰ পৰা খনিজলৈ যোগান শৃংখল বিঘ্নিত কৰিব।

এই শুল্কই যুক্তৰাষ্ট্ৰ-ভাৰত সম্পৰ্কত চাপ সৃষ্টি কৰিছে, যিটো চীনৰ বিৰুদ্ধে আমেৰিকাৰ কৌশলৰ এক গুৰুত্বপূৰ্ণ অংশ। দুয়ো দেশৰ মাজৰ বাৰ্ষিক ১৯০ বিলিয়ন ডলাৰৰ বাণিজ্য এতিয়া বিঘ্নিত হৈছে। ভাৰতৰ ৰপ্তানিকাৰীসকলে টেক্সটাইল, ঔষধ আৰু ইলেক্ট্ৰনি'ৰ দৰে খণ্ডত চাকৰি হেৰুৱাবলৈ ওলাইছে। দিল্লীয়ে নিজৰ স্বাৰ্থ ৰক্ষা কৰাৰ প্ৰতিশ্ৰুতি দিছে, অস্থায়ীভাৱে ৰাছিয়াৰ তেল কিনা বন্ধ কৰিছে, কিন্তু সম্পূৰ্ণ ৰূপে বন্ধ কৰা নাই। কাৰণ তেলৰ ৪২ শতাংশ আমদানিৰ বিকল্প বিচাৰিলে দেশৰ শক্তিৰ খৰচ বাঢ়িব।

এতিয়া ট্ৰাম্পে চীনক লক্ষ্য কৰি শুল্ক আক্ৰমণ আৰম্ভ কৰিছে। তেওঁ নেট'ৰ দেশসমূহক চীনৰ পণ্যৰ ওপৰত ৫০ৰ পৰা ১০০ শতাংশ শুল্ক আৰোপ কৰাৰ প্ৰস্তাৱ দিছে, যিটো ইউক্ৰেইনৰ যুদ্ধ শেষ হ'লে তুলি লোৱা হ'ব। এই পদক্ষেপে বিশ্বৰ বাণিজ্যত কেইবাশ বিলিয়ন ডলাৰৰ খৰচ যোগ কৰিব পাৰে আৰু ট্ৰাম্পৰ প্ৰথম কাৰ্যকালত চলি থকা যুক্তৰাষ্ট্ৰ-চীন বাণিজ্য যুদ্ধক পুনৰ আৰম্ভ কৰিব পাৰে। চীনে ইতিমধ্যে আমেৰিকাৰ পণ্যৰ ওপৰত ৩৪ শতাংশ শুল্ক বৃদ্ধি কৰি প্ৰত্যুত্তৰ দিছে। বেইজিঙে ৰাছিয়াৰ তেলক সুলভ মূল্যত লাভজনক বুলি গণ্য কৰে। এই তেলক নিজৰ উৎপাদনৰ বাবে ব্যৱহাৰ কৰি মস্কোক কূটনৈতিকভাৱে সমৰ্থন কৰে চীনে। ট্ৰাম্পৰ যুক্তি হৈছে, এই তেল সংযোগ বিচ্ছিন্ন কৰিলে ৰাছিয়া অৰ্থনৈতিকভাৱে বিচ্ছিন্ন হ'ব, কাৰণ চীনৰ ক্ৰয়ে ৰাছিয়াৰ তেল ৰপ্তানিৰ ৯০ শতাংশৰো অধিক সমৰ্থন কৰে।

২০২২ৰ ফেব্ৰুৱাৰীত ৰাছিয়াৰ আক্ৰমণে লাখ লাখ জীৱন কাঢ়ি নিছে, ইউক্ৰেইনৰ নগৰবোৰ ধ্বংস কৰিছে আৰু বিশ্বৰ শক্তিৰ গতিশীলতা সলনি কৰিছে। মস্কোৱে এতিয়াও বৃহৎ বিমান আক্ৰমণ চলাই আছে। ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভলোদিমিৰ জেলেনস্কিয়ে ৰাছিয়াৰ তেল কিনা দেশৰ ওপৰত শুল্কৰ ধাৰণাক সমৰ্থন কৰিছে। তেওঁ কৈছে যে কিছুমান মিত্ৰৰ মস্কোৰ সৈতে বাণিজ্য অব্যাহত ৰখাটো অন্যায় হৈছে। তেওঁৰ মতে, এনে পদক্ষেপে ৰাছিয়াৰ যুদ্ধৰ ক্ষেত্ৰত লাভ কৰা অৰ্থনৈতিক সাহায্য কমাব। কিন্তু এই পদক্ষেপ কাৰ্যকৰী কৰাটো কঠিন। ইউৰোপে ২০২২ৰ পৰা ৰাছিয়াৰ তেলৰ ওপৰত নিৰ্ভৰশীলতা কমাইছে, সমুদ্ৰপথৰে আমদানি বন্ধ কৰিছে। তথাপিও, হাঙ্গেৰী আৰু শ্লোভাকিয়াৰ দৰে দেশলৈ পাইপলাইনৰ পৰা তেল যায় আৰু নেট'ৰ সদস্য তুৰ্কী চীন আৰু ভাৰতৰ পিছত ৰাছিয়াৰ তেলৰ তৃতীয় বৃহত্তম ক্ৰেতা।

ট্ৰাম্পৰ প্ৰস্তাৱে অৰ্থনৈতিক সমসাও আনিব। তেলৰ মূল্য বাঢ়িব পাৰে যদি নেট'ই সম্পূৰ্ণ নিষেধাজ্ঞা জাৰি কৰে। ফলত ইউৰোপত মুদ্ৰাস্ফীতি বাঢ়িব। গৱেষণা অনুসৰি, তুৰ্কীয়ে নিজৰ অৰ্থনীতিৰ বাবে ৰাছিয়াৰ তেলৰ ওপৰত নিৰ্ভৰ কৰে ।যদি ৰাছিয়াৰ পৰা তেল কিনা বন্ধ কৰে তেন্তে ইৰান বা ভেনিজুৱেলাৰ পৰা তেল কিনিব লাগিব। চীনৰ ওপৰত শুল্ক লগালে ইলেক্ট্ৰনি'ৰ পৰা খনিজলৈ যোগান শৃংখল বিঘ্নিত কৰিব।

ট্ৰাম্পে এতিয়া নেট'ৰ সিদ্ধান্তৰ অপেক্ষাত আছে নিষেধাজ্ঞাৰ ট্ৰিগাৰত হাত ৰাখি। আৰু সমগ্ৰ বিশ্বই সম্ভাব্য অৰ্থনৈতিক প্ৰভাৱৰ বাবে সাজু হৈছে।



# মানৱ সমাজত মাদকদ্ৰব্যৰ কু-প্ৰভাৱ

**ৰাকেশ দাস**

বৰ্তমান মানৱ সমাজত মাদকদ্ৰব্য ব্যৱহাৰে এক ব্যাধিৰূপে দেখা দিছে। বৰ্তমান সমাজৰ বিভিন্ন মানুহৰ এনে কিছুমান দ্ৰব্য সেৱন কৰিবলৈ লৈছে যিবোৰ সেৱনৰ ফলত ব্যক্তিয়ে নিজকে পাহৰি যায়, আৰু কেতিয়াবা কেতিয়াবা মানুহৰ হিতাহিত জ্ঞানো নোহোৱা হৈ যায়। এনেধৰণৰ দ্ৰব্য সমূহকে মাদক দ্ৰব্য বুলি জনা যায়। এইবোৰেই মানৱ জীৱনৰ কব নোৱাৰাকৈ অপকাৰ সাধন কৰে।

বৰ্তমানে আমাৰ দেশত প্ৰয়োগ হোৱা মদ, ভাং, কানি আৰু ধপাতেই হল সাধাৰণ মাদকদ্ৰব্য। এইসমূহৰ বাহিৰে "ড্ৰাগচ" নামৰ মাদকদ্ৰব্যবিধৰ প্ৰচলনে সমাজত ভয়াৱহ ৰূপ ধাৰণ কৰিছে। এই দ্ৰব্য বিধকে জীৱনাত্মক মাদকদ্ৰব্য বুলি ধৰা হয়। হিৰোইন, ব্ৰাউন ছুগাৰ আদি বিভিন্ন নামেৰে এই মাৰাত্মক দ্ৰব্যবিধ ভাৰতত প্ৰৱেশ কৰি যুৱসমাজক ভালদৰে ক্ষতিসাধন কৰিছে। মধ্য পাচ্যৰ পৰা পাকিস্তানৰ মাজেৰে এই মাদকদ্ৰব্য ভাৰতলৈ আহে আৰু ভাৰতত বিতৰণ হোৱা পিছত বাকী অংশ ব্ৰহ্মদেশ, ছিংগাপুৰ আদিলৈ যায়।

বৰ্তমান যুৱসমাজত নিচাযুক্ত সেৱনৰ আসক্তি দ্ৰুতগতিত বৃদ্ধি পোৱা পৰিলক্ষিত হয়। যিবোৰক মানব সমাজত এক ভয়াৱহ সংকট বুলি কব পাৰি। যিহেতু যুৱশক্তিৰ হৈছে সমাজ তথা দেশ গঢ়াৰ মূল ভেটিস্বৰূপ। এই ভেটি সুদৃঢ় নহলে সমাজত শান্তি সম্ভৱ নহয়। নিচাযুক্ত দ্ৰব্যৰ সমূহৰ ভিতৰত মদ এবিধ হল স্বাস্থ্যৰ পক্ষে ক্ষতিকাৰক দ্ৰব্য। ই মানসিক স্বাস্থ্য লগতে শৰীৰৰ বাবেও পৰিপন্থী। মদ সেৱন কৰিলে সুস্থ মগজু স্নায়ুতন্ত্ৰত বিশৃংখল ঘটে আৰু ইয়াৰ মাত্ৰাৰ অধিক হলে বিবেক আৰু হিতাহিত জ্ঞান শূন্য হয়। এই দ্ৰব্য বিধ অধিক দিন সেৱনৰ ফলত স্মৃতি শক্তি, দৃষ্টিশক্তি, ধাৰণ শক্তি ক্ষীণ হোৱা উপৰি হাওঁফাওঁৰ হৃদযন্ত্ৰৰ, স্নায়ুদুৰ্বলতা আৰু ৰক্তচাপ বৃদ্ধিৰ ৰোগৰ সৃষ্টি কৰে। ইয়াৰ বাহিৰেও পাকস্থলী, প্লিহা, যকৃত, অন্ত্ৰ আদি হোৱা কৰ্কট ৰোগ আৰু যকৃতত হোৱা 'লিভাৰ চিৰ ছিছ' নামৰ কঠিন ৰোগ মদ পানৰ পৰা সৃষ্টি হোৱা দেখা যায়। সমগ্ৰ দেশৰ ভিতৰত আমাৰ ৰাজ্যত কৰ্কট আৰু আন কঠিন ৰোগৰ প্ৰকোপ সৰ্বাধিক। মদ হল এক সামাজিক ব্যাধি, মদে মানৱ জাতি মানৱ সমাজ ধ্বংস কৰিব পাৰে। ধৰ্মগ্ৰন্থটো উল্লেখ আছে সুৰাপানৰ বাবেই ভগৱান শ্ৰীকৃষ্ণৰ যদুবংশ এদিন ধ্বংস হৈছিল এই কথা সকলোৱেই জানে।

১৯৯৩ চনত মহিলাসকলৰ নেতৃত্বত হোৱা মাদকদ্ৰব্য বিৰোধী আন্দোলনৰ ফলত ভাৰতৰ অন্যতম ৰাজ্য অন্ধ্ৰপ্ৰদেশত সকলো ধৰণৰ মাদক দ্ৰব্য বিক্ৰী আৰু মদ্যপানক দণ্ডনীয় অপৰাধ হিচাপে গণ্য কৰা হয়। মহিলাসকল কেৱল মদ বিৰোধিতাতেই সীমাবদ্ধ নাছিল, তেওঁলোকে নতুনকৈ সস্তীয়া পানীয়ৰ পেকেজিঙৰো বিৰোধিতা কৰিছিল। এই পেকেটবোৰ অতি আওহতীয়া ঠাইটো সহজে পোৱা গৈছিল। যিবোৰ ঠাইত পানীৰ বাবে মাইলৰ মাইল বাট কুৰি বাই যাব লগা হৈছিল।

মহিলাসকল বিক্ষব্ধ হৈছিল, কিয়নো তেওঁলোকৰ স্বামীসকলে মদ খাই উপাৰ্জনৰ ধন শেষ কৰিছিল। তেওঁলোকৰ ওপৰত অত্যাচাৰ চলাইছিল। মহিলাসকলে গ্ৰাহকৰ ওপৰত আক্ৰমণ কৰাতকৈ মদ যোগানকাৰী আৰু ব্যৱসায়ী বিৰোদ্ধে আক্ৰমণ কেন্দ্ৰীভূত কৰিছিল। ফলত বহুত পুৰুষৰ পৰা পৰোক্ষ সমৰ্থন লাভ কৰিছিল। মহিলাসকলে নিজ নিজ গাঁৱত কাম-কাজ আৰব্ধ ৰাখিছিল। স্থানীয় মহিলাসকলৰ নেতৃত্বত আন্দোলন চলিছিল যদিও স্বেচ্ছাসেৱী সংগঠনসমূহৰ পৰা সমৰ্থন ও লাভ কৰিছিল। সম্প্ৰতি এই আন্দোলন দৰিদ্ৰ, গ্ৰামীণ মহিলা পৰা আহি মধ্যবিত্ত, নগৰীয়া মহিলা আৰু পুৰুষসকলৰ আন্দোলনত পৰিণত হৈছে। ই গান্ধীবাদী আদৰ্শ দাঙি ধৰিছে আৰু মাদক দ্ৰব্যৰ সম্পূৰ্ণ নিষিদ্ধকৰণৰ দাবী তুলিছে। গাৱৰ মহিলাসকলে ৰাজ্যজুৰি সৰ্বাত্মক নিষিদ্ধকৰণত সফল হওক বা নহওক, তেওঁলোকে কিন্তু ক্ষমতাধিষ্ঠ চৰকাৰৰ ভোট কঁপাই তুলিছে।

## বেলট পেপাৰত থকা

বিহাৰ বিধানসভা নিৰ্বাচনৰ পৰা প্ৰথমবাৰৰ বাবে EVM বেলটত প্ৰাৰ্থীৰ ৰঙীণ ফটো আৰু স্পষ্ট ক্ৰমসংখ্যা প্ৰকাশিত হ'ব। এই পদক্ষেপৰ মূল লক্ষ্য হৈছে ভোটাৰসকলৰ বাবে প্ৰাৰ্থী চিনাক্তকৰণৰ প্ৰক্ৰিয়াক সহজ, স্বচ্ছ আৰু অধিক সুবিধাজনক কৰা, বুলি নিৰ্বাচন আয়োগে জানিছে। নিৰ্বাচন আয়োগৰ নতুন নিৰ্দেশনাৰ মূল বৈশিষ্ট্যসমূহ হ'ল- (১) নিৰ্বাচনী অধিনিয়ম, ১৯৬১ৰ বিধি ৪৯(খ)ৰ অধীনত বেলট পেপাৰৰ ব্যৱস্থাত সংশোধনী আনি এই নতুন পদ্ধতি কাৰ্যকৰী কৰা হৈছে। (২) প্ৰাৰ্থীৰ ফটোত তিনি-চতুৰ্থাংশ অংশত মুখ স্পষ্টভাৱে দৃশ্যমান হ'ব, যাতে ভোটাৰসকলে সহজে চিনি পায়। (৩)প্ৰাৰ্থীৰ নামৰ কাষত ক্ৰমসংখ্যা আৰু NOTA বিকল্প ভাৰতীয় সংখ্যাপদ্ধতিৰ গাঢ় ৩০ ফণ্টৰ আকাৰত মুদ্ৰিত হ'ব। (৪)সকলো প্ৰাৰ্থীৰ নাম একে ফণ্ট আৰু আকাৰত ছপা হ'ব, যাতে পঢ়াত সুবিধা হয়। (৫)বেলট পেপাৰৰ মুদ্ৰণৰ বাবে ৭০ জিএছএম মানৰ কাগজ ব্যৱহাৰ কৰা হ'ব। বিধানসভা নিৰ্বাচনৰ ক্ষেত্ৰত গোলাপী ৰঙৰ বিশেষ কাগজ ব্যৱহৃত হ'ব। এই নতুন ব্যৱস্থা প্ৰথমে বিহাৰৰ বিধানসভা নিৰ্বাচনত পৰীক্ষামূলকভাৱে প্ৰয়োগ কৰা হ'ব। ইয়াৰ সফলতাৰ পিছত দেশৰ অন্যান্য ৰাজ্যত অনুষ্ঠিত সকলো নিৰ্বাচনত এই পদ্ধতি ক্ৰমান্বয়ে কাৰ্যকৰী কৰা হ'ব বুলি আয়োগে ঘোষণা কৰিছে। নিৰ্বাচন আয়োগৰ মতে, এই পদক্ষেপে ভোটাৰসকলৰ বাবে প্ৰাৰ্থী চিনাক্তকৰণৰ ক্ষেত্ৰত বিভ্ৰান্তি হ্ৰাস কৰিব আৰু ভোটদান প্ৰক্ৰিয়াক অধিক বিশ্বাসযোগ্য আৰু স্বচ্ছ কৰি তুলিব। বিশেষকৈ নিৰক্ষৰ বা কম শিক্ষিত ভোটাৰসকলৰ বাবে এই ব্যৱস্থা অধিক উপযোগী হ'ব বুলি আশা কৰা হৈছে। এই উদ্যোগে ভাৰতৰ নিৰ্বাচনী প্ৰক্ৰিয়াক আধুনিকীকৰণৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে গণ্য কৰা হৈছে। এই নতুন ব্যৱস্থাৰ ফলাফল আৰু ইয়াৰ প্ৰভাৱৰ ওপৰত সকলোৰ দৃষ্টি নিবদ্ধ হৈ আছে। বিহাৰ নিৰ্বাচনৰ পিছত এই পদ্ধতিৰ কাৰ্যকাৰিতাৰ ওপৰত ভিত্তি কৰি দেশৰ অন্যান্য নিৰ্বাচনত ইয়াৰ প্ৰয়োগৰ ভৱিষ্যত পৰিকল্পনা নিৰ্ধাৰণ কৰা হ'ব।

## সাহিত্য অকাডেমীৰ সচিবৰ

সমিতি (এল চি চি)ত এই অভিযোগ দাখিল কৰাৰ পিছত অকাডেমীয়ে তেওঁক "দুৰ্বল কাৰ্যদক্ষতা"ৰ অজুহাতত চাকৰিৰ পৰা আঁতৰাই দিছিল। দিল্লী উচ্চ ন্যায়ালয়ে এই সিদ্ধান্তক কেৱল অন্যায় আৰু অবৈধ বুলিয়েই নহয়, প্ৰতিহিংসামূলক বুলিও ঘোষণা কৰিছে। ২০২৫ চনৰ ২৮ আগষ্টত দিয়া বিচাৰত ন্যায়ালয়ে অকাডেমী আৰু সম্পাদকৰ সকলো যুক্তি খাৰিজ কৰি মহিলাগৰাকীক পুনৰ নিজ পদত প্ৰতিষ্ঠিত কৰাৰ নিৰ্দেশ দিছে। উল্লেখ্য যে, আদালতে অকাডেমী আৰু সম্পাদকৰ নাম গোপন ৰখাৰ নিৰ্দেশ দিছে যদিও সেই সম্পৰ্কীয় প্ৰতিবেদন প্ৰকাশত কোনো বাধা নিদিলে। সাহিত্য অকাডেমীয়ে আদালতত এল চি চিৰ অধিকাৰক্ষেত্ৰক প্ৰশ্নবিদ্ধ কৰি তদন্তৰ বিৰোধিতা কৰিছিল আৰু দাবী কৰিছিল যে বিষয়টো তেওঁলোকৰ অভ্যন্তৰীণ অভিযোগ সমিতিৰ দায়িত্ব। কিন্তু উচ্চ ন্যায়ালয়ে স্পষ্ট কৰিছে যে এনে তদন্তৰ কৰ্তৃত্ব আইচিচিৰ নহয়, এলচিচিৰ। গুৰুত্বপূৰ্ণ যে, কৰ্মক্ষেত্ৰত মহিলাৰ যৌন নিৰ্যাতন (প্ৰতিৰোধ, নিষিদ্ধকৰণ আৰু প্ৰতিকাৰ) আইন, ২০১৩ (POSH আইন) অনুসৰি এলচিচি গঠন কৰা হয়। এই সমিতিয়ে এনে অভিযোগসমূহ চোৱা-চিতা কৰে য'ত আইচিচি উপলব্ধ নহয় বা অভিযুক্ত ব্যক্তিজন "নিয়োগকৰ্তা"ৰ শ্ৰেণীত পৰে, অৰ্থাৎ অভিযোগকাৰীৰ নিয়োগত তেওঁৰ গুৰুত্বপূৰ্ণ ভূমিকা থাকে। মহিলাগৰাকীয়ে অভিযোগ কৰিছে যে অকাডেমিৰ সভাপতি ড০ মাধৱ কৌশিক আৰু আইচিচিৰ সদস্যসকলে তেওঁক অভিযোগ প্ৰত্যাহাৰ কৰিবলৈ চাপ দিছিল। আইচিচিৰ এটা সভাত তেওঁক এনেকৈ কোৱা হৈছিল যে সচিবৰ বিৰুদ্ধে কোনো পদক্ষেপ লোৱা নহ'ব। ইয়াৰ ফলত মহিলাগৰাকীয়ে মানসিক যন্ত্ৰণা আৰু চাপত পৰিছে। আশ্চৰ্যৰ কথা যে এই গুৰুতৰ ঘটনাত জড়িত জ্যেষ্ঠ বিষয়াজনক চৰকাৰে সন্মানিত কৰিছে, যেতিয়া ভুক্তভোগীয়ে তেওঁৰ বিৰুদ্ধে লড়াই চলাই আছে। তেওঁক ক্ষমতাধাৰী নেতাসকলৰ সৈতে সাক্ষাৎ কৰাৰ সুযোগ দিয়া হৈছে আৰু ভাৰতৰ প্ৰতিনিধিত্বত বিশ্বৰ বিভিন্ন ঠাইলৈ পঠিওৱা হৈছে। স্মৰণীয় যে, কে শ্ৰীনিবাস ৰাওক ২০১৩ চনত সাহিত্য অকাডেমীৰ সম্পাদক পদত নিযুক্ত কৰা হৈছিল। উত্তৰ-পূৰ্বাঞ্চলৰ বাসিন্দা জুগনু (ছদ্মনাম)ক ২০১৮ চনৰ ফেব্ৰুৱাৰীত সাহিত্য অকাডেমীৰ এটা উচ্চ পদত নিযুক্ত কৰা হৈছিল। উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ অনুসৰি জুগনুৰ অভিযোগত উল্লেখ আছে যে চাকৰিৰ আৰম্ভণিৰে পৰা সম্পাদকে তেওঁক যৌন নিৰ্যাতনৰ স্বীকাৰ কৰিবলৈ আৰম্ভ কৰিছিল। ভুক্তভোগীৰ দাবী অনুসৰি এই নিৰ্যাতন বিভিন্ন ধৰণৰ আছিল— অবাঞ্চিত শাৰীৰিক স্পৰ্শ, যৌন সংস্পৰ্শ, অশ্লীল কথা আৰু যৌন হিংসা। শাৰীৰিক স্পৰ্শক বাধা দিলে ভয়ংকৰ পৰিণতিৰ ভাবুকি দিয়া হৈছিল বুলিও মহিলাগৰাকীয়ে কৈছে। তদুপৰি আঞ্চলিক পৰিচয়ৰ কাৰণে বৈষম্যৰ অভিযোগও উত্থাপন কৰিছে ভুক্তভোগীয়ে। দ্য ৱায়াৰৰ পূৰ্বৰ প্ৰতিবেদনত প্ৰকাশিত হৈছে যে, ২০১৮ চনৰ ৪ৰ পৰা ৬ ছেপ্টেম্বৰৰ মাজত প্ৰথম যৌন নিৰ্যাতনৰ ঘটনা সংঘটিত হৈছিল, যেতিয়া জুগনু সচিবৰ সৈতে কৰ্মসূত্ৰে লেহলৈ গৈছিল। সেই সময়ত মহিলাগৰাকী অলপতে বিবাহিত হৈছিল। অভিযোগত কোৱা হৈছে যে ৰাওৱে বিয়াৰ পিছত মহিলাগৰাকী "ডাঙৰ" হোৱাৰ কথা কৈছিল আৰু স্তনলৈ আঙুলিয়াই দেখুৱাইছিল। ২০১৮ চনৰ ১৪-১৫ ছেপ্টেম্বৰত অসম ভ্ৰমণৰ সময়ত সম্পাদকে গাড়ীৰ পিছৰ আসনত বহি থকা জুগনুৰ সন্মুখত এখন ডাঙৰ ছবি (সচিবলৈ উপহাৰ) ৰাখিছিল আৰু অভিযোগ অনুসৰি যদি ছবিখন অলপ ওখ হ'লে "তাইৰ সৈতে আৰু বহুত কাম কৰিব পাৰিলেহেঁতেন" বুলি কৈছিল। ২০১৮ চনৰ ১৪ নৱেম্বৰত গেংটক ভ্ৰমণত এদিন সন্ধিয়া সচিবে তেওঁৰ কান্ধত হাত দিছিল। মহিলাগৰাকীয়ে প্ৰতিবাদ কৰি চিঞৰিলে সম্পাদকে কৈছিল, "উত্তৰ-পূবৰ মহিলাসকলক 'শীতল' বুলি ভবা হয়।" ২০১৯ চনৰ ১৩-১৫ ছেপ্টেম্বৰত ৰাঁচীত সাদ্ৰী ভাষা সন্মিলনত প্ৰেছ ক্লাবৰ লিফটত সচিবে জোৰকৈ মহিলাগৰাকীৰ মুখত আঙুলি সোমোৱাবলৈ চেষ্টা কৰিছিল। অৱশেষত ২০১৯ চনৰ ৭ নৱেম্বৰত মহিলাগৰাকীয়ে সংগঠনৰ সভানেত্ৰীলৈ ইমেইল কৰি এই বিষয়ত অৱগত কৰি বহিঃৰাজ্যৰ স্বতন্ত্ৰ সমিতি গঠনৰ দাবী কৰিছে। কিন্তু আইচিচিৰ তদন্তৰ সিদ্ধান্ত ৰাষ্ট্ৰপতিয়ে গ্ৰহণ কৰে। উল্লেখযোগ্য যে, তেওঁ আইচিচিত অভিযোগ দাখিল নকৰিলেও তেওঁৰ দাবী যে, "ৰাষ্ট্ৰপতিয়ে মোৰ ইমেইলক অভিযোগ হিচাপে লৈ মোৰ অনুমতি অবিহনে আইচিচিলৈ পঠিয়াইছে।" তৎকালীনভাৱে ২০১৯ চনৰ ৯ নৱেম্বৰত উপ-সচিবলৈ এখন চিঠি লিখি তেওঁৰ চিন্তা প্ৰকাশ কৰে, যিখন কাৰ্যনিৰ্বাহক সমিতিলৈ পঠোৱা হয়। আবেদনকাৰীয়ে ২০১৯ চনৰ ৯ ডিচেম্বৰত আই চি চিলৈ লিখিছে যে ৫ ডিচেম্বৰ, ২০১৯ৰ সভাত অধ্যক্ষই অভিযোগ প্ৰত্যাহাৰ কৰিবলৈ চাপ দিছিল আৰু সচিবৰ বিৰুদ্ধে কোনো ব্যৱস্থা নলোৱাৰ কথা স্পষ্ট কৰিছিল। অৱশেষত ২০১৯ চনৰ ২৯ নৱেম্বৰত জুগনুৱে নতুন দিল্লী জিলাৰ জিলা দণ্ডাধীশৰ যোগাযোগ বিষয়া (এল চি চি)ৰ ওচৰত নিৰ্যাতনৰ লিখিত অভিযোগ দাখিল কৰে। এই সংস্থাটো POSH Act, 2013 ৰ অধীনত গঠিত। ১৬ ডিচেম্বৰ, ২০১৯ আৰু ১৬ জানুৱাৰী, ২০২০ তাৰিখৰ আদেশত এল চি চিয়ে বিষয়টোক প্ৰাথমিক শুনানিৰ যোগ্য বুলি স্বীকাৰ কৰি ৰায় দিয়ে যে 'সচিব' পদটো প'ছ আইনৰ ধাৰা ২(ছ)ৰ অধীনত 'নিয়োগকৰ্তা'ৰ সংজ্ঞাত পৰে। ইয়াৰ ফলত কমিটীয়ে জুগনুক অন্তৰ্বৰ্তীকালীন সাহায্য হিচাপে দৰমহাৰ সৈতে তিনি মাহৰ ছুটী দিয়াৰ সুপাৰিছ কৰে।

## ইজৰাইলী সেনাৰ বিমান

আক্ৰমণে স্থানীয় জনজীৱনক ভয়ংকৰ আতংকৰ মাজত নিমজ্জিত কৰিছে। স্থানীয় স্বাস্থ্য বিভাগৰ তথ্য অনুসৰি, মঙলবাৰে কমেও ৮০জন লোক নিহত হৈছে, আৰু বুধবাৰে পুনৰ ৩০ জনৰো অধিক লোকৰ মৃত্যুৰ খবৰ পোৱা গৈছে। আহতৰ সংখ্যা শতাধিক হোৱাৰ ফলত চিকিৎসালয়সমূহত ৰোগীৰ চাপ অসহনীয় হৈ পৰিছে, যাৰ ফলত চিকিৎসা প্ৰদানৰ ক্ষেত্ৰত জটিলতাৰ সৃষ্টি হৈছে। ইজৰাইলৰ প্ৰতিৰক্ষা মন্ত্ৰীয়ে এই আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰি জানিছে যে তেওঁলোকৰ মূল উদ্দেশ্য হৈছে পণবন্দীসকলৰ মুক্তি আৰু হামাছৰ শক্তি ধ্বংস কৰা। প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতানিয়াহুৱে স্পষ্টভাৱে ঘোষণা কৰিছে যে তেওঁৰ লক্ষ্য হৈছে গাজাত হামাছৰ শেষ দুৰ্গটো সম্পূৰ্ণৰূপে নিৰ্মূল কৰা। এই আক্ৰমণৰ ফলত বহু সাধাৰণ পেলেষ্টাইনী নাগৰিকৰ মৃত্যু হৈছে বুলি অভিযোগ উঠিছে। ৰাষ্ট্ৰসংঘই এই অভিযানক "গণহত্যা" বুলি অভিহিত কৰি তীব্ৰ নিন্দা জনাইছে। গাজাৰ উপৰিও ইজৰাইলে ইৰাণ সমৰ্থিত হাউথী গোটকো লক্ষ্য কৰি য়েমেনৰ হোদেইদা বন্দৰত মঙলবাৰে আক্ৰমণ চলাইছিল, য'ত ১২টা ক্ষেপণাস্ত্ৰ নিক্ষেপ কৰা হৈছিল। যদিও আক্ৰমণৰ পূৰ্বে স্থানীয় লোকসকলক নিৰাপদে স্থানান্তৰৰ নিৰ্দেশ দিয়া হৈছিল, তথাপি বুধবাৰে নতুন কোনো আক্ৰমণৰ খবৰ পোৱা নাই। মঙলবাৰে নিশা গাজাৰ আকাশ বিমানৰ গৰ্জন, বোমাৰ বিস্ফোৰণ আৰু বন্দুকৰ গুলীৰ শব্দত কঁপি উঠিছিল। আতংকিত নাগৰিকসকলে ততাতৈয়াকৈ নিজৰ সামগ্ৰী সংগ্ৰহ কৰি নিৰাপদ স্থানৰ সন্ধানত পলায়নৰ চেষ্টা কৰিছে। ইজৰাইলৰ এই নিৰন্তৰ আক্ৰমণৰ ফলত গাজাৰ পৰিস্থিতি ক্ৰমান্বয়ে ভয়াৱহ হৈ পৰিছে, আৰু সাধাৰণ মানুহৰ জীৱন-জীৱিকা সংকটৰ মুখত পৰিছে। এই সংঘাতৰ ভৱিষ্যত প্ৰভাৱ আৰু আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ৰ প্ৰতিক্ৰিয়াৰ ওপৰত সকলোৰ দৃষ্টি নিবদ্ধ হৈ আছে।

## কংগ্ৰেছক মোডীৰ মাতৃৰ

কংগ্ৰেছক ছ'চিয়েল মিডিয়াত কৃত্ৰিম বুদ্ধিমত্তাৰ সহায়ত প্ৰকাশিত মোডীৰ মাতৃৰ সকলো ভিডিঅ' মচি পেলোৱাৰ নিৰ্দেশ বুধবাৰে আদালতে দিছে। অলপতে বিহাৰ কংগ্ৰেছে নিজৰ এক্স একাউণ্টত এটা এআই নিৰ্মিত ভিডিঅ' শ্বেয়াৰ কৰিছিল। তাৰ পিছতে প্ৰধানমন্ত্ৰী মোডীৰ মাতৃৰ এই এআই ভিডিঅ'ৰ বিৰোধিতাত পাটনা উচ্চ ন্যায়ালয়ত এটা জনহিতকৰ মামিলা (পিআইএল) দায়েৰ কৰা হয়। গোচৰৰ শুনানিত বুধবাৰে পাটনা উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ পি বি বজন্তৰীয়ে উল্লেখ কৰে যে এই ভিডিঅ'টোৱে সংবিধানৰ ২১ নং অনুচ্ছেদৰ অধীনত থকা গোপনীয়তা আৰু আত্মসন্মানৰ দৰে মূল অধিকাৰক লঙ্ঘন কৰিছে। এনে ধৰণৰ ভিডিঅ'সমূহ অসন্মানকৰ আৰু অস্বস্তিকৰ। সেয়েহে এইবোৰক ছ'চিয়েল মিডিয়াৰ পৰা তৎক্ষণাত আঁতৰাই পেলোৱা উচিত আৰু ইয়াৰ অধিক বিস্তাৰ ৰোধ কৰিবলৈ যথোচিত ব্যৱস্থা ল'ব লাগিব। উল্লেখযোগ্য যে ভিডিঅ'টো প্ৰকাশিত হোৱাৰ পিছত বিজেপিয়ে ইয়াক প্ৰধানমন্ত্ৰীৰ ওপৰত ব্যক্তিগত আক্ৰমণ বুলি দোষাৰোপ কৰে। জনোৱা হৈছে যে মোডীয়ে সদায় নিজৰ ৰাজনৈতিক জীৱনক ব্যক্তিগত জীৱনৰ পৰা পৃথক ৰাখি ভাল পায়। তেওঁৰ মাতৃক এনেদৰে লক্ষ্য কৰিলে কেৱল সমগ্ৰ দেশক বিভ্ৰান্ত কৰাই নহয়, দেশৰ সকলো মাতৃ আৰু ভগ্নীসকলক অসন্মান কৰা হয়। প্ৰধানমন্ত্ৰীয়ে নিজেই কৈছিল যে তেওঁৰ মাতৃৰ ৰাজনীতিৰ সৈতে কোনো যোগ নাই। তেন্তে তেওঁক বাৰম্বাৰ কিয় এই ফালে টানি অনা হৈছে? অৱশ্যে কংগ্ৰেছৰ ছ'চিয়েল মিডিয়া চেলৰ প্ৰধান পৱন খেৰাই উলটাকৈ কয় যে "এগৰাকী মাতৃয়ে নিজৰ ল'ৰাক ভাল শিক্ষা দিয়াৰ কথা কোৱাত কি অপমান আছে?" এই তীব্ৰ বিতৰ্কৰ মাজতে এতিয়া উচ্চ ন্যায়ালয়ে এই বিষয়ত হস্তক্ষেপ কৰিছে।

## গোলাঘাটত ভয়ংকৰ বানৰ

জলমগ্ন কৰি হাজাৰ হাজাৰ লোকৰ ঘৰ-বাৰী, কৃষিভূমি আৰু জীৱন-জীৱিকা ধ্বংস কৰিছে। জিলা তথ্য আৰু জনসংযোগ বিভাগৰ এক প্ৰেছ বিজ্ঞপ্তিৰ মতে, নাগালেণ্ডত ধাৰাসাৰ বৰষুণ আৰু নীপকোৰ দৈয়াং হাইড্ৰ' ইলেক্ট্ৰিক প্ৰজেক্টৰ পৰা পানী এৰি দিয়াৰ ফলত ধনশিৰি আৰু দৈয়াং নদীৰ জলপৃষ্ঠ অত্যন্ত উচ্চ পৰ্যায়ত উঠিছে। ফলত গোলাঘাট জিলাৰ গোলাঘাট, খুমটাই, মৰঙী, সৰুপথাৰ আৰু বোকাখাতৰ মুঠ পাঁচটা ৰাজহ চক্ৰ বানৰ কবলত পৰিছে। প্ৰাপ্ত তথ্য অনুসৰি, ১০০ৰো অধিক গাঁও পানীৰ তলত ডুবি গৈছে, আৰু প্ৰায় ১৩, ০১১জন লোক এই দুৰ্যোগৰ ফলত ক্ষতিগ্ৰস্ত হৈছে। বানৰ ফলত এতিয়ালৈ দুজন লোকৰ মৃত্যু হোৱাৰ দুখজনক খবৰ পোৱা গৈছে। অসম চৰকাৰে মৃতকৰ পৰিয়ালক ৪ লাখ টকাৰ এককালীন আৰ্থিক সাহায্য প্ৰদানৰ ব্যৱস্থা কৰিছে। জিলা প্ৰশাসনৰ তথ্য অনুসৰি, এতিয়ালৈ ৮৬৮জন লোক আৰু ৩৪৫টা পোহনীয়া জন্তুক উদ্ধাৰ কৰা হৈছে। এছডিআৰএফ আৰু এনডিআৰএফৰ দলসমূহে বানপীড়িত অঞ্চলত উদ্ধাৰ আৰু ত্ৰাণ কাৰ্য অব্যাহত ৰাখিছে। জিলা প্ৰশাসনে ২৮টা আশ্ৰয় শিবিৰ স্থাপন কৰি বানপীড়িত লোকসকলক খাদ্য, পানী আৰু পশুখাদ্যৰ দৰে প্ৰয়োজনীয় সামগ্ৰী বিতৰণ কৰিছে। জিলা প্ৰশাসনৰ বিষয়াসকলে বানপীড়িত অঞ্চলসমূহ পৰিদৰ্শন কৰি ক্ষতিগ্ৰস্ত লোকসকলৰ পৰিস্থিতিৰ মূল্যায়ন কৰিছে। জৰুৰীকালীন পৰিস্থিতিত সহায়ৰ বাবে জনসাধাৰণক জিলা নিয়ন্ত্ৰণ কক্ষৰ ০৩৭৭৪-২৮০২২২ আৰু ০৩৬৭৪-২৮১৫২৮ নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনোৱা হৈছে। প্ৰশাসনে ক্ষতিগ্ৰস্ত লোকসকলক সময়মতে সকলো প্ৰকাৰৰ সহায় আৰু সুবিধা প্ৰদানৰ আশ্বাস দিছে। খুমটাই সমষ্টিত বানৰ পৰিস্থিতি এতিয়াও অপৰিৱৰ্তিত হৈ আছে। মৰঙী মৌজাৰ ছখনতকৈ অধিক গাঁও বৰ্তমান জলমগ্ন। গাঁৱৰ পথ-ঘাটৰ ওপৰেৰে প্ৰচণ্ড সোঁতৰ পানী বৈ আছে। কেইবাদিন ধৰি অবিৰাম বৰষুণ আৰু ধনশিৰি নদীৰ জলপৃষ্ঠ বৃদ্ধিৰ ফলত দুসুতিমুখ, কেন্দুগুৰিৰ মিঠাম চাপৰি, কৰ্দৈগুৰি, ন-পমুৱা আদি ছখনতকৈ অধিক গাঁও পানীৰ তলত ডুবি গৈছে। এজন স্থানীয় বাসিন্দাই কয়, "ডেৰ মাহৰ আগতে হোৱা বানৰ পৰা আমি কিছু সঁকাহ পাইছিলোঁ, কিন্তু আকৌ এই দ্বিতীয় বানে আমাক বিপদত পেলাইছে। প্ৰশাসনে পৰিস্থিতিৰ খবৰ লৈছে, আৰু এছডিআৰএফ তথা এনডিআৰএফৰ দল উদ্ধাৰ কাৰ্যত নিয়োজিত হৈছে। মোৰ প্ৰায় ১৫ বিঘা কৃষিভূমি বানপানীয়ে ধ্বংস কৰিছে।" ইফালে, গোলাঘাট নগৰৰ ১ নং ৱাৰ্ডৰ মুক্তিধাম অঞ্চলত ধনশিৰি নদীৰ বাঢ়নী পানীয়ে ভয়ংকৰ পৰিস্থিতিৰ সৃষ্টি কৰিছে। এই অঞ্চলৰ প্ৰায় ৫০০ পৰিয়ালৰ বাসগৃহ বৰ্তমান পানীৰ তলত। বানপীড়িত লোকসকলে দুটা আশ্ৰয় শিবিৰত আশ্ৰয় লৈছে। জিলা প্ৰশাসনৰ তৎপৰতাৰ মাজতো বানৰ তীব্ৰতাৰ ফলত সৃষ্ট ক্ষয়-ক্ষতিৰ পৰিমাণে ৰাইজৰ মাজত উদ্বেগ বৃদ্ধি কৰিছে। প্ৰশাসনে পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে সৰ্বাত্মক প্ৰচেষ্টা চলাই আছে বুলি জানিব পৰা গৈছে।

## অৰুণাচল প্ৰদেশৰ মায়'ডিয়াত

জিলাৰ দুৰ্গম মায়'ডিয়া অঞ্চলত উদ্ভিদ বিজ্ঞানীৰ এটা দলে। 'হেমিপিলিয়া বেচিফোলিয়াটা' নামৰ এবিধ নতুন অৰ্কিড প্ৰজাতি আৱিষ্কাৰ কৰিছে। এই আৱিষ্কাৰ ভাৰতৰ ফুলৰ জৈৱ বৈচিত্ৰ্যৰ ক্ষেত্ৰলৈ এক বৃহৎ অৱদান হিচাপে গণ্য কৰা হৈছে। পূৰ্বতে এই অৰ্কিড প্ৰজাতিবিধ চীন দেশত থকাৰ তথ্য পোৱা গৈছে। উল্লেখযোগ্য যে ২০২৪ চনৰ জুন মাহত অৰুণাচল প্ৰদেশত প্ৰথমবাৰৰ বাবে ২৪০০ মিটাৰ উচ্চতাত এইবিধ অৰ্কিড পোৱা বুলি শেহতীয়াকৈ এখন আন্তঃৰাষ্ট্ৰীয় আলোচনীত প্ৰকাশ পাইছে। ব'টানিকেল চাৰ্ভে অৱ ইণ্ডিয়াৰ অৰুণাচল আঞ্চলিক কেন্দ্ৰৰ উদ্ভিদ জৰীপ বিজ্ঞানী ডঃ কৃষ্ণ চৌলুৱে জম্বে চেৰিং (অৰ্কিড গৱেষণা কেন্দ্ৰ, অৰুণাচল প্ৰদেশ চৰকাৰ)ৰ আৰু সহযোগী আব্বাৰেডী নাগেশ্বৰ ৰাও, কে আহমেদ কবীৰ আৰু অজিত সত্যজিতৰ সৈতে চলোৱা এক জৰীপত এই নতুন প্ৰজাতিৰ অৰ্কিডবিধ আৱিষ্কাৰ কৰে। হেমিপিলিয়া প্ৰজাতিৰ অন্তৰ্গত এই নতুন অৰ্কিডবিধ হেমিপিলিয়া প্যাবেৰুলাৰ সৈতে মিল খায় যদিও ইয়াৰ পৃথকতা হৈছে, অধিক সংখ্যক ফুল, সুকীয়া ফুলৰ আকৃতি আৰু মসৃণ পাহি। গৱেষকসকলে শ্ৰেণীবিভাজনত সহায়ক হোৱাকৈ এই নতুন অৰ্কিডবিধৰ বিশদ ৰূপতাত্ত্বিক বিশ্লেষণ আৰু ফটোগ্ৰাফ প্ৰদান কৰিছিল। তদুপৰি গৱেষকসকলে বনাঞ্চলখনত মাত্ৰ কেইজোপামানহে ফুল ফুলা গছ পৰ্যবেক্ষণ কৰিছিল, যাৰ ফলত ইয়াৰ সীমিত সংখ্যক অৱস্থিতিৰ বিষয়ে তেওঁলোকে উদ্বেগ প্ৰকাশ কৰিছে ।বিশেষজ্ঞসকলে সকীয়াই দিছে যে বাসস্থানৰ অৱক্ষয় আৰু জলবায়ু পৰিৱৰ্তনে এই বিৰল প্ৰজাতিটোৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিব পাৰে। সততে "ভাৰতৰ অৰ্কিড স্বৰ্গ" বুলি অভিহিত কৰা অৰুণাচল প্ৰদেশত ইতিমধ্যে ৬০০ৰো অধিক নথিভুক্ত অৰ্কিড প্ৰজাতি আছে। যি সমগ্ৰ দেশৰ ৪০%। এই আৱিষ্কাৰে জৈৱ বৈচিত্ৰ্যৰ ক্ষেত্ৰত পূব হিমালয়ৰ বিশ্বব্যাপী গুৰুত্ব আৰু অধিক শক্তিশালী কৰি তুলিছে। অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডুৱে দলটোক অভিনন্দন জনাই কয় যে, "এই উল্লেখযোগ্য আৱিষ্কাৰে অৰুণাচল প্ৰদেশৰ চহকী জৈৱ বৈচিত্ৰ্যক আৰু অধিক সমৃদ্ধ কৰাৰ লগতে আমাক আমাৰ প্ৰাকৃতিক ঐতিহ্য ৰক্ষাৰ দায়িত্বৰ কথা সোঁৱৰাই দিয়ে।" অৰুণাচল প্ৰদেশৰ উপমুখ্যমন্ত্ৰী চৌনা মিনেও এই নতুন প্ৰজাতিৰ অৰ্কিড আৱিষ্কাৰ কৰা গৱেষক দলটোক অভিনন্দন জনাইছে।

## গৌৰাংগলাল দাসক দক্ষিণ

এক বিবৃতিত এই নিযুক্তিৰ কথা ঘোষণা কৰে। তেওঁৰ নতুন দায়িত্ব হিচাপে গৌৰাঙ্গলাল দাসে অচিৰেই ছিউলত ভাৰতৰ ৰাষ্ট্ৰদূতৰ পদ গ্ৰহণ কৰিব। গৌৰাঙ্গলাল দাসৰ এই নিযুক্তি ভাৰত আৰু দক্ষিণ কোৰিয়াৰ মাজৰ কূটনৈতিক সম্পৰ্কৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ পদক্ষেপ। তেওঁৰ পূৰ্বৰ অভিজ্ঞতাৰ ভিতৰত পূৰ্ব লাডাখত ভাৰত আৰু চীনৰ মাজৰ সীমান্ত সংঘাতৰ সময়ত দুয়োখন দেশৰ সম্পৰ্ক পুনৰ্গঠনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰাটোও অন্যতম। বৰ্তমানৰ ৰাষ্ট্ৰদূত অমিত কুমাৰৰ স্থানত তেওঁ এই দায়িত্ব গ্ৰহণ কৰিব। দক্ষিণ কোৰিয়াৰ ভাৰতীয় দূতাবাসে সামাজিক মাধ্যম প্লেটফৰ্ম এ'ত এই নিযুক্তিৰ কথা নিশ্চিত কৰি কয়, "গৌৰাঙ্গলাল দাসক ভাৰতৰ পৰৱৰ্তী ৰাষ্ট্ৰদূত হিচাপে নিযুক্ত কৰা হৈছে।" উল্লেখ্য যে, ভাৰত আৰু দক্ষিণ কোৰিয়াৰ মাজৰ কূটনৈতিক সম্পৰ্ক ১৯৭৩ চনত স্থাপিত হৈছিল আৰু ২০১০ চনত ইয়াক 'কৌশলগত অংশীদাৰিত্ব' আৰু ২০১৫ চনত 'বিশেষ কৌশলগত অংশীদাৰিত্ব'লৈ উন্নীত কৰা হৈছিল। ২০২৩ চনত দুয়োখন দেশে এই সম্পৰ্কৰ ৫০ বছৰ উদযাপন কৰিছিল। গৌৰাঙ্গলাল দাসৰ জন্ম অসমৰ বৰপেটাত। তেওঁ ১৯৯১ চনৰ এইচ এছ এল চি পৰীক্ষাত ৰাজ্যৰ শীৰ্ষ স্থান অধিকাৰ কৰিছিল। দিল্লীৰ ছেইণ্ট ষ্টিফেন্‌ছ কলেজ আৰু দিল্লী স্কুল অৱ ইকনমি'ৰ পৰা অৰ্থনীতিত স্নাতক আৰু স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা দাসে বেইজিং, ৱাশ্বিংটনৰ দৰে গুৰুত্বপূৰ্ণ কূটনৈতিক পদত সেৱা আগবঢ়াইছে। ইয়াৰ উপৰি প্ৰাক্তন প্ৰধানমন্ত্ৰী মনমোহন সিঙৰ কাৰ্যালয়তো তেওঁ কাৰ্যনিৰ্বাহ কৰিছিল। এই নিযুক্তিৰ পৰিপ্ৰেক্ষিতত সম্প্ৰতি দক্ষিণ কোৰিয়াৰ বিদেশ মন্ত্ৰী চো হ্যুনৰ নতুন দিল্লী সফৰৰ কথা উল্লেখযোগ্য। চো হ্যুনে ভাৰতৰ বিদেশ মন্ত্ৰী এছ জয়শংকৰৰ সৈতে দ্বিপাক্ষিক বৈঠকত অংশগ্ৰহণ কৰি ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশৰ পৰিৱৰ্তনৰ প্ৰশংসা কৰিছিল। তেওঁ ২০১৫-২০১৭ চনত ভাৰতত দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰদূত হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ সময়ত ভাৰতৰ সংস্কৃতি আৰু জনতাৰ উষ্ণতাৰ কথাও স্মৰণ কৰিছিল। গৌৰাঙ্গলাল দাসৰ এই নিযুক্তিয়ে অসমৰ বাবে এক গৌৰৱৰ বিষয়। তেওঁৰ অভিজ্ঞতা আৰু দক্ষতাৰ জৰিয়তে ভাৰত-দক্ষিণ কোৰিয়াৰ সম্পৰ্কক নতুন উচ্চতালৈ লৈ যোৱাৰ প্ৰত্যাশা কৰা হৈছে।

## উন্মুক্ত কালভাৰ্টত পৰি

প্ৰাণ পৰ্যন্ত কাঢ়ি লৈছে। শেহতীয়াকৈ যোৱা ১৪ ছেপ্টেম্বৰ তাৰিখে সন্ধ্যা প্ৰায় ৮ বজাত ডিগবৈ মুলিয়াবাৰী বজাৰৰ পৰা স্কুটীৰে বাপাপুংলৈ ওভতাৰ পথত ডিগবৈ-পেঙেৰী পথৰ এটা উন্মুক্ত কালভাৰ্টৰ ওপৰত দুৰ্ঘটনাত পতিত হয় পেঙেৰীৰ আদৰ্শ গাঁৱৰ বিপুল ফুকনৰ পুত্ৰ তথা 'ফায়াৰ ছেফটী'ৰ প্ৰশিক্ষাৰ্থী দৌলত ফুকন (১৯) আৰু তেওঁৰ বন্ধু ডিগবৈৰ কেন্দুগুৰি গাঁও নিবাসী জয়ন্ত বৰাৰ পুত্ৰ অংকুৰ বৰা (১৮)। ঘটনাত অংকুৰৰ বাঁওহাতখন ভাঙে আৰু গুৰুতৰভাৱে আহত দৌলতক সংকটজনক অৱস্থাত ডিব্ৰুগড়ৰ আদিত্য নাৰ্চিং হোমত ভৰ্তি কৰা হৈছিল যদিও চিকিৎসাৰত অৱস্থাত আজি মৃত্যু ঘটে। দৌলতৰ ব্ৰেইন অপাৰেচনকে ধৰি চিকিৎসাৰ নামত ইতিপূৰ্বেই পৰিয়ালে ৪ লক্ষাধিক টকা খৰচ কৰিছে। দুৰ্ভগীয়া পৰিয়ালটোৱে বিভিন্নজনৰ সহযোগ আৰু মাটি, গৰু-ছাগলী আদি বিক্ৰী কৰি সৰ্বস্বান্ত হৈ দৌলতক বচাবলৈ আপ্ৰাণ চেষ্টা কৰিও বিফল হ'ল। পথটোৰ সম্প্ৰসাৰণৰ নামত ঠিকাদাৰ মটলেবুদ্দিন আহমেদে দীৰ্ঘদিনৰ পূৰ্বেই পথৰ দুকাষে গাঁত খান্দি ৰখাৰ উপৰি প্ৰায় এক ডজন কালভাৰ্ট নিৰ্মাণৰ বেলিকা বিভাগীয় নীতি-নিৰ্দেশনা উলংঘা কৰাৰ অভিযোগো দীৰ্ঘদিনীয়া। সম্প্ৰতি পুৰ্ণোদ্যমে নিৰ্মাণকাৰ্য অব্যাহত আছে যদিও দীৰ্ঘদিনৰ পূৰ্বে খান্দি ৰখা গাঁতসমূহ হাবি-বন গজি ঢাকি ৰখাৰ ফলত এতিয়ালৈকে বহুকেইটা দুৰ্ঘটনা সংঘটিত হৈছে। একেদৰে নিৰ্মাণৰত কালভাৰ্টসমূহত উপযুক্ত নিচান নলগোৱাৰ ফলতেই সঘনাই উক্ত দুৰ্ঘটনাসমূহ সংঘটিত হৈছে। উল্লেখ্য যে, উক্ত দুৰ্ঘটনাটো সংঘটিত হোৱাৰ পাছতেই ঠিকাদাৰ পক্ষই ফিতা লগাই প্ৰতিবন্ধকতাৰ চিহ্ন লগোৱা দেখা গৈছে। উল্লেখ্য যে, আজি বিয়লি স্থানীয় দল-সংগঠন, মৃতকৰ সতীৰ্থ ছাত্ৰ-ছাত্ৰীসকল আৰু স্থানীয় ৰাইজে মৃতদেহ লৈ ঘটনাস্থলীত ঠিকাদাৰৰ গাফিলতিৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। মূল দাবীসমূহৰ ভিতৰত উপযুক্ত ক্ষতিপূৰণ প্ৰদান আৰু ঠিকাদাৰ মটলেবুদ্দিন আহমেদক 'ব্লেক লিষ্টেড' কৰাই আছিল অন্যতম। প্ৰতিবাদস্থলীত ডিগবৈ সমজিলা আৰক্ষী অধীক্ষক হিমাংশু গোঁহাই, এগৰাকী দণ্ডাধীশ আৰু ডিগবৈৰ অ'চি দিব্যজ্যোতি দত্ত উপস্থিত থাকি ঘটনাৰ বুজ লয়। ঘটনাস্থলীৰ কাৰ্যসূচীটো ৰাষ্ট্ৰীয় ঘাইপথলৈ যোৱাৰ পথত ডিগবৈৰ অ'চি দিব্যজ্যোতি দত্তৰ মধ্যস্থতাত মাৰ্ঘেৰিটাৰ ৰাজহ চক্ৰ বিষয়াৰে হোৱা বাৰ্তালাপৰ পাছত বিষয়টো সমাধানৰ পথলৈ আহে। শেষত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নেতৃত্বত কেইবাটাও সংগঠনে ডিগবৈ থানাৰ অ'চি দিব্যজ্যোতি দত্তৰ হাতত ডিগবৈ সমজিলা আয়ুক্তক উদ্দেশ্যি এক স্মাৰক পত্ৰও প্ৰদান কৰে। স্মাৰক পত্ৰত মটলেবুদ্দিন আহমেদৰ পূৰ্বাঞ্চল বিল্ডিং প্ৰাইভেট লিমিটেড নামৰ ফাৰ্মখনক ব্লেক লিষ্টেড কৰা, মৃতকৰ পৰিয়ালক এককালীন সাহায্য হিচাপে ৪০ লাখ টকা প্ৰদান কৰা, মৃতকৰ পৰিয়ালৰ এজন সদস্যক স্থায়ী মকৰলৰ ব্যৱস্থা কৰা, উক্ত দাবীসমূহৰ সঁহাৰি তিনিদিনৰ ভিতৰত স্পষ্ট কৰা আদিয়েই অন্যতম। উল্লেখ্য যে, সামাজিক মাধ্যমত প্ৰচাৰিত খবৰ অনুসৰি গুৱাহাটীস্থ ঠিকাদাৰ মটলেবুদ্দিন আহমেদক অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৌৰৱ গগৈয়ে সমিতিৰ কাৰ্যবাহী সদস্য পদৰ পৰা তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ ৬ মাহৰ বাবে নিলম্বন কৰিছে। পত্ৰখনত স্বাক্ষৰ কৰিছে প্ৰদেশ কংগ্ৰেছৰ সাংগঠনিক সাধাৰণ সম্পাদক বিপুল গগৈয়ে।

## ৪ অক্টোবৰত উজনি অসম

জনাইছে চুতীয়া যুৱ সন্মিলন, অসম চমুকৈ 'চাইছা'এ। এই সন্দৰ্ভত সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক প্ৰেছ বিবৃতিত চাইছা-এ উল্লেখ কৰিছে এনেদৰে - "ভূমিপুত্ৰ চুতীয়া জনগোষ্ঠীৰ লগতে ৰাজ্যৰ ছয় জনগোষ্ঠীক ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসুচীৰ আধাৰত জনজাতিকৰণৰ বিষয়টোৱে বিগত কেইবাটাও দশক অসমৰ আকাশ-বতাহ কঁপাই আহিছে। বিগত সময়বোৰত ছয় জনগোষ্ঠীয় ৰাইজক আৱেগিক কৰি জনজাতিকৰণৰ নামত চূড়ান্ত মিথ্যাচাৰ আৰু ভুৱা প্ৰতিশ্ৰুতিৰে শাসনাধিষ্ঠ চৰকাৰবোৰে ৰাইজক প্ৰতাৰণা কৰি আহিছে। ২০১৪ চনত দেশৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসমত বিজেপি চৰকাৰ আহিলে ১০০ দিনৰ ভিতৰত ছয় জনগোষ্ঠীক জনজাতি প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰিছিল আৰু অসমৰ জনগোষ্ঠীয় ৰাইজক জাতি-মাটি-ভেঁটি সুৰক্ষাৰ প্ৰতিশ্ৰুতি দিছিল। কিন্তু শাসনাধিষ্ঠ বিজেপি দলে কেন্দ্ৰত পোন্ধৰ বছৰ আৰু ৰাজ্যত দহ বছৰ শাসন কৰাৰ পাছতো আজিকোপতি জনজাতিকৰণৰ বিষয়টো এখোজো আগ নাবাঢ়িল। বৰঞ্চ নিজকে অসমৰ ত্ৰাণকৰ্তা বুলি অনুভৱ কৰা ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিগত এপ্ৰিল মাহত কেন্দ্ৰীয় জনজাতি মন্ত্ৰণালয়লৈ প্ৰতিবেদন দাখিল কৰাৰ প্ৰতিশ্ৰুতি দি ৰাজ্যৰ জনগোষ্ঠীয় ৰাইজক চূড়ান্ত ভেঙুচালিহে কৰিলে। গতিকে এইবাৰ চৰকাৰ আৰু ৰাজনৈতিক নেতাৰ মিছা প্ৰতিশ্ৰুতি জনগোষ্ঠীয় ৰাইজে নুশুনে। ৰাইজ স্বতঃস্ফূৰ্তভাৱে নিজৰ সাংবিধানিক অধিকাৰ বিচাৰি আজি ৰাজপথলৈ ওলাই আহিছে। ৰাইজক আজি প্ৰতিশ্ৰুতি নালাগে, সমাধান লাগে। সেয়েহে চুতীয়া জনগোষ্ঠীক জনজাতিকৰণৰ দাবীত চুতীয়া যুৱ সন্মিলন, অসম (চাইছা)-এ ৰাজ্যজুৰি জোঁৰ সমদল কাৰ্যসূচী চলাই থকাৰ মাজতে অহা ৪ অক্টোবৰ, ২০২৫ তাৰিখে উজনি অসম বন্ধৰ আহবান জনাইছোঁ লগতে জাতি ৰক্ষাৰ এই যুঁজত প্ৰতিজন অসমীয়া ৰাইজৰ পূৰ্ণ সহযোগিতা কামনা কৰিছোঁ। ২০২৬ ৰ বিধানসভা নিৰ্বাচনৰ আগত জনজাতিকৰণৰ মৰ্যাদা প্ৰদান নকৰিলে উদ্ভৱ হ'ব লগা যিকোনো পৰিস্থিতিৰ বাবে চৰকাৰ সাজু থাকিব লাগিব।"

## সংসদ ভৱন আক্ৰমণত

ভিডিঅ' বাৰ্তাৰ জৰিয়তে স্বীকাৰ কৰিছে যে সংগঠনটোৰ মুৰব্বী মাছুদ আজহাৰ ভাৰতৰ সংসদ ভৱনৰ লগতে দিল্লী আৰু মুম্বাইত সন্ত্ৰাসবাদী আক্ৰমণৰ পৰিকল্পনা আৰু সম্পাদনত প্ৰত্যক্ষভাৱে জড়িত আছিল। এই স্বীকাৰোক্তিৰ পিছত পাকিস্তান পুনৰবাৰ আন্তঃৰাষ্ট্ৰীয় মঞ্চত অস্বস্তিকৰ পৰিস্থিতিত পৰিছে, কিয়নো দেশখনে সন্ত্ৰাসবাদী সংগঠনক আশ্ৰয় দিয়াৰ অভিযোগ বাৰে বাৰে অস্বীকাৰ কৰি আহিছে। ৰাষ্ট্ৰসংঘৰ দ্বাৰা সন্ত্ৰাসবাদী হিচাপে ঘোষিত জৈছ-ই-মহম্মদৰ কমাণ্ডাৰ কাশ্মীৰীয়ে জানিছে যে ভাৰতৰ ম'ষ্ট ৱাণ্টেড তালিকাত থকা মাছুদ আজহাৰে পাঁচ বছৰৰ কাৰাদণ্ডৰ পিছত মুক্তি পাই পাকিস্তানৰ পৰা সন্ত্ৰাসবাদী কাৰ্যকলাপৰ পৰিকল্পনা কৰিছিল। তেওঁৰ মতে, আজহাৰে পাকিস্তানৰ বালাকোটত নিজৰ ঘাটি স্থাপন কৰিছিল, যিটো ২০১৯ চনত ভাৰতীয় বায়ুসেনাৰ এয়াৰষ্ট্ৰাইকৰ লক্ষ্য হিচাপে চিহ্নিত হৈছিল। কাশ্মীৰীয়ে ভিডিঅ'ত কয়, "দিল্লীৰ তিহাৰ জেলৰ পৰা মুক্তিৰ পিছত মৌলানা মাছুদ আজহাৰ পাকিস্তানত উপস্থিত হয়। বালাকোটৰ মাটিত তেওঁ নিজৰ সন্ত্ৰাসবাদী পৰিকল্পনা, অভিযান আৰু কাৰ্যকলাপৰ জৰিয়তে দিল্লী আৰু মুম্বাইত আক্ৰমণৰ ছক প্ৰস্তুত কৰে। এইদৰেই আমিৰ-উল-মুজাহিদিন মৌলানা মাছুদ আজহাৰৰ নেতৃত্বত ভাৰতত আতংকৰ সৃষ্টি হয়।" এই স্বীকাৰোক্তিয়ে জৈছ-ই-মহম্মদৰ সন্ত্ৰাসবাদী কাৰ্যকলাপৰ ওপৰত নতুন পোহৰ পেলাইছে আৰু পাকিস্তানৰ ভূমিকাৰ বিষয়ে আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ৰ মাজত পুনৰ প্ৰশ্ন উত্থাপন কৰিছে। ভাৰতৰ নিৰাপত্তা বাহিনীৰ বাবে এই তথ্য গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে, আৰু ইয়াৰ ফলত আগন্তুক দিনত সন্ত্ৰাসবাদ বিৰোধী অভিযান তীব্ৰতৰ হোৱাৰ সম্ভাৱনা আছে। এই ঘটনাৰ পৰিপ্ৰেক্ষিতত পাকিস্তানৰ ওপৰত আন্তঃৰাষ্ট্ৰীয় চাপ বৃদ্ধি পোৱাৰ সম্ভাৱনাও উৰিয়াই দিয়া হৈছে।

## দুৰ্নীতিৰ সম্ৰাজ্ঞী নূপুৰ

মুখ্যমন্ত্ৰীৰ তদাৰকী কোষৰ দল। দুটাকৈ লকাৰৰ পৰা উদ্ধাৰ কৰে ২৩ লাখ ৭৫ হাজাৰ টকা। প্ৰায় ৩ ঘণ্টা ধৰি চলা এই অভিযানৰ অন্তত উদ্ধাৰ হোৱা ধন লৈ যায় তদন্তকাৰী দলটোৱে। ধনৰ উপৰিও আন কোনো সামগ্ৰী উদ্ধাৰ হৈছেনে নাই সেই সন্দৰ্ভত এতিয়াও জানিব পৰা হোৱা নাই। নূপুৰ বৰাৰ সহযোগী হিচাপে পোহৰলৈ অহা সুৰজিৎ ডেকাকো আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি জেৰা অব্যাহত ৰাখিছে। অভিযোগ অনুসৰি লাট মণ্ডল সুৰজিৎ ডেকাৰে মিলি হিন্দু সম্প্ৰদায়ৰ ভূমি আন সম্প্ৰদায়ৰ লোকক বেআইনীভাৱে স্থানান্তৰ কৰিছিল নূপুৰ বৰাই। অভিযানকাৰী দলে ইতিমধ্যে ১ কোটিৰো অধিক ধন, সোণ আৰু হীৰাৰ অলংকাৰকে ধৰি বহু আপত্তিজনক সামগ্ৰী উদ্ধাৰ কৰিছে। লাট মণ্ডল সুৰজিৎ ডেকাক লগত লৈ বৰপেটাৰ শ্ৰীকামাৰ পথত থকা নূপুৰ বৰাৰ ভাৰাঘৰত সোমবাৰে অভিযান চলাইছিল মুখ্যমন্ত্ৰী তদাৰকী কোষে। ভাৰাঘৰৰ তিনিটা আলমিৰা ভাঙি নগদ ১০ লাখ ৫০ হাজাৰ টকাও জব্দ কৰে দলটোৱে। লগতে বহু গুৰুত্বপূৰ্ণ নথি পত্ৰ জব্দ কৰিছে। ইফালে লাট মণ্ডল সুৰজিৎ ডেকাৰ ঘৰতো দলটোৱে অভিযান চলাইছে। সুৰজিৎ ডেকাৰ ঘৰত চলা অভিযানত গুৰুত্বপূৰ্ণ নথিপত্ৰ উদ্ধাৰ কৰা হৈছে বুলি জানিব পৰা গৈছে। এই ঘটনা পোহৰলৈ অহাৰ পিছতে ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। সমগ্ৰ ঘটনা সন্দৰ্ভত বিভিন্ন সংগঠনেও বিৰূপ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। উল্লেখ্য যে ২০২৩ চনৰ ১৮ জুনত বৰপেটাৰ ৰাজহ চক্ৰ বিষয়া হিচাপে যোগদান কৰিছিল নূপুৰ বৰাই। তাৰ পিছত লাট মণ্ডল সুৰজিতৰ সৈতে মিলি ভূমিকেন্দ্ৰিক কেলেংকাৰীৰ জৰিয়তে ধন সংগ্ৰহৰ বজাৰখন মেলিছিল এ চি এছ বিষয়াগৰাকীয়ে। সেই কথা এতিয়া স্পষ্ট হৈ পৰিছে।

## পৰিবহণ নিগমৰ ৭৭১জন

কৰিছে, যিবোৰে ৰাজ্যিক চৰকাৰী নিয়ম-কানুনৰ স্পষ্ট উলংঘনক সূচায়। অভিযোগ অনুসৰি, এএছটিচিৰ প্ৰাক্তন পৰিচালন সঞ্চালক আনন্দ প্ৰকাশ তিৱাৰী আৰু খগেন্দ্ৰ নাথ চেতিয়াৰ নেতৃত্বত যথাযথ প্ৰক্ৰিয়া অবিহনে ২,২৭৪জন কৰ্মচাৰীক চুক্তিভিত্তিক নিযুক্তি দিয়া হৈছিল। এই নিযুক্তিসমূহত সংৰক্ষণ নীতি, সাক্ষাৎকাৰ পৰ্যায় আৰু নিৰ্বাচনৰ মানদণ্ডৰ দৰে মূল প্ৰয়োজনীয়তাসমূহক সম্পূৰ্ণৰূপে উপেক্ষা কৰা হৈছিল বুলি অনুসন্ধানত পোহৰলৈ আহিছে। ফলত, এই কৰ্মচাৰীসকলৰ চাকৰিৰ ভিত্তি দুৰ্বল হৈ পৰিছে আৰু ইয়াৰ ফলত নিগমৰ অভ্যন্তৰীণ ব্যৱস্থাপনাতো প্ৰভাৱ পৰিছে। বৰ্খাস্তৰ সিদ্ধান্তক প্ৰত্যাহ্বান জনাই কৰ্মচাৰীসকলে আদালতৰ কাষ চাপিছিল যদিও গুৱাহাটী উচ্চ ন্যায়ালয়ে তেওঁলোকৰ দাবীক খাৰিজ কৰি তিনিটা স্পষ্ট নিৰ্দেশনা জাৰি কৰিছে। প্ৰথমতে, অনুমোদিত পদসমূহ আনুষ্ঠানিকভাৱে পূৰণ নোহোৱালৈকে এই কৰ্মচাৰীসকলে সেৱাত থাকিব লাগিব। দ্বিতীয়তে, খালী পদসমূহ ঘোষণা হোৱাৰ পিছত তেওঁলোকে নিৰ্ধাৰিত পৰীক্ষা বা সাক্ষাৎকাৰৰ জৰিয়তে প্ৰতিযোগিতামূলকভাৱে অংশগ্ৰহণ কৰিব লাগিব, যাতে সকলোৱে সমান সুযোগ লাভ কৰে। তৃতীয়তে, ২০২৩ চনৰ পৰা বৰ্তমানলৈকে কোনোধৰণৰ দৰমহা বা আন সুবিধাৰ দাবী কৰিব নোৱাৰিব, যিটোৱে তেওঁলোকৰ আৰ্থিক অৱস্থাক প্ৰভাৱিত কৰিব পাৰে। ইয়াৰ উপৰিও, পৰিবহণ বিভাগে এই অনিয়মৰ বাবে প্ৰাক্তন পৰিচালন সঞ্চালকসকলক জগৰীয়া কৰিবলৈ পদক্ষেপ লৈছে। তেওঁলোকলৈ কাৰণ দেখুৱাই জাননী প্ৰেৰণ কৰা হৈছে, য'ত চৰকাৰী নীতি-নিয়ম উলংঘা কৰাৰ অভিযোগ উত্থাপন কৰা হৈছে। বিভাগটোৱে ৬০ দিনৰ ভিতৰত সম্পূৰ্ণ তদন্ত প্ৰক্ৰিয়া শেষ কৰিবলৈ নিৰ্দেশ দিছে, যাতে সকলো তথ্য সংগ্ৰহ কৰি দোষীসকলক উপযুক্ত শাস্তি দিয়া যায়। এই তদন্তৰ পিছত সকলো নিয়মবহিৰ্ভূত নিযুক্তিপ্ৰাপ্ত কৰ্মচাৰীক আনুষ্ঠানিকভাৱে বৰ্খাস্ত কৰা হ'ব বুলি জানিব পৰা গৈছে। এই ঘটনাই অসমত চৰকাৰী নিযুক্তি প্ৰক্ৰিয়াৰ স্বচ্ছতা আৰু ন্যায়পৰায়ণতাৰ প্ৰশ্ন উত্থাপন কৰিছে, লগতে অন্যান্য বিভাগসমূহতো অনুৰূপ অনুসন্ধানৰ সম্ভাৱনা বৃদ্ধি কৰিছে। কৰ্মচাৰীসকলৰ ভৱিষ্যত আৰু নিগমৰ কাৰ্যকৰিতাৰ ওপৰত এই সিদ্ধান্তৰ প্ৰভাৱ কেনেকুৱা হ'ব, সেয়া সময়ৰ লগত পোহৰলৈ আহিব।

## মই বেয়া মানুহ নহয়!

প্ৰশ্নৰ উত্তৰত কয় যে নিৰ্বাচনৰ ভোটগ্ৰহণৰ সময় চমু চাপি অহাৰ লগে লগে একাংশ লোকে তেওঁৰ বিৰুদ্ধে চক্ৰান্তৰ জাল বুনিছে। তেওঁ স্পষ্টভাৱে দাবী কৰে, "মই বেয়া মানুহ নহয়। ৰাজনৈতিক লাভৰ স্বাৰ্থত মোৰ বিৰুদ্ধে উত্থাপিত অভিযোগবোৰ সম্পূৰ্ণ মিছা। বড়োভূমিৰ ৰাইজ এতিয়া শিক্ষিত আৰু সচেতন, তেওঁলোকে ভাল-বেয়াৰ বিচাৰ কৰিব জানে।" প্ৰমোদ বড়োৱে কয় যে বড়োভূমিৰ ৰাইজ এতিয়া পূৰ্বৰ দৰে নিষ্ক্ৰিয় নহয়। শিক্ষিত আৰু শান্তিপ্ৰিয় জনগোষ্ঠীয়ে আগন্তুক বিটিআৰ নিৰ্বাচনত ইউপিপিএলক ভোট দি জয়যুক্ত কৰিব। তেওঁ দাবী কৰে যে বড়োভূমিৰ ৪০টা পৰিষদীয় সমষ্টিত ইউপিপিএলৰ বিশ হাজাৰতকৈ অধিক সমৰ্থক আছে। "আমি ২৬ ছেপ্টেম্বৰৰ নিৰ্বাচনী ফলাফলত একক সংখ্যাগৰিষ্ঠতা লাভ কৰি জয়ী হ'ম" বুলি তেওঁ আত্মবিশ্বাসেৰে কয়। বুধবাৰে বাক্সা জিলাৰ লগতে বড়োভূমিৰ অন্যান্য অঞ্চলত ইউপিপিএলৰ নিৰ্বাচনী প্ৰচাৰ তীব্ৰ গতিত চলি থকা দেখা গৈছে। প্ৰমোদ বড়োৱে কয় যে তেওঁৰ দলটোৱে অতি কম সময়ৰ ভিতৰতে বড়ো-অবড়ো সকলো সম্প্ৰদায়ৰ উন্নয়নৰ বাবে কাম কৰিছে। "ইউপিপিএলে ভাষিক আৰু সাংস্কৃতিক দিশত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছে। আমি বড়োভূমিত স্থায়ী শান্তি আৰু সকলো জনগোষ্ঠীৰ সামগ্ৰিক বিকাশৰ বাবে নিৰন্তৰ কাম কৰি আহিছো", তেওঁ উল্লেখ কৰে। প্ৰমোদ বড়োৱে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'সকলোৰে সৈতে সকলোৰে বিকাশ'ৰ নীতিৰ প্ৰতি দৃঢ় বিশ্বাস প্ৰকাশ কৰি কয় যে ইউপিপিএল এই নীতিৰ আধাৰত আগন্তুক দিনতো কাম কৰি যাব। তেওঁৰ নেতৃত্বত দলটোৱে বড়োভূমিৰ ২৬টা জনগোষ্ঠীৰ মাজত শান্তি আৰু সম্প্ৰীতি বজাই ৰাখিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। সাংবাদিকৰ সৈতে মতবিনিময়ৰ সময়ত প্ৰমোদ বড়োৱে বডোলেণ্ড পিপলছ ফ্ৰণ্ট (বিপিএফ)ৰ নেতা হাগ্ৰামা মহিলাৰীৰ তীব্ৰ সমালোচনা কৰে। তেওঁ কয়, "হাগ্ৰামা মহিলাৰীৰ দলৰ কোনো নিৰ্বাচনী এজেণ্ডা নাই। তেওঁলোক কেৱল সপোনৰ জগতত জীয়াই আছে।" তেওঁ আৰু কয় যে এই নিৰ্বাচনৰ পিছত বিপিএফ ৰাজনৈতিকভাৱে সম্পূৰ্ণ সংগীহীন হৈ পৰিব। "হাগ্ৰামাই কৌতুকধৰ্মী কথাৰে প্ৰচাৰ চলাইছে, কিন্তু বড়োভূমিৰ উন্নয়নৰ বাবে তেওঁৰ কোনো পৰিকল্পনা নাই। তেওঁ কেৱল ইউপিপিএলৰ প্ৰচাৰৰ সুৰ মিলাই মাটিৰ অধিকাৰৰ কথা আওৰাই ফুৰিছে" বুলি প্ৰমোদ বড়োৱে কটাক্ষ কৰে। ২২ ছেপ্টেম্বৰৰ বিটিআৰ নিৰ্বাচনৰ ভোটগ্ৰহণৰ বাবে মাত্ৰ কেইটামান দিন বাকী থকাৰ সময়ত বড়োভূমিত নিৰ্বাচনী প্ৰচাৰ তীব্ৰ হৈ পৰিছে। প্ৰমোদ বড়োৰ এই সভা আৰু মন্তব্যই ৰাজনৈতিক পৰিমণ্ডলত তীব্ৰ আলোড়নৰ সৃষ্টি কৰিছে। তেওঁৰ দৃঢ়তা আৰু আত্মবিশ্বাসে ইউপিপিএলৰ সমৰ্থকসকলৰ মাজত নতুন উদ্দীপনাৰ সঞ্চাৰ কৰিছে।

## মোদীৰ সভালৈ যোৱাত বিধি-পথালি দেৰগাঁৱৰ একাংশ অগপ নেতা-কৰ্মীক

**অসম বাৰ্তা, দেৰগাঁও, ১৭ ছেপ্টেম্বৰ ঃ** কালি নুমলীগড়ত নৰেন্দ্ৰ মোদীয়ে উদ্বোধন কৰা বায়' ৰিফাইনেৰীৰ সভালৈ যোৱাৰ পৰা বঞ্চিত হয় দেৰগাঁৱৰ একাংশ ৰাইজ। অগপ আৰু ভাজপা সন্মিলনীত চৰকাৰৰ অংশীদাৰ অগপ নেতা-কৰ্মীৰ বাবে ঠাই নহ'ল বিনামূলীয়া গাড়ীত। কেৱল ভাজপাৰ কৰ্মীৰ বাবে গাড়ীৰ ব্যৱস্থা কৰাৰ অভিযোগ কৰে সভালৈ যোৱাৰ পৰা বঞ্চিত অগপ কৰ্মীসকলে। জানিব - পৰা মতে, সভালৈ যাবৰ বাবে দিয়া হৈছিল বিনামূলীয়া বাহন। কিন্তু বাহনৰ অভাৱত দেৰগাঁও গাঁও পঞ্চায়তৰ সভাপতি ৰিংকু ৰবিদাস আৰু ৱাৰ্ড সদস্য চুনু ঘাটোৱাৰে আজি নুমলীগড়ত অনুষ্ঠিত হ'ব লগীয়া প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ - সভাত উপস্থিত থাকিবলৈ নাপাই সংবাদ মাধ্যমৰ আগত ক্ষোভ প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে ৰিংকু ৰবিদাস অসম গণ পৰিষদৰ দলৰ নেতা আৰু দেৰগাঁও গাঁও পঞ্চায়তৰ সভাপতি। যিহেতু নুমলীগড়ত প্ৰধানমন্ত্ৰীৰ সভাত অংশগ্ৰহণ কৰিবৰ বাবে সকলোকে বাহনৰ সুবিধা কৰি দিয়া হৈছিল, তেনেক্ষেত্ৰত - দেৰগাঁৱৰ একাংশ অসম গণ পৰিষদ দলৰ কৰ্মকৰ্তাক বাহনত উঠিবলৈ নিদিয়াৰ অভিযোগ উত্থাপন কৰিছে দেৰগাঁও গাঁও পঞ্চায়তৰ সভাপতিকে ধৰি অসম গণ পৰিষদ বিভিন্ন দলীয় কৰ্মীসকলে। দেৰগাঁও গাঁও পঞ্চায়তৰ সভাপতিকে ধৰি অসম গণ পৰিষদ দলৰ বিভিন্ন বিষয়ববীয়া আৰু কৰ্মকৰ্তাসকলক বাহনৰ অপেক্ষাত ৰৈ থকা পৰিলক্ষিত হয়।

## শিৱসাগৰত সেৱা সপ্তাহ উপলক্ষে স্বেচ্ছামূলক ৰক্তদান শিবিৰ অনুষ্ঠিত

**ষ্টাফৰিপটাৰ,শিৱসাগৰ, ১৭ ছেপ্টেম্বৰ ঃ** সমগ্ৰ দেশ তথা ৰাজ্যৰ লগতে শিৱসাগৰ জিলাতো আজিৰে পৰা বিভিন্ন কাৰ্যসূচীৰে আৰম্ভ হৈছে "সেৱা সপ্তাহ" উদ্‌যাপন। "সেৱা সপ্তাহ" উপলক্ষে আজি শিৱসাগৰ জিলাৰ জিলা আয়ুক্ত আয়ুষ গৰ্গে স্থানীয় উড আৰ্বান আদৰ্শ চিকিৎসালয়ত আয়োজিত এক স্বেচ্ছামূলক ৰক্তদান শিবিৰৰ শুভ উদ্বোধন কৰে। জিলা আয়ুক্ত গৰাকীয়ে উক্ত ৰক্তদান শিবিৰত অংশগ্ৰহণ কৰি নিজেও ৰক্তদান কৰে। অনুষ্ঠানত মধ্যপ্ৰদেশৰ পৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত আয়োজিত 'সুস্থ নাৰী সুস্থ পৰিয়াল' শীৰ্ষক ৰাষ্ট্ৰীয় অভিযানৰ শুভ উদ্বোধন কাৰ্যসূচীৰ পোনপটীয়া সম্প্ৰচাৰ কৰা হয়। উল্লেখ্য যে, উড আৰ্বান আদৰ্শ চিকিৎসালয়ৰ সমান্তৰালকৈ জয়সাগৰস্থিত শিৱসাগৰ অসামৰিক চিকিৎসালয়তো এক স্বেচ্ছামূলক ৰক্তদান শিবিৰৰ আয়োজন কৰা হয়। ৰক্তদান শিবিৰত জিলা প্ৰশাসন, আৰক্ষী বিভাগ, কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বল (CRPF), ৰেড ক্ৰচ ছছাইটি, বেচৰকাৰী সংস্থা, বিভিন্ন সামাজিক-সাংস্কৃতিক অনুষ্ঠান-প্ৰতিষ্ঠান, গৰিষ্ঠ সংখ্যক ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় ৰাইজে অংশগ্ৰহণ কৰি ৰক্তদান কৰে। জিলা আয়ুক্ত শ্ৰী গৰ্গে উক্ত শিবিৰ আয়োজনৰ ক্ষেত্ৰত জিলাবাসীয়ে প্ৰদৰ্শন কৰা বিপুল সহাঁৰিৰ প্ৰতি কৃতজ্ঞতা আৰু অভিনন্দন জ্ঞাপন কৰে।অনুষ্ঠানত জিলা উন্নয়ন আয়ুক্ত সমীৰণ বৰা, অতিৰিক্ত জিলা আয়ুক্ত (স্বাস্থ্য) মীনাক্ষী পেৰ্মে, অতিৰিক্ত আৰক্ষী অধীক্ষকদ্বয় মইদুল ইছলাম আৰু প্ৰকাশ মেধি, শিৱসাগৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া চৈয়দ নেকিব বৰুৱা, সহকাৰী আয়ুক্তদ্বয় কে. এন. চন্দনা জাহ্নৱী আৰু গণেশ চন্দ্ৰ বড়ো, স্বাস্থ্য বিভাগৰ যুটীয়া স্বাস্থ্যসেৱা সঞ্চালক ডাঃ মাখন চন্দ্ৰ কলিতা, ৰক্ত ভড়ালৰ ন'ডেল বিষয়া ডা: আমিনুৰ ৰহমান প্ৰমুখ্যে জিলা প্ৰশাসন, আৰক্ষী বিভাগ, বিভিন্ন চৰকাৰী বিভাগৰ বিষয়া-কৰ্মচাৰীৰ লগতে বিভিন্ন সামাজিক অনুষ্ঠান প্ৰতিষ্ঠানৰ প্ৰতিনিধিবৰ্গ উপস্থিত থাকে।

# গৰীয়া জনগোষ্ঠীৰ বিভিন্ন সমস্যা সমাধানৰ দাবীত মুখ্যমন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰেৰণ

**অসম বাৰ্তা, অভয়াপুৰী, ১৭ ছেপ্টেম্বৰ ঃ** সদৌ অসম গৰীয়া জাতীয় পৰিষদৰ বঙাইগাঁও জিলা সমিতিয়ে আজি বঙাইগাঁও জিলা আয়ুক্তৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰীলৈ এখন স্মাৰকপত্ৰ প্ৰদান প্ৰেৰণ কৰে। বঙাইগাঁও জিলা সমিতিৰ বিষয়ববীয়াৰ সৈতে ৰাজ্যিক সমিতিৰ যুটীয়া সম্পাদক নুৰুল আমিনৰ নেতৃত্বত উক্ত স্মাৰক পত্ৰ প্ৰদান কৰা হয়। দাখিলকৃত স্মাৰকপত্ৰত উল্লেখ কৰা মতে চৰকাৰে গৰীয়া জনগোষ্ঠীৰ বিভিন্ন খিলঞ্জীয়া মুছলমান সকলৰ ১৫০জন প্ৰতিনিধি আমন্ত্ৰণ কৰি সেই জনগোষ্ঠীয় সমূহৰ সমস্যা বিষয়ে যি 'আলাপ-আলোচনা' কৰি ৭খন উপ সমিতি গঠন কৰিদিছিল চৰকাৰে সেই উপ সমিতিৰ দ্বাৰা জনগোষ্ঠী কেইটাৰ বিভিন্ন সমস্যাৰ ক্ষেত্ৰত প্ৰতিবেদন বিচাৰিছিল। পৰৱৰ্তী সময়ত উপ সমিতিসমূহে প্ৰতিবেদন প্ৰদান কৰিল। কিন্তু প্ৰতিবেদন দাখিল কৰা ৪ বছৰ পাৰ হোৱাৰ পিছতো জনগোষ্ঠী কেইটাৰ সমস্যা সমূহৰ সমাধানৰ ক্ষেত্ৰত চৰকাৰে যথোপযুক্ত একো ব্যৱস্থা গ্ৰহণ নকৰিল। আনহাতে ৭খন উপ সমিতিৰ সাংস্কৃতিক পৰিচয় উপ সমিতিৰ মুখ্য ৰাচবিৰ হুছেইনে গৰীয়া সকলক যুদ্ধবন্দী হিচাপে অভিহিত কৰিছিল যি কাৰ্য পৰৱৰ্তী সদয়ত সদৌ অসম গৰীয়া জাতীয় পৰিষদৰ ফালৰ পৰা বিৰোধিতা কৰা হৈছিল। সংগঠনটোৰ মতে উপ সমিতিখনে বিকৃত কৰা সংজ্ঞা শুদ্ধ কৰাৰ বাৰে দাবী উৎখাপন কৰাৰ পাছত সেই সংজ্ঞা শুদ্ধ কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল যদিও আজিলৈ গৰীয়া জনগোষ্ঠীৰ ভুল সংজ্ঞাটো শুদ্ধ নকৰিল। ইয়াৰ উপৰি ২০২২ চনৰ ৫ জুলাইত অসম চৰকাৰৰ কেবিনেটৰ সিদ্ধান্ত মৰ্মে গৰীয়া জনগোষ্ঠীৰ সহিতে ৫টা জনগোষ্ঠীক খিলঞ্জীয়া বুলি স্বীকৃতি প্ৰদান কৰিলে কিন্তু আজিলৈ সেই সিদ্ধান্তৰ ৰাজপত্ৰ ৰাজহুৱা নকৰিলে। ইপিনে ভূমিহীন গৰীয়া জনগোষ্ঠী লোক সকলক মিচন বসুন্ধৰা আঁচনিত বঞ্চিত কৰা, বহু গৰীয়া লোকক ডি ভোটাৰ সজোৰা বিষয়টোত সংগঠনটোৱে উদ্বেগ প্ৰকাশ কৰি ট্ৰাইবেল বেল্টত গৰীয়াক সংৰক্ষিত জনগোষ্ঠীৰ মৰ্য্যদা প্ৰদান কৰা, বুৰঞ্জী প্ৰসিদ্ধ গৰীয়া জনগোষ্ঠীয় লোকসকলৰ স্মৃতি সংৰক্ষণৰ ব্যৱস্থা কৰা, আৰু খিলঞ্জীয়া জনগোষ্ঠী হিচাপে গৰীয়া সকলক উচ্ছেদৰ ক্ষেত্ৰত ৰেহাই দিয়াৰ দাবী জনাই আজি সংগঠনটোৱে বঙাইগাঁও জিলা আয়ুক্তৰ জৰিয়তে ৰাজ্যৰ মুখ্যমন্ত্ৰীলৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰে।

# মাজুলীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ ৭৫ সংখ্যক জন্ম দিৱসৰ লগত সংগতি ৰাখি ৰক্তদান শিবিৰ

**অসম বাৰ্তা, উজনী মাজুলী, ১৭ ছেপ্টেম্বৰ ঃ** মাজুলী জিলা প্ৰশাসন আৰু জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত কাইলৈ অনুষ্ঠিত হ'বলগীয়া স্বেচ্ছামূলক ৰক্তদান শিবিৰ উপলক্ষে গড়মূৰ কৃষ্ণ নগৰস্থিত সংহত জিলা আয়ুক্ত কাৰ্যালয়ত আজি ৰক্তদান কৰিবলগীয়া লোক সকলৰ পৰীক্ষণ আৰু পঞ্জীয়ন শিবিৰ অনুষ্ঠিত হয়। মাজুলী জিলা প্ৰশাসন আৰু জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৭৫ সংখ্যক জন্মদিন উপলক্ষে হ'বলগীয়া ৰক্তদান শিবিৰ উপলক্ষে প্ৰাক ৰক্তদান আৰু পঞ্জীয়ন শিবিৰ সন্দৰ্ভত অনুষ্ঠিত আৰু মাজুলী শ্ৰীশ্ৰী পীতাম্বৰদেৱ গোস্বামী জিলা চিকিৎসালয়ৰ ভাৰপ্ৰাপ্ত অধীক্ষক ডাঃ মাণিক মিলিয়ে আঁত ধৰা সভাত বিধায়ক ভুবন গাম, জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক, জেষ্ঠ আৰক্ষী অধীক্ষক বিবেকানন্দ দাস, জিলা বিজেপি সভাপতি দীপক গোস্বামী, গণশক্তি দলৰ জিলা সভাপতি ৰঞ্জিত দলে, ৰেণামালা দত্তই ৰক্তদান কৰি মহানতাৰ পৰিচয় দিবলৈ উপস্থিত সকলোকে আহবান জনায়। জিলা যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ কিশোৰ কুমাৰ কমানে মাজুলীৰ বিভিন্ন ৰোগত আক্ৰান্ত লোকৰ বাবে যথেষ্ট ৰক্তৰ প্ৰয়োজন হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন উপলক্ষে আয়োজন কৰা ৰক্তদান শিবিৰত সকলোকে স্বইচ্ছাই ৰক্তদান কৰাৰ আহবান জনায়। লগতে তেওঁ ৰক্তদান কৰাৰ জৰিয়তে হোৱা উপকাৰ আদিৰ বিষয়ে উপস্থিত সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। তেওঁ অহা ২২ ছেপ্তেম্বৰত যক্ষ্মা ৰোগীক পৰিপুষ্টি খাদ্যৰ পেকেট (নি'য়মিত্ৰ) বিতৰণৰ এক অনুষ্ঠান ৰঙাচাহী মহাবিদ্যালয় অনুষ্ঠিত হ'ব আৰু ২৩ ছেপ্তেম্বৰত উক্ত মহাবিদ্যালয়তে সকলো বিভাগৰ বিশেষজ্ঞ চিকিৎসকৰ উপস্থিতিত বৃহৎ মেগা চিকিৎসা শিবিৰ অনুষ্ঠিত হ'ব বুলি সদৰি কৰে আৰু সকলোৰে সহযোগিতা কামনা কৰে। সভাত উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ৰ অধ্যক্ষা ড° জাহ্নৱী লহকৰ বৰুৱা, পূব মাজুলী মহাবিদ্যালয়ৰ অধ্যাপক প্ৰশান্ত ভৰালী, জেংৰাইমুখ মহাবিদ্যালয়ৰ অধ্যাপক বিনোদ দাস, জিলা পৰিষদৰ সভানেত্ৰী নৱনীতা দাস প্ৰমুখ্যে জিলা বিজেপিৰ অন্তৰ্গত মৰ্চাৰ বিষয়ববীয়া-সদস্য, স্বেচ্ছাসেৱী সংগঠনৰ বিষয়ববীয়া সদস্যই নিজা নিজা বেনাৰ লৈ পৰীক্ষণ আৰু পঞ্জীয়ন শিবিৰত উপস্থিত থাকে। প্ৰায় শতাধিক ৰক্তদান কৰিবলৈ আগ্ৰহী লোকৰ হিমগ্ল'বিন, মধুমেহ, ৰক্তচাপ আদি পৰীক্ষা কৰা হয়। আজি তেজ আদি পৰীক্ষা কৰা সকলৰ কিমান গৰাকীয়ে কাইলৈ ৰক্তদান কৰিব পাৰিব স্বাস্থ্য বিভাগে পৰীক্ষাৰ অন্তত জনাব। যি সকলে আজি অহা নাই ইচ্ছুক সকলে কাইলৈ স্বাস্থ্য পৰীক্ষা কৰি ৰক্তদান কৰিব পাৰিব।

# তিনিচুকীয়াত ৰক্তদান শিবিৰ; ৩৩ ইউনিট ৰক্ত সংগ্ৰহ

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১৭ ছেপ্টেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ স্বাস্থ্য সমিতিয়ে উত্তৰ পূব ৰে'লৱেৰ তিনিচুকীয়া সংমণ্ডলৰ সহযোগত বুধবাৰে তিনিচুকীয়াত এটা স্বেচ্ছামূলক ৰক্তদান শিবিৰ সফলতাৰে আয়োজন কৰে। শিবিৰটো এন এফ ৰেলৱে চিকিৎসালয় আৰু লোকপ্ৰিয় গোপীনাথ বৰদলৈ অসামৰিক চিকিৎসালয়ৰ ব্লাড বেংকত অনুষ্ঠিত হয়। এই শিবিৰটো "সেৱা হি সমৰ্পণ" শীৰ্ষক সেৱা সপ্তাহৰ অংশ হিচাপে অনুষ্ঠিত কৰা হয়। শিবিৰটো উদ্বোধন কৰে তিনিচুকীয়াৰ বিধায়ক সঞ্জয় কিশানে। তেওঁ স্বেচ্ছামূলক ৰক্তদানৰ জীৱন ৰক্ষাৰ গুৰুত্বৰ ওপৰত বিশেষভাৱে আলোকপাত কৰি কয়, "আমি সকলো দাতাক গভীৰ কৃতজ্ঞতা জনাইছোঁ। এক ইউনিট ৰক্তই তিনিজনলৈকে লোকৰ জীৱন ৰক্ষা কৰিব পাৰে। ই সমাজিক একতাৰ সঁচা প্ৰতিফলন।" শিবিৰটোত মুঠ ৩৩ ইউনিট ৰক্ত সংগ্ৰহ কৰা হয় আৰু এন এফ ৰেলৱে কৰ্মচাৰীসকলৰ লগতে স্থানীয় বহু লোকে স্বেচ্ছাই ৰক্তদান কৰে। চিকিৎসক ডঃ নিৰোদ কুমাৰ বৰা সহ জ্যেষ্ঠ বিষয়াৰ উপস্থিতিয়ে দাতাসকলক উৎসাহিত কৰে। শিবিৰৰ অন্তত লোকপ্ৰিয় গোপীনাথ বৰদলৈ অসামৰিক চিকিৎসালয়ত এটি সমবৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হয়। ব্লাড বেংকৰ ন'ডেল বিষয়া ডঃ এছ দাহোটীয়া আৰু ৰাষ্ট্ৰীয় স্বাস্থ্য মিছন, তিনিচুকীয়াৰ দলটোৱে দাতাসকলক প্ৰমাণপত্ৰ আৰু উপহাৰ সামগ্ৰীৰে সন্মানিত কৰে। এই উদ্যোগে কেৱল জিলাৰ ৰক্ত ভাণ্ডাৰ শক্তিশালী কৰাই নহয়, সেৱা, সমৰ্পণ আৰু সমাজিক দায়িত্ববোধৰ মূল্যবোধো পুনৰ দৃঢ় কৰিছে।

### নাম-প্ৰসঙ্গ, ভাগৱত পাঠ, থিয়নাম পৰিবেশন

# নাচনকুটি নামঘৰৰ ভাদমহীয়া নামৰ সামৰণি

**অসম বাৰ্তা, বাসুগাঁও, ১৭ ছেপ্টেম্বৰ ঃ** পবিত্ৰ ভাদ মাহত মাহযোৰা নামপ্ৰসঙ্গৰ আজি সামৰণি পৰে নাচনকুটি প্ৰাথমিক নামঘৰত। নাচনকুটি হৈছে বঙাইগাঁও জিলাৰ সীমামূৰীয়া বিদ্যাপুৰ উপ আৰক্ষী চকীৰ অন্তৰ্গত। আজি সামৰণিৰ দিনা ৰাতিপুৱা নাম-প্ৰসঙ্গ, ভাগৱত পাঠ, থিয়নাম আদি অনুষ্ঠিত হয়। নাম-প্ৰসঙ্গৰ আঁতধৰে নামাচাৰ্য দ্বীজেন সিংহ বাপ, ভাগৱত পাঠ কৰে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ কোকৰাঝাৰ-চিৰাং জিলা শাখাৰ সভাপতি অশোক কুমাৰ ভকত বাপে। স্থানীয় আই-মাতৃসকলে থিয়নাম পৰিবেশন কৰে। উল্লেখযোগ্য যে অহা ৩ আৰু ৪ জানুৱাৰীত অনুষ্ঠিত হ'বলগীয়া কোকৰাঝাৰ-চিৰাং জিলা শাখাৰ ৰূপালী জয়ন্তীবৰ্ষ সম্পৰ্কে স্থানীয় ৰাইজক অৱগত কৰি সকলোৰে সহায়-সহযোগিতা কামনা কৰা হয় উক্ত অনুষ্ঠানতে। পবিত্ৰ ভাদমহীয়া নাম-প্ৰসঙ্গৰ আজি সফল ভাৱে সামৰণি পৰাত সকলোলৈকে কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰে নাচনকুটি প্ৰাথমিক নামঘৰৰ সভাপতি কেশৱ অধিকাৰী আৰু সম্পাদক সুভাষ সৰকাৰে। উল্লেখযোগ্য যে শ্ৰীমন্তশংকৰদেৱ সংঘ কোকৰাঝাৰ-চিৰাং জিলা শাখাৰ বাসুগাঁৱস্থ মুখ্য কাৰ্যালয় তথা নামঘৰ আৰু বাসুগাঁও বজাৰৰ কাষৰ ৰাজহুৱা নামঘৰত পবিত্ৰ মাহজোৰা ভাদমহীয়া নামৰ আজি আনুষ্ঠানিক ভাৱে নাম-প্ৰসঙ্গৰ আজি সামৰণি পেলায়।

# মেৰা যুৱ ভাৰত নগাঁও আৰু হোজাইৰ উদ্যোগত বিকাশ দিৱস উদযাপন




**অসম বাৰ্তা, নগাঁও, ১৭ ছেপ্টেম্বৰ ঃ** ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰণালয়ৰ অধীনস্থ মেৰা যুৱ ভাৰত নগাঁও আৰু হোজাইৰ উদ্যোগত বিকাশ দিৱস দিনজোৰা কাৰ্য্যসূচীৰে উদ্‌যাপন কৰা হয়। লংজাপ পাহাৰ উন্নয়ন সমিতিৰ ব্যৱস্থাপনাত যাদু পাহাৰ ৰঙ্গমঞ্চত অনুষ্ঠিত অনুষ্ঠানৰ অংশ হিচাবে ৰাতিপুৱা চাফাই অভিযানৰ পিছতেই বৃক্ষৰোপণ কৰা হয়। বিকাশ দিৱস উপলক্ষে অনুষ্ঠিত আলোচনা চক্ৰ লং জাপ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ৰাম কৃষ্ণ দাস ৰ সঞ্চালনাত মুকলি সভা অনুষ্ঠিত কৰা হয়। আদৰণি ভাষণ আগবঢ়ায় চাহ বাগিচাৰ নেতা বাপুৰাম মাৰ্জিয়ে। আলোচনা চক্ৰত মুখ্য বক্তা হিচাবে ভাষণ আগবঢ়ায় আয়ুৰ্বেদিক চিকিৎসক ছিদ্দিক আলিয়ে। ভাষনত বক্তা গৰাকীয়ে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ জন্ম দিন বিকাশ দিৱস হিচাপে উদ্‌যাপন কৰাৰ তাৎপৰ্য ব্যাখ্যা কৰাৰ লগতে ৰক্ত দান বিষয়ত এক মনন শীল বক্তৃতাৰে উপস্থিত সকলোকে মন্ত্ৰমুগ্ধ কৰে। ভাৰতৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিনৰ শুভেচ্ছা বাৰ্তা লগতে মোদী ডাঙৰীয়াৰ জীৱন দৰ্শনৰ ওপৰত বহুলভাৱে ভাষণ আগবঢ়ায় শিক্ষক বাবুলাল নাথ, শিক্ষয়িত্ৰী কল্পনা বৰুৱা, ববিতা খেলমা, বন্দনা দাস, বিতুপন ডেকা, মধু ডেকাই। সঞ্চালকৰ ভাষণত অধ্যক্ষ গৰাকীয়ে মেৰা যুৱ ভাৰত নগাঁৱলৈ বিকাশ দিৱসৰ অনুষ্ঠানৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। সভাত শলাগৰ শৰাই আগবঢ়াই ৰূপা ডেকাই। চম্পা ডেকাৰ নেতৃত্বত পৰিৱেশন কৰাঅসম সঙ্গীতেৰে সভা সামৰণি পৰে। বিকাশ দিৱস উদযাপনৰ অংশ হিচাবে মৰিকলং হিন্দুস্থানী নৱ যুৱক পূজা সমিতিৰ মুকলি মঞ্চত মিলন জ্যোতি সংঘৰ ব্যৱস্থাপনাত অনুষ্ঠিত দিনজোৰা কাৰ্য্যসূচীত স্বচ্ছ অভিযান বৃক্ষৰোপণ আদি কাৰ্য্যসূচীৰ অন্তত অনুষ্ঠিত আলোচনা চক্ৰত মুখ্য বক্তা হিচাবে বিশিষ্ট সমাজ সংগঠক সুভাষ দত্ত, ৰক্তিম বেজবৰুৱা, আই টি আই সৰ্বজনীন পূজা সমিতিৰ সম্পাদক প্ৰদীপ লোধ, সমাজ কৰ্মী প্ৰসেনজিৎ কলিতা আৰু শিক্ষক ৰাম অৱতাৰ পাছি বিকাশ দিৱসৰ তাৎপৰ্য সাৱলীলভাৱে বাখ্যা কৰি উপস্থিত শতাধিক ব্যক্তিক মোহাচ্ছন্ন কৰি তোলে। মিলন জ্যোতি সংঘৰ ৰিপণ গুহৰ কৃতজ্ঞতা জ্ঞাপনৰ পিছতে দিনজোৰা কাৰ্য্যসূচীৰ সফল সামৰণি পৰে।

# ডিব্ৰুগড়ত সদৌ অসম গৰীয়া জাতীয় পৰিষদৰ দাবী সম্বলিত মুখ্যমন্ত্ৰীলৈ স্মাৰক




**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৭ ছেপ্টেম্বৰ ঃ** সমগ্ৰ অসমৰ প্ৰতিখন জিলাতে সদৌ অসম গৰীয়া জাতীয় পৰিষদৰ জিলা সমিতি সমূহে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ ডিব্ৰুগড় জিলা আয়ুক্তৰ জৰিয়তে আজি (১৬-৯-২৫) এখনি স্মাৰক পত্ৰ প্ৰেৰণ কৰে। ডিব্ৰুগড় জিলা সমিতিৰ সঁজাতি দলটোত ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি দুলু হুছেইন, উপ-সভাপতি নাচিৰ আহমেদ আৰু জিলা তথা আঞ্চলিক সমিতিৰ আন আন বিষয়ববীয়া সকলো উপস্থিত থাকে। এই স্মাৰকপত্ৰত গৰীয়া জনগোষ্ঠীৰ দীৰ্ঘদিনিয়া সমস্যা যেনে বৰ্তমান চৰকাখনে বিভিন্ন খিলঞ্জীয়া মুছলমান সকলৰ ১৫০জন প্ৰতিনিধি আমন্ত্ৰণ কৰি সেই জনগোষ্ঠীয় সমূহৰ সমস্যা বিষয়ে আলোচনা কৰিছিল যিটো "আলাপ-আলোচনা" নামেৰে নামকৰণ কৰিছিল আৰু সেই আলোচনা জৰিয়তে ৭খন উপ সমিতি গঠন কৰি জনগোষ্ঠী কেইটাৰ বিভিন্ন সমস্যাৰ ক্ষেত্ৰত প্ৰতিবেদন বিচৰা হৈছিল। এই উপ সমিতিসমূহে প্ৰতিবেদন দাখিল কৰিলে যদিও চাৰি বছৰ পাৰ হোৱাৰ পিচতো জনগোষ্ঠী কেইটাৰ সমস্যা সমূহৰ ক্ষেত্ৰত একো ফলাফল দেখিবলৈ পোৱা নগ'ল। অসম চৰকাৰৰ কেবিনেত সিদ্ধান্ত মৰ্মে ৫ জুলাই ২০২২ ত গৰীয়া জনগোষ্ঠীৰ লগতে মুঠ ৫টা জনগোষ্ঠীক খিলঞ্জীয়া বুলি স্বীকৃতি প্ৰদান কৰিলে যদিও আজিলৈ সেই সিদ্ধান্তৰ ৰাজপত্ৰিত ৰাজহুৱা ভাৱে প্ৰকাশ কৰা নহ'ল। ভূমিহীন গৰীয়া জনগোষ্ঠী লোকসকলক মিচন বসুন্ধৰা আঁচনিতৰ পৰা বঞ্চিত কৰা, বহুতো গৰীয়া লোকক ডি ভোটাৰ সজোঁৱা, ট্ৰাইবেল বেল্টত গৰীয়াক সংৰক্ষিত জনগোষ্ঠীৰ মৰ্য্যদা প্ৰদান নকৰা, বুৰঞ্জী প্ৰসিদ্ধ গৰীয়া জনগোষ্ঠীয় লোকসকলৰ স্মৃতি সংৰক্ষণৰ ব্যৱস্থা নকৰা, আৰু খিলঞ্জীয়া জনগোষ্ঠী হিচাপে গৰীয়া সকলক উচ্ছেদৰ ক্ষেত্ৰত ৰেহাই নিদিয়া বাবে সদৌ অসম গৰীয়া জাতীয় পৰিষদে ক্ষোভ প্ৰকাশ কৰা তথা উল্লিখিত সমস্যা সমূহ অতি শীঘ্ৰে সমাধানৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰিবলৈ অসম চৰকাৰক এই স্মাৰক পত্ৰৰ দ্বাৰা আহ্বান জনোৱা হয়। আৰু শীঘ্ৰে গৰীয়া সকলোৰ দাবী সমূহ পূৰ্ণ কৰিব বুলি আশা প্ৰকাশ কৰে।

# সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বান মৰ্মে সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৭ ছেপ্টেম্বৰ ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বান মৰ্মে সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাই অসমৰ পৰা অবৈধ বাংলাদেশী , মৌলবাদী উৎখাত আৰু অসম চুক্তি ৰূপায়নেৰে অবৈধ বিদেশী প্ৰব্ৰজন সমস্যা সমাধানৰ দাবীত মঙ্গলবাৰে বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সভাপতি নৱজ্যোতি দাস, সাধাৰণ সম্পাদক তৌফিকুৰ ৰহমানৰ নেতৃত্বত ওলোৱা বিক্ষোভ কাৰ্য্যসূচীটো কামৰূপ জিলা আয়ুক্তৰ কাৰ্য্যালয়ৰ সন্মুখত ৰূপায়ণ কৰে। এই উপলক্ষে ছাত্ৰ সন্থাৰ কৰ্মী সকলে বিক্ষোভ প্ৰদৰ্শন কৰি অসম চৰকাৰ হায় হায়, অসমৰ পৰা অবৈধ বাংলাদেশীক উৎখাত কৰক, অসম চুক্তি ৰূপায়ন কৰক, মৌলবাদীক উৎখাত কৰক, ভাৰত, বাংলাদেশ সীমান্ত চীল কৰক, সদৌ কামৰূপ জিলা ছাত্ৰ সন্থা জিন্দাবাদ আদি শ্লোগান দি পৰিবেশ উত্তাল কৰি তোলে। প্ৰতিবাদী কাৰ্য্যসূচীটো অংশ গ্ৰহণ কৰি সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্য্যালয় সম্পাদক ভৰজ্যোতি ডেকাই কয় যে, অসমৰ পৰা অবৈধ বাংলাদেশীক উৎখাত কৰিব লাগে, ভাৰত-বাংলাদেশ সীমান্ত ছীল কৰিব লাগে, অসম চুক্তিৰ প্ৰতিটো দফা কাৰ্য্যকৰী কৰি অসমৰ জলন্ত সমস্যাটো সমাধান কৰি অসমবাসী ৰাইজক ন্যায় প্ৰদান কৰিব লাগে। অসমক কা'ৰ আওঁতাৰ পৰা বাহিৰত ৰাখিব লাগে। অসমখন বাংলাদেশীৰ চৰণীয়া পথাৰ নহয়। প্ৰতিবাদী কাৰ্য্যসূচীটোত সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সদস্য উপম দাস, জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা গোলোক ৰাজবংশী, ইমদাদুৰ ৰহমান আদিয়ে অংশগ্ৰহণ কৰে।




# যোৰহাটত বিশ্ব অ'জন দিৱস পালন

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ১৭ ছেপ্টেম্বৰ ঃ** "অ'জন স্তৰ হৈছে পৃথিৱীৰ ওপৰত থকা অদৃশ্য সুৰক্ষাৰ কৱচ। সূৰ্যৰপৰা আহি থকা হানিকাৰক অতি বেঙুণীয়া ৰশ্মি ইয়াৰ পৰিমাণ যদি বৃদ্ধি হয় তেতিয়া পৃথিৱীত থকা জীৱ-জন্তুৰ ক্ষতি হ'ব। মানুহৰ দেহত ছালৰ কেন্সাৰ বৃদ্ধি পাব, দৃষ্টিশক্তি লোপ পাব, শিশুৰ স্বাস্থ্যত প্ৰভাৱ পেলাব, গছ-গছনিৰ পাত শুকাই যাব, খেতি-বাতি নোহোৱা হ'ব, সমুদ্ৰৰ উদ্ভিদ ধ্বংস হ'লে সম্পূৰ্ণ খাদ্যশৃংখল নাথাকিব। সেয়েহে অ'জন স্তৰক এক অদৃশ্য ছাতিৰ সৈতে বিজ্ঞানীসকলে তুলনা কৰিছে। ১৯৭০ চনত বিজ্ঞানীসকলে উল্লেখ কৰিলে, অ'জন স্তৰে পৃথিৱী ধ্বংস কৰাৰ উপক্ৰম হৈছে। ১৯৮৫ চনত এণ্টাৰ্কটিকাৰ ওপৰত অ'জন স্তৰৰ বিন্ধা ধৰা পৰাত পৃথিৱীজুৰি বিজ্ঞানীসকল চিন্তিত হ'ল। সেয়ে ১৯৮৭ চনত সকলো দেশৰ প্ৰতিনিধি সমবেত হৈ সিদ্ধান্ত ল'লে অ'জন স্তৰৰ বেঙুণীয়া পদাৰ্থৰ হ্ৰাস নকৰিলে পৃথিৱীত পয়মাল হ'ব, কাৰ্বন-ডাই-অ'ইডৰ পৰিমাণ বৃদ্ধি পাব। তাক প্ৰতিৰোধৰ বাবেই ১৯৯৪ চনত জাতিসংঘই ১৬ ছেপ্টেম্বৰৰ দিনটো বিশ্ব অ'জন দিৱস হিচাপে পালন কৰি বছৰি ৰাইজক সজাগ-সচেতন কৰি থাকিব। তেতিয়াহে ২০৪০ চনৰ ভিতৰত হাইড্ৰ'ফ্লু'ৰ'কাৰ্বনৰ পৰিমাণ হ্ৰাস পাব আৰু এণ্টাৰ্কটিকাৰ অ'জনৰ বিন্ধা ২০৬০-৭০ চনৰ ভিতৰত বন্ধ হ'ব।" যোৰহাটৰ বেচৰকাৰী স্বেচ্ছাসেৱী সংগঠন সৃষ্টিৰ উদ্যোগত সুৰধ্বনি সংগীত বিদ্যালয়ত আজি পালন কৰা অ'জন দিৱসত এনেদৰে কয় বিজ্ঞানী বিকাশ হাজৰিকাই। ভালেসংখ্যক লোক উপস্থিত থকা দিৱসত বিজ্ঞানীজনে পাৰ্যমানে পৃথিৱীত গছপুলি ৰোপণ কৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়। ইফালে, সৰুচৰাই ঘৰফলীয়া উচ্চ ইংৰাজী বিদ্যালয়ত যোৰহাট পৰিৱেশ মঞ্চই আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ উত্তৰ-পশ্চিম যোৰহাটৰ সহযোগত আজি পালন কৰা বিশ্ব অ'জন দিৱসৰ সভাখন ড° প্ৰমোদ চন্দ্ৰ নেওগৰ সভাপতিত্বত অনুষ্ঠিত হয়। আৰ্যভট্টৰ সংগঠক বিপুল দুৱৰাই উদ্দেশ্য ব্যাখ্যা কৰা আৰু বিদ্যালয়খনৰ শিক্ষক পূৰঞ্জিত গগৈয়ে শুভাৰম্ভ কৰা সভাত ডি চি বি কলেজৰ প্ৰবক্তা ড° বিকাশ শৰ্মাই বিশ্ব অ'জন দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰাৰ লগতে বিভিন্নগৰাকীয়ে সোধা প্ৰশ্নৰ সদুত্তৰ দিয়ে। কৃষি বিশেষজ্ঞ ড° গিৰীন্দ্ৰ নাথ হাজৰিকাই পৰিৱেশ প্ৰদূষণৰ সমস্যা আৰু প্ৰতিৰোধৰ সম্পৰ্কত বক্তব্য আগবঢ়োৱা সভাত ড° ৰাজেন্দ্ৰ প্ৰসাদ দাস, দণ্ডধৰ হাজৰিকা, মঞ্চৰ প্ৰধান সম্পাদক বেদান্ত দত্ত, সাংগঠনিক সম্পাদক প্ৰতাপ চন্দ্ৰ শৰ্মা প্ৰমুখ্যে স্থানীয় লোকৰ লগতে বিদ্যালয়ৰ শিক্ষাৰ্থী, শিক্ষক-শিক্ষয়িত্ৰীসকল উপস্থিত থাকে।

# প্ৰধানমন্ত্ৰীৰ ৭৫তম্ জন্মদিন উপলক্ষে মৰিগাঁৱত 'সেৱা হি সমৰ্পণ' সপ্তাহ পালন

**ষ্টাফ ৰিপ'টাৰ, মৰিগাঁও, ১৭ ছেপ্টেম্বৰ ঃ** মাননীয় প্ৰধানমন্ত্ৰীৰ ৭৫তম জন্মদিন উপলক্ষে মৰিগাঁও জিলাত ১৭ ৰ পৰা ২৫ ছেপ্টেম্বৰলৈকে "সেৱা হি সমৰ্পণ : সেৱা সপ্তাহ" পালন কৰা হয়।এই সন্দৰ্ভত আজি জিলা আয়ুক্ত অনামিকা তেৱাৰীয়ে উল্লেখ কৰে যে এই সপ্তাহত ৰক্তদান শিবিৰ, মেগা স্বাস্থ্য শিবিৰ, টিবি ৰোগীক খাদ্য পেকেট বিতৰণ আদি একাধিক জনকল্যাণমূলক কাৰ্যসূচী আয়োজন কৰা হ'ব। তেওঁ সকলো নাগৰিক, সামাজিক সংগঠন আৰু স্বেচ্ছাসেৱী গোটক সক্ৰিয় অংশগ্ৰহণৰ বাবে আহ্বান জনাইছে যাতে অধিক সংখ্যক লোকে এই কাৰ্যসূচীৰ পৰা উপকৃত হব পাৰে।সপ্তাহৰ আৰম্ভণি দিন হিচাপে আজি জিলা স্বাস্থ্য সমিতি আৰু স্বহীদ তিলক হেমৰাম গুণাভিৰাম অসামৰিক চিকিৎসালয়ৰ উদ্যোগত এক ৰক্তদান শিবিৰ আয়োজন কৰা হয়। স্বাস্থ্য কৰ্মচাৰী, বিভিন্ন বিভাগীয় ব্যক্তি, স্বেচ্ছাসেৱী আৰু স্থানীয় ৰক্তদাতাসকলে উদ্দীপিত অংশগ্ৰহণ কৰি এই শিবিৰ সফল কৰি তোলে।আজিৰ এই অনুষ্ঠানত অতিৰিক্ত জিলা আয়ুক্ত (স্বাস্থ্য) নীতিশা বৰা, যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ অৰুণ কুমাৰ নাথ আৰু স্বাস্থ্য বিভাগৰ জ্যেষ্ঠ বিষয়া-কৰ্মচাৰীসকলো উপস্থিত থাকে।

## সাতখনকৈ নাটক মঞ্চস্থ; ১৬ গৰাকী প্ৰবীণ অভিনেতা, নাট্যকৰ্মীক সম্বৰ্ধনা

# জন্ম আৰু মৃত্যু দিৱসত অভিনয়াচাৰ্য ব্ৰজনাথ শৰ্মালৈ ডুমডুমাবাসীৰ শ্ৰদ্ধাঞ্জলি

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১৭ ছেপ্টেম্বৰ ঃ** ১৯৩৩ চনত ডুমডুমা নাট্য মন্দিৰৰ মঞ্চত অসমৰ প্ৰথম সহ-অভিনয়ৰ পাতনি মেলি অসমৰ নাট্য জগতত এক বিপ্লৱ ইয়াৰ পাছতেই নাট্যকাৰ, পৰিচালক ৰাজীৱ লোচন বৰাৰ ৰচনা আৰু পৰিচালনাৰে অভিনয়াচাৰ্য ব্ৰজনাথ শৰ্মাৰ জীৱনৰ ওপৰত আধাৰিত এখনি আলেখ্য 'ব্ৰজ ওস্তাদ' মঞ্চস্থ কৰা হয়। আলেখ্যখনত ব্ৰজনাথ শৰ্মাই কিদৰে সাহসেৰে সেইসময়ৰ ৰক্ষণশীল সমাজখনৰ বিৰুদ্ধে গৈ নাটকত মহিলাক অভিনয় কৰোৱাবলৈ আনিছিল সেয়া সুন্দৰভাৱে তুলি ধৰিছে। আলেখ্যখনত ব্ৰজনাথ শৰ্মাৰ চৰিত্ৰত অভিনয় কৰে অভিজিৎ খাটনিয়াৰে। আনহাতে ফণী শৰ্মাৰ চৰিত্ৰটো ৰূপায়ন কৰে দৌলত সোণোৱালে আৰু চন্দ্ৰ চৌধুৰীৰ চৰিত্ৰত অভিনয় কৰে লক্ষ্যজ্যোতি মহন্তই। অন্যান্য চৰিত্ৰসমূহত অভিনয় কৰে ক্ৰমে - সঞ্জীৱ শৰ্মা, সোমেশ্বৰ বৰুৱা, শুভাশিষ মল্লিক, অনন্ত বৰুৱা, ৰীমা ডেকা, অঞ্জু হাজৰিকা, মনালী হাজৰিকা বৰুৱা, জ্যোতিস্মিতা বৰুৱা, প্ৰণীতা চক্ৰৱৰ্তী শৰ্মা, ভায়লিনা লহকৰ, কাকলি কলিতা, গীতা ডেকা, মিৰাণ্ডা বৰুৱা ডেকা, হিৰণ্য গগৈ মহন্ত, নীভাৰাণী চৌধুৰী দাসে। ঘোষক আৰু ঘোষিকা হিচাপে আলেখ্যখনিৰ ধাৰা বিৱৰণী দিয়ে ৰাজীৱ লোচন বৰা আৰু জোনালী শইকীয়া ডেকাই। আলেখ্যখনিয়ে ডুমডুমাৰ ৰাইজৰ বিপুল সমাদৰ লাভ কৰিবলৈ সক্ষম হয়। ইয়াৰ পাছতেই ৰাজীৱ লোচন বৰাৰ ৰচনা আৰু পৰিচালনাৰে দুখন একাংকিকা নাটক 'হেডছাৰ' আৰু 'লোকেল জেজেএম' মঞ্চস্থ কৰা হয়। 'হেডছাৰ' নাটকখনে ইতিমধ্যে অসমৰ বিভিন্ন একাংকিকা নাটক প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছে। নাটকখনত নাট্যকাৰে বৰ্তমান ৰাজ্যৰ প্ৰাথমিক বিদ্যালয়সমূহৰ এখন জীয়া ছবি দাঙি ধৰিছে। নাটকখনত হেডছাৰৰ চৰিত্ৰত সাৱলীল অভিনয়েৰে দৰ্শকৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হয় সাংবাদিক অভিনেতা মনোজ বৰুৱাই। নাটকখনৰ অন্যান্য চৰিত্ৰসমূহত অভিনয় কৰা - মমী সোণোৱাল দাস, নমিতা বড়া ডেকা, হেমন্ত কুমাৰ শ্যাম আৰু শুভাশিস মল্লিকেও নিজ নিজ চৰিত্ৰসমূহ ফুটাই তুলিবলৈ সক্ষম হৈছে।এই তিনিদিনীয়া অনুষ্ঠানটিৰ শেষত মঞ্চস্থ কৰা হয় আন এখন ব্যংগাত্মক একাংকিকা নাটক 'লোকেল জেজেএম'। ব্যংগৰ জৰিয়তে নাট্যকাৰে বৰ্তমান ৰাজ্যখনত ৰূপায়িত হৈ থকা 'জল জীৱন মিছন' আঁচনিৰ নামত প্ৰকৃততে কি চলি আছে তাক সুন্দৰ ভাৱে উপস্থাপন কৰিছে। নাটকখনৰ বিভিন্ন চৰিত্ৰত অভিনয় কৰে ক্ৰমে - ৰাজীৱ লোচন বৰা, ত্ৰিদীপ ডেকা, বিপ-ৰজ্যোতি বৰুৱা, শুভাশিস মল্লিক, লক্ষ্যজ্যোতি মহন্ত, দেবেন ডেকা, সাৰংগ নাথ, শিখাজ্যোতি শৰ্মা, সংগীতা বৰুৱা ডেকা, মন্দিৰা বৰুৱা আৰু বৰ্ণালী শ্যামে। নাটকখনে ৰাইজৰ প্ৰশংসা বুটলিবলৈ সক্ষম হয়। এই তিনিদিনীয়া অনুষ্ঠানটি সফলতাৰে অনুষ্ঠিত কৰাত সহযোগিতা আগবঢ়োৱাৰ বাবে উদযাপন সমিতিৰ সভাপতি অনুজ কলিতা, কাৰ্যকৰী সভাপতি বীৰেন শৰ্মা আৰু ৰাজীৱ লোচন বৰা আৰু যুটীয়া সম্পাদক জিতু ডেকা আৰু দেবেন ডেকাই সকলোকে কৃতজ্ঞতা জনাইছে।



# নাজিৰা চূণপোৰা তিনিআলিত পথ অৱৰোধ কাৰ্যসূচী

**অসম বাৰ্তা, নামতি, ১৭ ছেপ্টেম্বৰ ঃ** শিৱসাগৰ জিলাৰ ধিতাইপুখুৰী - বকতা ৰাইজৰ সহযোগত চেপন-চূণপোৰা পথত অৱস্থিত দিচাং নদীৰ ওপৰৰ দলং তৎকালীন মেৰামতিৰ দাবীত আজি চূণপোৰা তিনিআলিত পথ অৱৰোধ কাৰ্যসূচী। শিৱসাগৰ নঙলামৰা দিচাং দলংৰ ওপৰেৰে চাৰিটাকৈ সমষ্টিৰ যোগাযোগৰ একমাত্ৰ দলং আজিও অৱহেলিত। কাণসাৰ নাই ৰাজ্যৰ বিয়াগোম লোক নিৰ্মাণ বিভাগ তথা জন-প্ৰতিনিধিৰ। ২০২২ চনৰ ১৬ জানুৱাৰীত শিৱসাগৰৰ চেপন -চূণপোৰা সংযোগী পথৰ দিচাং দলংখনৰ এটা অংশ খহি পৰাৰ পিছৰে পৰা গধুৰ যানবাহনৰ চলাচল বন্ধ হৈ আছিল। তাৰ পিছত লঘু যান-বাহন চলাচল অব্যাহত আছিল যদিও ২০২৫ চনৰ ১৩ আগষ্টৰ পৰা দলংখনৰ চূণপোৰা ফালৰ পথৰ এটা অংশ খহি যোৱাৰ ফলত দুচকীয়া বাহনৰ বাদে সকলো ধৰণৰ যানবাহন চলাচল বন্ধ হৈ পৰিছে। এই দিচাং দলঙৰ বিকল্প হিচাপে প্ৰায় ১১ কোটি টকাৰ আৱণ্টিত ধনেৰে ২০২২-২৩ বৰ্ষত নতুন দলং নিৰ্মাণৰ কাম আৰম্ভ হৈছিল। ২০২৫ চনৰ ১৮ জুনৰ ভিতৰত কাম সমাপ্ত কৰাৰ নিৰ্দেশ থাকিলেও এতিয়ালৈকে দলংখনৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হৈ নুঠিল। বৰ্তমান দিচাং নদীৰ পাৰ খহি যোৱাৰ ফলত এই গুৰুত্বপূৰ্ণ পথটো সম্পূৰ্ণৰূপে যাতায়তৰ অনুপযোগী হৈ পৰিছে। লোক নিৰ্মাণ বিভাগৰ তৰফৰ পৰা মেৰামতি ব্যৱস্থা কৰা হ'ব বুলি জনোৱা হৈছিল যদিও আজি পৰ্যন্ত কোনো নিৰ্মাণ কাৰ্য্য পৰিলক্ষিত হৈ নুঠিল। ইয়াৰ ফলত সাধাৰণ ৰাইজে বিকল্প পথ ব্যৱহাৰ কৰি বহু সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে, বিশেষকৈ দৈনিক বিদ্যালয়লৈ অহা যোৱা ছাত্ৰ ছাত্ৰী সকলৰ লগতে চিকিৎসাজনীত ক্ষেত্ৰত এই চেপন চূণপোৰা পথেৰে অহা যোৱা কৰা ৰোগী সকল। বৰ্তমান সাধাৰণ জনতাই এই অসুবিধাৰ মাজত এতিয়া দিন পাৰ কৰিবলগীয়া হৈছে। সেই উদ্দেশ্যৰ বিকল্প ব্যৱস্থাৰ দাবীৰে যোৱা ৮ ছেপ্টেম্বৰত প্ৰতিবাদী কাৰ্য্যসূচী গ্ৰহণ কৰে যদিও আজি পৰ্যন্ত একো কাণসাৰ নাই সেয়েহে আজি প্ৰবল বৰষুণত তিতিও শ শ পুৰুষ - মহিলা, বিভিন্ন দল - সংগঠনৰ লগতে ৰাইজ নাজিৰা ৰাজহ চক্ৰৰ চূণপোৰা তিনিআলিত সমবেত হৈ শিৱসাগৰ - চেপন -চূণপোৰা পথ অৱৰোধ কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে।